সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩২ বছৰ,৪২ সংখ্যা, ৩০ আহিন, ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 42 Date of Publication- 18 October 2026 Rs. 10.00/-



যা দেৱী সৰ্বভূতেষু
শক্তিৰূপেণ সংস্থিতা
নমস্তস্যৈ নমস্তস্যৈ
নমস্তস্যৈ নমো নমঃ।।

সমূহ অসমবাসী ৰাইজলৈ ৰঙিলী বাৰ্ত্তাৰ পৰিয়ালবৰ্গৰ ফালৰ
পৰা শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছা জনালোঁ।
মুখ্য সম্পাদক- ড° উদ্দীপ্ত নয়ন মেধি

## আজি মহাসপ্তমী



ৰঙিলী বাৰ্ত্তাসেৱা- আজি মহাসপ্তমী। ষষ্ঠীৰ বেদিত প্ৰতিষ্ঠিত দেৱী দুৰ্গাক আজি 'কালৰাত্ৰি' ৰূপত আৰাধনা কৰা হয়। মা কালৰাত্ৰিৰ পূজা কৰিলে সকলো ধৰণৰ দুখ-কষ্টৰ পৰা পৰিত্ৰাণ পোৱাৰ লগতে শত্ৰু বিনাশ হয় বুলিও বিশ্বাস কৰা হয়। মা কালৰাত্ৰি অন্ধকাৰ আৰু মৃত্যু বিজয়ৰ প্ৰতীক। মা কালৰাত্ৰিৰ পূজাৰ দ্বাৰা বেয়া শক্তিৰ প্ৰভাৱ দূৰ হোৱাৰ লগতে ভয় নিবাৰণ হয়। উল্লেখ্য যে, এইবাৰ দুদিনীয়াকৈ হ'ব মহাসপ্তমী পূজা। বহু বছৰৰ মূৰত এই তিথি এইবাৰ দুৰ্গাপূজাত মিলিছে। মহাসপ্তমীৰ দিনা দেৱী দুৰ্গাক কালৰাত্ৰিৰ ৰূপত পূজা-অৰ্চনা কৰা হ'ব। তাৰপিছত অহা ১৯ অক্টোবৰৰ (দহ পৃষ্ঠাত চাওক)

## কংগ্ৰেছ হৈছে বিভাজনৰ বীজঃ সৰ্বানন্দ সোণোৱাল




ৰঙিলী বাৰ্ত্তাসেৱা- কংগ্ৰেছ ভাৰতবৰ্ষৰ চিৰশত্ৰু। কংগ্ৰেছ দলটো হৈছে গণতন্ত্ৰৰ হত্যাকাৰী। মূলতঃ কংগ্ৰেছ হৈছে বিভাজনৰ বীজ আৰু বিভেদকামী ৰাজনীতিৰ প্ৰতীক। আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী হৈছে নতুন ভাৰতৰ খনিকৰ। দেশৰ হকে আৰু অপশক্তিৰ বিৰুদ্ধে ডিব্ৰুগড়ত ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ নিৰ্দেশমৰ্মে ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত চৌকিডিঙ্গী খেলপথাৰৰ পৰা পুৰণি হাইস্কুল খেলপথাৰলৈ এক বিশাল 'জন জাগৰণ সমদল'ৰ শুভাৰম্ভণী অনুষ্ঠানত উপস্থিত থাকি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কংগ্ৰেছ দলক তীব্ৰ আক্ৰমণ কৰি এইদৰে কয়। তেওঁ (দুই পৃষ্ঠাত চাওক)

## গুৱাহাটীত উত্তৰ-পূৰ্বৰ প্ৰথমটো ভিছা আবেদন কেন্দ্ৰ উদ্বোধন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণকাৰীসকলৰ বাবে এক ডাঙৰ সুখবৰ। এতিয়াৰে পৰা ভিছা আবেদন বা বায়'মেট্ৰিক প্ৰক্ৰিয়া সম্পন্ন কৰাৰ বাবে উত্তৰ-পূৰ্ব লোকসকলে কলকাতা, দিল্লী বা মুম্বাইৰ দৰে দূৰৱৰ্তী চহৰলৈ যোৱাৰ প্ৰয়োজন নাই । বুধবাৰে গুৱাহাটীৰ খানাপাৰাত উত্তৰ-পূব ভাৰতৰ প্ৰথমটো ভিছা আবেদন কেন্দ্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই । খানাপাৰাৰ আন্তঃৰাজ্যিক বাছ আস্থান চৌহদত 'ভিএফএছ গ্ল'বেল' নামৰ প্ৰতিষ্ঠানটোৱে স্থাপন কৰা এই কেন্দ্ৰটোৰ জৰিয়তে অসম (দহ পৃষ্ঠাত চাওক)

## উচ্চতম ন্যায়ালয়লৈ সমদল উলিওৱা ৰাহুল গান্ধীলৈ জাননী



ৰঙিলী বাৰ্ত্তাসেৱা- যোৱা ১২ অক্টোবৰত নিৰ্বাচন আয়োগৰ ভোটাৰ তালিকা সংশোধন প্ৰক্ৰিয়াৰ শচত্ৰচত্বগ্ন বিৰুদ্ধে উচ্চতম ন্যায়ালয় অভিমুখে সমদল উলিওৱা আৰু ন্যায়ালয় চৌহদত সমবেত হোৱা ঘটনাক লৈ লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীলৈ জাননী পঠিয়ালে উচ্চতম ন্যায়ালয়ে। এই আচৰণৰ বাবে তেওঁৰ পৰা উত্তৰ বিচাৰিছে ন্যায়ালয়ে। মুখ্য ন্যায়াধীশ সূৰ্য কান্তৰ মন্তব্য- 'ন্যায় বিভাগক কোনোৱেই ভয় খুৱাব নোৱাৰে।' গোচৰৰ পৰৱৰ্তী শুনানিৰ দিনাই এই বিষয়ে ব্যাখ্যা আগবঢ়াবলৈ কোৱা হৈছে। ৰাহুল গান্ধীৰ লগতে সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদবলৈও জাননী পঠিওৱা হৈছে। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত আন্দোলন চলাই আছে বিৰোধী মৰ্চা 'ইণ্ডিয়া'ই। ইতিমধ্যে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰিছে 'ইণ্ডিয়া'ৰ প্ৰতিনিধি দলে। যোৱা সোমবাৰে মুখ্য ন্যায়াধীশ সূৰ্য কান্তকো (দহ পৃষ্ঠাত চাওক)

# ‘নিযুত মইনা’ আৰু ‘নিযুত বাবু’ আঁচনিৰ প্ৰথম কিস্তিৰ ধন বিতৰণ

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ প্ৰায় ৫.৪২ লাখ শিক্ষাৰ্থীৰ একাউণ্টত সোমাল ‘নিযুত মইনা’ আৰু ‘নিযুত বাবু’ আঁচনিৰ প্ৰথম কিস্তিৰ ধন । বুধবাৰে গুৱাহাটীৰ খানাপাৰাস্থিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত এক বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে এই সাহায্য বিতৰণ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰে । এই আঁচনিৰ অধীনত ৪ লাখ ৩৯ হাজাৰ ৫৯৮গৰাকী ছাত্ৰী উপকৃত হ’ব আৰু ইয়াৰ বাবে প্ৰথম কিস্তিত মুঠ ৪৮.২২ কোটি টকা ব্যয় কৰা হ’ব। আনহাতে, ৰাজ্যৰ ছাত্ৰসকলক উচ্চ শিক্ষাত উদগনি যোগোৱাৰ বাবে আৰম্ভ কৰা মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনিখনৰ জৰিয়তে মুঠ ১ লাখ ২ হাজাৰ ৫০১গৰাকী ছাত্ৰ উপকৃত হ’ব। ইয়াৰ বাবে প্ৰথম কিস্তিত ব্যয় হ’ব ১০.৩৭ কোটি টকা। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দৰে এখন অভিলাষী আঁচনি গ্ৰহণ কৰা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ বহু জিলাত যে বাল্যবিবাহ চলি আছে আৰু কম বয়সতে মাতৃত্বৰ দায়িত্ব ল’বলগীয়া হয় সেয়া ২০২৩ চনৰ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষাত প্ৰকাশ পাইছিল। এই সমীক্ষা অনুসৰি ধুবুৰী, দক্ষিণ শালমাৰা আদিৰ দৰে জিলাত ৬০ শতাংশ কন্যা সন্তানে ১৩ৰ পৰা ১৪ বছৰ বয়সতে বিবাহপাশত আবদ্ধ হয়। তেনেদৰে, ৰাজ্যৰ বহুতো অঞ্চলত ১১-১২ বছৰ বয়সতে কন্যা সন্তানে মাতৃত্বৰ দায়িত্ব ল’বলৈ বাধ্য হৈ পৰে। তেওঁ কয় যে এই সামাজিক ব্যাধি দূৰ কৰাৰ উদ্দেশ্যে চৰকাৰে ৰাজ্যজুৰি বিশাল অভিযান চলাই চৰকাৰে ১০ হাজাৰতকৈও অধিক লোকক গ্ৰেপ্তাৰ কৰিছিল আৰু প্ৰতি বছৰে এই অভিযান নিৰন্তৰভাৱে চলাই থকা হৈছে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে কন্যা সন্তানক কম বয়সতে বিয়া দিয়া কাৰ্য বন্ধ কৰাৰ পদক্ষেপৰ সমান্তৰালকৈ তেওঁলোকক শিক্ষাগ্ৰহণৰ সুবিধা প্ৰদানৰ উদ্দেশ্যে নিযুত মইনা নামৰ যিখন আঁচনি ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছিল, সেই আঁচনিখন আজি সৰ্বজন সমাদৃত হৈছে। তেওঁ জানিবলৈ দিয়ে যে ২০২৪ চনত এই আঁচনিখন আৰম্ভকৰাৰ পিছত ৰাজ্যৰ মহাবিদ্যালয়সমূহত ছোৱালীৰ নামভৰ্তি দ্ৰুতগতিত বৃদ্ধি পাইছে আৰু আধাতে শিক্ষানুষ্ঠান এৰা ছাত্ৰীৰ সংখ্যাও উল্লেখযোগ্যভাৱে হ্ৰাস পাই আহিছে। ইয়াৰ সমান্তৰালকৈ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষাৰ ষষ্ঠ সংস্কৰণত সংৱ অসমত বাল্যবিবাহৰ ঘটনাও দ্ৰুতগতিত কমি অহাৰ কথা প্ৰতিফলিত হৈছে। আনহাতে, ছাত্ৰসকলৰ শিক্ষাগ্ৰহণৰ সুবিধাৰ্থে আৰম্ভকৰা মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনিখন সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ ছাত্ৰসকলেও যাতে পঢ়াৰ সুবিধা লাভকৰে আৰু পিতৃ-মাতৃৰ আৰ্থিক বোজা কিছু পৰিমাণে হ্ৰাস পায়, সেই উদ্দেশ্যে চৰকাৰে এই আঁচনিখন গ্ৰহণ কৰিছিল। এই আঁচনিখনৰ জৰিয়তে মাত্ৰ এবছৰৰ ভিতৰতে বছৰি ৪ লাখ টকাতকৈ কম উপাৰ্জন কৰা পৰিয়ালৰ ছাত্ৰই মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ সংখ্যা প্ৰায় দুগুণলৈ বৃদ্ধি হোৱাটোৱে আঁচনিখনৰ সফলতাকে প্ৰতিফলিত কৰিছে বুলি তেওঁ মন্তব্য কৰে। ভাষণত মহামানৱ মহাত্মা গান্ধীৰ উদ্ধৃতিৰে মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষাই সমাজলৈ সমতা আনে। শিক্ষাৰ বাহিৰে আন কোনো ব্যৱস্থা নাই, যি ব্যবস্থাই আটাইতকৈ দৰিদ্ৰতম পৰিয়াল এটাক সমাজৰ উচ্চতম স্তৰলৈ উন্নীত কৰিব পাৰে। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ দিলীপ শইকীয়া আৰু বিজুলী কলিতা মেধি, বিধায়ক প্ৰদ্যুৎ বৰদলৈ, দিপ্লুৰঞ্জন শৰ্মা, বিজয় কুমাৰ গুপ্তা, ড° তপন দাস, হিমাংশু শেখৰ বৈশ্য, প্ৰকাশ চন্দ্ৰ দাস, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াৰ উপৰি উচ্চ আৰু বিদ্যালয় শিক্ষা বিভাগৰ আয়ুক্ত সচিব নাৰায়ণ কোঁৱৰকে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।




# কংগ্ৰেছ হৈছে বিভাজনৰ বীজ

আৰু কয় যে কেৱল পৰিয়ালতন্ত্ৰ, পৰিয়ালকেন্দ্ৰিক ৰাজনীতি লৈয়েইন্যস্ত স্বাৰ্থ পূৰণৰ বাবে কংগ্ৰেছে বিগত ৬০ বছৰীয়া ৰাজত্বকালত ভাৰতবৰ্ষৰ জনগণক যেনেধৰণে প্ৰতাৰণা কৰিলে, দুৰ্নীতি- ভ্ৰষ্টাচাৰ আৰু দৰিদ্ৰ জনসাধাৰণৰ অধিকাৰ খৰ্ব কৰি সমগ্ৰ ভাৰতবৰ্ষতেই গণতন্ত্ৰৰ অৱস্থা দুৰ্বল কৰিলে, তাৰ বাবে আজি কংগ্ৰেছক বাৰম্বাৰ প্ৰতিটো নিৰ্বাচনতেই ভাৰতবৰ্ষৰ জনতাই সঠিকভাৱে তেওঁলোকক শাস্তি প্ৰদান কৰিছে। সেইভাৱে আগন্তুক দিনতো এই কংগ্ৰেছ কোনোদিনেই ভাৰতবৰ্ষৰ জনতাৰ হৃদয় জয় কৰিব নোৱাৰে আৰু তেওঁলোক প্ৰতিটো নিৰ্বাচনতেই পৰাজিত হ’ব, এই কথা নিশ্চিত। বাপুজী, ড° আম্বেদকাৰ, চৰ্দাৰ বল্লভভাই পেটেল, শ্যামাপ্ৰসাদ মুখাৰ্জী আৰু পণ্ডিত দীনদয়াল উপাধ্যায়ৰ দৰে মহান ব্যক্তিসকলৰ দ্বাৰা গঢ় লৈ উঠা ভাৰতৰ গণতন্ত্ৰক কংগ্ৰেছে হত্যা কৰাৰ এই মহাপাপৰ বাবে দেশৰ জনতাই তেওঁলোকক প্ৰতিটো নিৰ্বাচনতে সঠিক শাস্তি প্ৰদান কৰি আহিছে আৰু ভৱিষ্যতেও তেওঁলোক পৰাজিত হোৱাটো নিশ্চিত বুলি মন্ত্ৰী সোনোৱালে স্পষ্ট কৰি দিয়ে। সমদলত ভাষণ দি মন্ত্ৰী সোণোৱালে কংগ্ৰেছৰ ৰাজনীতি, নিৰ্বাচনী ব্যৱস্থাৰ বিশেষ নিবিড় সংশোধন, সন্দৰ্ভত আৰু সাংবিধানিক প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে কংগ্ৰেছ-ইণ্ডি এলায়েঞ্চে উত্থাপন কৰা প্ৰশ্নক তীব্ৰ ভাষাৰে সমালোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ অভিযোগ- কংগ্ৰেছে ৰাষ্ট্ৰবিৰোধী শক্তিৰে মিলি দেশত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। তেওঁ কয়- দেশৰ স্বাৰ্থৰ ওপৰত কোনো ৰাজনৈতিক স্বাৰ্থক স্থান দিব নোৱাৰি। ভাৰতৰ ঐক্য, অখণ্ডতা আৰু সুৰক্ষাৰ সৈতে কোনোধৰণৰ আপোচ কৰা নহ’ব। দেশৰ সাংবিধানিক প্ৰতিষ্ঠানসমূহৰ বিশ্বাসযোগ্যতাক লৈ প্ৰশ্ন উত্থাপন কৰা কাৰ্যই কংগ্ৰেছৰ গণতান্ত্ৰিক প্ৰমূল্যবোধৰ প্ৰতি থকা দৃষ্টিভংগীৰ ওপৰত প্ৰশ্নৰ অৱকাশৰ সৃষ্টি কৰিছে। কংগ্ৰেছ আৰু ৰাহুল গান্ধীয়ে দেশবাসীৰ ওচৰত নিজৰ স্থিতিৰ বাবে জবাবদিহি হোৱা উচিত। উল্লেখ্য যে দেশবিৰোধী অপশক্তিৰ বিৰুদ্ধে সাধাৰণ ৰাইজক সচেতন কৰাৰ লক্ষ্যৰে তথা কংগ্ৰেছ আৰু ইণ্ডি এলায়েঞ্চৰ দলসমূহে দিল্লীত ৰূপায়ণ কৰা প্ৰতিবাদৰ বিৰোধিতা কৰি যোৱা দুটা দিনত বিজেপিয়ে নলবাৰী, যোৰহাট, শিলচৰ আৰু গুৱাহাটীত বিশাল জনজাগৰণ সমদল উলিয়াইছে। সহস্ৰাধিক জনতাৰ সমৰ্থনত উলিওৱা এই জনজাগৰণ সমদল ৰাজ্যৰ দ্বিতীয় ৰাজধানী ডিব্ৰুগড়, তেজপুৰ আৰু নামনিত অসমৰ অন্যতম গুৰুত্বপূৰ্ণ চহৰ বৰপেটাৰোডতো উলিওৱা হয়। ডিব্ৰুগড়ৰ চৌকিডিঙি খেলপথাৰৰ পৰা চৰকাৰী পুৰণা হাইস্কুল খেলপথাৰলৈকে বিজেপিয়ে কংগ্ৰেছ আৰু ইণ্ডি এলায়েঞ্চৰ সমৰ্থিত দলসমূহৰ বিৰুদ্ধে উলিওৱা জনজাগৰণত জিলাখনৰ সৰ্বস্তৰৰ ৰপ্ত হাজাৰতকৈও অধিক লোকে অংশগ্ৰহণ কৰে। এই সমদলত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে দলৰ সাধাৰণ সম্পাদক ঋতুপৰ্ণ বৰুৱা, মন্ত্ৰী বিমল বড়া, ৰামেশ্বৰ তেলী, বিধায়ক প্ৰশান্ত ফুকন, চক্ৰধৰ গগৈ, বিনোদ হাজৰিকা, সাংসদ তেৰছ গোৱালাকে ধৰি দলৰ কেইবাজনো জ্যেষ্ঠ নেতা উপস্থিত থাকে। আনহাতে বৰপেটাৰোডত আয়োজিত সমদল কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। প্ৰায় ২০ সহস্ৰাধিক লোকৰ উপস্থিতিত উলিওৱা এই সমদলত মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ, দলৰ উপ-সভাপতি মনোজ বৰুৱা, বৰপেটা জিলা বিজেপিৰ সভানেত্ৰী সবিতা দেৱনাথকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে। ইফালে বিজেপিৰ শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত ঐতিহাসিক তেজপুৰত উলিওৱা হয় আন এক জনজাগৰণ সমদল। ৰাষ্ট্ৰবাদী চিন্তাৰে উদ্বুদ্ধ হৈ শোণিতপুৰ জিলাৰ প্ৰায় ১৫ হাজাৰতকৈ অধিক যুৱক-যুৱতী তথা জিলাখনৰ সকলো পৰ্যায়ৰ কাৰ্যকৰ্তা একত্ৰিত হৈ অপশক্তি আৰু অপপ্ৰচাৰৰ বিৰুদ্ধে এই সমদলত অংশ লয়। তেজপুৰৰ ঐতিহাসিক শ্বহীদ বাকৰিৰ পৰা আৰম্ভ হোৱা এই সমদল যাত্ৰাত ভাৰত মাতা কী জয়, ৰাষ্ট্ৰীয় একতাৰ ধ্বনিৰে সমগ্ৰ তেজপুৰৰ ৰাজপথ উত্তাল কৰি তোলে। সমদলটোৱে ভৰ্তক আৰু ত্ৰিবেণী হৈ জয়মতী পথাৰত উপস্থিত হয় আৰু তাত সামৰণি পৰে। এই সমদলত মন্ত্ৰী অশোক সিংহল, সাংসদ ৰঞ্জিত দত্ত, বিধায়ক পল্লৱলোচন দাস, পদ্ম হাজৰিকা, কৃষ্ণ কমল তাঁতী, ঋতুপৰ্ণ শৰ্মাকে ধৰি দলৰ কেইবাজনো জ্যেষ্ঠ নেতা উপস্থিত থাকে।

সম্পাদকীয়... স্বাগতা বৰুৱা গোস্বামী

# শাৰদীয় শুভেচ্ছা



বাৰিষাৰ কদৰ্যময় পৰিবেশৰ পৰা প্ৰতিজনৰ হৃদয়ত সৃষ্টিৰ লহৰ তুলিবলৈ আহে ঋতুৰাণী শৰৎ। নিয়ৰৰ মিঠা আলিংগনত সাৰ পাই উঠে আলফুলিয়া শেৱালীজনী। লগে লগেই যেন শৰৎৰ মৃদু কম্পনত বগা সাজেৰে চুচুক চামাক কৰি হাত বাউল দি মেঘৰ সৈতে নাচি উঠে কোমল কহুঁৱাজনীয়ে। তাই যেন শৰৎৰ প্ৰতিটো উজাগৰী নিশাৰ সাক্ষ্য বহন কৰে, যাৰ সুধা পান কৰিবলৈ কবি, সাহিত্যিকসকল অধিৰ আগ্ৰহেৰে অপেক্ষা কৰি ৰয়। এই শৰতৰ শান্ত, সৌম্য, স্নিগ্ধ পৰিবেশৰ মাজেৰে এখোজ দুখোজ খোজেৰে আগবাঢ়ি আহে দেৱী দূৰ্গা।

মহালয়াৰ দিনাই ধৰালৈ আগমন ঘটে মহিষমৰ্দিনী দশভূজাধাৰী দেৱী দুৰ্গাৰ। তাৰপিছতেই আৰম্ভ হয় নৱৰাত্ৰিৰ। নৱৰাত্ৰিত দেৱীৰ নটা অৱতাৰ ন দিন পূজা কৰা হয়। দশম দিনা অশ্ৰুসিক্ত নয়নেৰে, ভাৰাক্ৰান্ত একো একোটা মনেৰে দেৱীক পুনৰ লগপোৱাৰ প্ৰতিশ্ৰুতিৰে বিদায় দিয়া হয়। এইবাৰ দেৱীশাস্ত্ৰ অনুসৰি দেৱী ঘোঁৰাই আগমন আৰু নৌকাই গমন। শাস্ত্ৰ মতে ঘোঁৰাত দেৱীৰ আগমন হ’লে ৰাজনৈতিক বা সামৰিক অস্থিৰতা আৰু যুদ্ধৰ পৰিৱেশ সৃষ্টি হোৱাৰ ইংগিত দিয়ে আনহাতে নৌকাই গমন কৰিলে শস্যবৃদ্ধি আৰু মনোকামনা পূৰণৰ লগতে বানপানী বা অতিবৃষ্টিৰ আশঙ্কা থাকে। বিল্ব বোধনেৰে ষষ্ঠীৰ বেদীত স্থাপন কৰা হ’ব দেৱী দুৰ্গাক। দেৱীৰ আগমনৰ লগে লগে শৰতে আনে স্নিগ্ধ শীতল উৎসৱমুখৰ বতৰা। শাৰদীৰাণীৰ উপস্থিতিয়ে সকলোৰে মন প্ৰান পুলকিত কৰক, সমাজৰ অপ্ৰীতি, অসূয়া নাশ হৈ ভ্ৰাতৃত্ববোধৰ এনাজৰীয়ে সমাজখনক আকোঁৱালি ধৰক। শৰৎৰ এই উৎসৱমুখৰ পৰিৱেশত ৰঙিলী বাৰ্তাৰ সমূহ পৰিয়ালবৰ্গৰ ফালৰ পৰা সকলোলৈ আন্তৰিক শুভকামনা। সকলোৰে মঙ্গল হওঁক।

জয় মাতা দি

# দেশবিৰোধী অপশক্তিৰ বিৰুদ্ধে বিশাল জনজাগৰণ সমদল বিজেপিৰ



ৰঙিলী বাৰ্তাসেৱা- দেশবিৰোধী অপশক্তিৰ বিৰুদ্ধে পুনৰ ৰাজপথলৈ ওলাল ৰাজ্যিক বিজেপি। নলবাৰীত সমদল উলিওৱাৰ পাছত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰৰ পৰা জ্যোতি-বিষ্ণু আন্তঃৰাষ্ট্ৰীয় কলা মন্দিৰলৈ কংগ্ৰেছ আৰু ইণ্ডি এলায়েঞ্চৰ সমৰ্থিত দলসমূহে ভাৰত বিৰোধী শক্তিসমূহৰ সৈতে লগলাগি যি ৰাষ্ট্ৰ বিৰোধী কাৰ্যকলাপত লিপ্ত হৈছে তাৰ বিৰুদ্ধে এক ব্যক্তি এক ভোট, দেশৰ যুৱ শক্তি একগোট, দেশ বিৰোধীৰ চক্ৰান্ত আমিয়েই কৰিম ব্যৰ্থ, জিকিলে সকলো ভাল-হাৰিলে ইভিএম কাল, কক্ৰোচৰ ভণ্ডামী আঁৰত থাকে বামপন্থী, আমাৰ বাবে ৰাষ্ট্ৰ প্ৰথম তেওঁলোকৰ বাবে পৰিয়াল প্ৰথম আদি শ্লোগান দি ‘জনজাগৰণ সমদল’ উলিয়ায়। সৰ্বস্তৰৰ ৫০, ০০০কৈও অধিক লোকৰ সমাগমেৰে ৰাষ্ট্ৰ বিৰোধী শক্তিক ধূলিসাৎ কৰাৰ লক্ষ্যৰে আয়োজিত জনজাগৰণ সমদলৰ নেতৃত্ব দিয়ে অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। সমদলৰ পূৰ্বে খানাপাৰাত সমৱেত জনগণক সম্বোধন কৰি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ মন্তব্য- ইতিহাস সাক্ষী আছে, যেতিয়াই ৰাইজে কংগ্ৰেছক শাসনৰ পৰা আঁতৰাই ৰাখে, তেতিয়াই তেওঁলোক অস্থিৰ হৈ পৰে, ৰাষ্ট্ৰবিৰোধী কাৰ্যকলাপত লিপ্ত হয়। বৰ্তমান কংগ্ৰেছ, ইণ্ডি এলায়েঞ্চ ভাৰতবিৰোধী শক্তিৰ ওঁঠৰ ভাষা একেই হৈছে। সভাপতি দিলীপ শইকীয়াই পুনৰ কয়- এই জনজাগৰণ সমদল সাংবিধানিকভাৱে প্ৰতিষ্ঠিত স্বতন্ত্ৰ গণতান্ত্ৰিক সংস্থাসমূহৰ স্বতন্ত্ৰতাৰ লগতে গণতন্ত্ৰৰ তৃতীয় স্তম্ভ ন্যায়পালিকাৰ গৰিমাক ম্লান কৰাৰ বাবে ইণ্ডি এলায়েঞ্চকে ধৰি ৰাষ্ট্ৰবিৰোধী শক্তিসমূহে যি ধৰণে ষড়যন্ত্ৰ কৰিছে, তাক আমি সফল হ’বলৈ নিদিওঁ। ৰাহুল গান্ধীক তীব্ৰ কটাক্ষ কৰি দিলীপ শইকীয়াই কয়- বিৰোধী দলপতিৰ হাতত যদি ভোট চুৰিৰ প্ৰমাণ আছে, তেন্তে ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰি এই প্ৰমাণ প্ৰদান নকৰিলে কিয়? নিৰ্বাচন আয়োগে ২২ বছৰ পিছত বিশেষ ভোটাৰ সংশোধন প্ৰক্ৰিয়াৰ জৰিয়তে (এছআইআৰ) বাদ পৰা প্ৰায় ১৩.৩ কোটি ভোটাৰৰ ২.৭ কোটি ভোটাৰ মৃত আৰু এক কোটিতকৈ অধিক ভোটাৰৰ দুই

( নপৃষ্ঠাত চাওক)

# স্বামীক হত্যা কৰি ড্ৰামত ভৰোৱা মুস্কান আৰু প্ৰেমিকক মৃত্যুদণ্ড



ৰঙিলী বাৰ্তাসেৱা- উত্তৰ প্ৰদেশৰ মীৰাটৰ বহুচৰ্চিত ‘নীলা ড্ৰাম’ হত্যাকাণ্ডত দোষী সাব্যস্ত মুছকান ৰাস্তোগী আৰু চাহিল শুক্লাক মৃত্যুদণ্ডৰ শাস্তি প্ৰদান কৰিছে আদালতে। ১৪ অক্টোবৰ, বুধবাৰে জিলা আদালতে সৌৰভ ৰাজপুত হত্যাকাণ্ডৰ গোচৰত দুয়োজনৰ শাস্তি ঘোষণা কৰে। সৌৰভ হত্যাকাণ্ডৰ দুই অভিযুক্ত চাহিল আৰু মুস্কানক যোৱা ৩০ ছেপ্টেম্বৰত মীৰাটৰ জিলা আদালতে দোষী সাব্যস্ত কৰিছিল । এই বিচাৰৰ ৰায় প্ৰদানৰ বাবে আদালতে বুধবাৰ অৰ্থাৎ ১৪ অক্টোবৰৰ দিনটো ধাৰ্য কৰি ভাৰ্চুৱেল মাধ্যমেৰে আদালতত হাজিৰ কৰোৱা হয় মুস্কান আৰু চাহিলক ।

(দহ পৃষ্ঠাত চাওক)

# গৱেষণা-প্ৰবন্ধ প্ৰস্তুতকৰণ আৰু প্ৰকাশনৰ কৌশল সন্দৰ্ভত অসম ডন বস্ক’ বিশ্ববিদ্যালয়ত বিশেষ বক্তৃতা



ৰঙিলী বাৰ্তাসেৱা- গৱেষণা-প্ৰবন্ধ লিখন আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত শৈক্ষিক গৱেষণা প্ৰকাশৰ বিভিন্ন কৌশলৰ বিষয়ে শিক্ষক-শিক্ষাৰ্থী আৰু গৱেষকসকলক অৱগত কৰাৰ লক্ষ্যৰে অসম ডন বস্ক’ বিশ্ববিদ্যালয় প্ৰযুক্তি বিদ্যাপীঠৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ উদ্যোগত ৰচ অক্টোবৰত এখন বিশেষ বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। ‘ৰিছাৰ্চ টু পাব্লিকেশ্বন: দ্য কমপ্লিট ৱৰ্কফ্লো’ (Research to PublicationĐ The Complete Workflow)’ শীৰ্ষক এই বক্তৃতানুষ্ঠানত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটীৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ অধ্যাপক উজ্জ্বল কুমাৰ সাহাই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি গৱেষণাৰ ফলাফলক মানসম্পন্ন শৈক্ষিক প্ৰবন্ধলৈ ৰূপান্তৰিত কৰাৰ বিভিন্ন দিশৰ বিষয়ে আলোকপাত কৰে। গৱেষণাৰ ফলাফলক মানসম্পন্ন শৈক্ষিক প্ৰবন্ধৰ ৰূপত প্ৰকাশ কৰাৰ বিভিন্ন দিশৰ বিষয়ে অৱগত কৰাই আছিল অনুষ্ঠানটোৰ মুল উদ্দেশ্য। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, বি.টেক. আৰু এম.টেক.ৰ শিক্ষাৰ্থী তথা পি.এইচ.ডি. গৱেষকসকলে অংশগ্ৰহণ কৰে। বক্তৃতাত অধ্যাপক সাহাই গৱেষণা-প্ৰবন্ধ লিখন, উপযুক্ত গৱেষণা-আলোচনী নিৰ্বাচন আৰু প্ৰবন্ধ জমা দিয়াৰ পদ্ধতিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। তেওঁ গৱেষণাৰ মান বজাই ৰখা, প্ৰকাশন-সম্পৰ্কীয় নৈতিকতা অনুসৰণ কৰা আৰু গৱেষণাৰ ফলাফলসমূহ শৈক্ষিক সমাজৰ আগত স্পষ্ট

(দহ পৃষ্ঠাত চাওক)

# অসমৰ বিদ্যালয়ৰ ৩০ শতাংশ শিক্ষাৰ্থীয়ে বুজি নাপাই শিক্ষকে কি বুজাইঃ শিক্ষামন্ত্ৰী

ৰঙিলী বাৰ্তাসেৱা- ইউনেস্কৰ’ৰ এক জৰীপৰ উদ্ধৃতিৰে ৰাজ্যৰ শ্ৰেণীকক্ষত পাঠদানৰ পদ্ধতিক লৈ উদ্বেগ প্ৰকাশ কৰিছে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। অসমৰ ৩০ শতাংশ শিক্ষাৰ্থীয়ে শ্ৰেণীকোঠাত শিক্ষকে পঢ়োওৱা (বুজোৱা) পাঠ বুজি নাপায় বুলি ইউনেস্কোৰ এক শেহতীয়া সমীক্ষাত এই উদ্বেগজনক তথ্য পোহৰলৈ আহিছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত এক অনুষ্ঠানত ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই বিষয়টো উত্থাপন কৰি বিশেষ উদ্বেগ প্ৰকাশ কৰি কয় যে, অসমৰ ৩০ শতাংশ শিক্ষাৰ্থীয়ে শ্ৰেণীকোঠাত শিক্ষকে পঢ়ওৱা পাঠ বুজি নাপায়। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত সেৱা সংকল্প অভিযান উপলক্ষে আয়োজিত চিত্ৰাংকন, কুইজ আৰু বক্তৃতা প্ৰতিযোগিতাৰ কেন্দ্ৰীয় পুৰস্কাৰ বিতৰণী অনুষ্ঠানত উপস্থিত থাকি তেওঁ এই সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য কৰে। ভাষণ প্ৰসংগত শিক্ষামন্ত্ৰী ডাঃ পেগুৱে শিক্ষাৰ্থীসকলে শ্ৰেণীকোঠাৰ পাঠদান যাতে ভালকৈ বুজিব পাৰে, তাৰ বাবে বিদ্যালয়সমূহত পাঠদান পদ্ধতি উন্নত কৰাত গুৰুত্ব আৰোপ কৰি কয় যে বহু শিক্ষাৰ্থীয়ে শ্ৰেণীকোঠাত শিক্ষকে ব্যাখ্যা কৰা বিষয়সমূহ আয়ত্ত কৰিব নোৱাৰে। শিক্ষকসকলে প্ৰায়েই

(দহ পৃষ্ঠাত চাওক)

# কেটলা চাহ বাগিচা আদৰ্শ বিদ্যালয়ত ‘Bright Smiles Bright Futures’ প্ৰকল্পৰ সজাগতা সভা সম্পন্ন



ৰঙিলী বাৰ্তাসেৱা- বিশ্বনাথ জিলাৰ কেটলা চাহ বাগিচা আদৰ্শ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ‘Bright Smiles Bright Futures (BSBF)’ প্ৰকল্পৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে যোৱা ৱ অক্টোবৰত এখন সজাগতা সভা অনুষ্ঠিত হয়। অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগৰ উদ্যোগত বিদ্যালয়সমূহত ৰূপায়ণ কৰিবলৈ লোৱা এই প্ৰকল্পৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰাৰ লগতে ইয়াৰ উদ্দেশ্য আৰু গুৰুত্বৰ বিষয়ে বুজাই দিয়া হয়। বিশ্বনাথ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া অৰুণজ্যোতি দত্তই ২৯ জুলাই, ২০২৬ তাৰিখে জাৰি কৰা নিৰ্দেশনাৰ ভিত্তিত বিদ্যালয়খনত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। নিৰ্দেশনা অনুসৰি, অসমৰ সকলো চৰকাৰী, প্ৰাদেশিকীকৃত আৰু ব্যক্তিগত বিদ্যালয়ত বিনামূলীয়াকৈ এই প্ৰকল্প ৰূপায়ণৰ ব্যৱস্থা কৰা হৈছে। সভাত ছাত্ৰ-ছাত্ৰীসকলক প্ৰকল্পটোৰ

( নপৃষ্ঠাত চাওক)

# অসমৰ বানৰ বাবে ৮৪৩কোটি টকা আবণ্টন কেন্দ্ৰীয় চৰকাৰৰ



ৰঙিলী বাৰ্তাসেৱা- অসমৰ বানপীড়িতলৈ ৮৪৩ কোটি টকাৰ আবণ্টন কেন্দ্ৰীয় চৰকাৰৰ। ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে অসম চৰকাৰলৈ এছডিআৰএফৰ অধীনত এই ধনৰাশি আবণ্টন দিয়া হৈছে। ইয়াৰে কেন্দ্ৰীয় অংশ হ'ব ৭৫৮.৭০ কোটি টকা আৰু ৰাজ্যিক অংশৰ পৰিমাণ হ'ব ৮৪.৩০ কোটি টকা। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় অংশৰ ৩৭৯.৩৫ কোটি টকা প্ৰথম কিস্তি ৰাজ্য চৰকাৰলৈ মুকলি কৰি দিছে। কেন্দ্ৰীয় গৃহ পৰিক্ৰমা ৰাজিক মন্ত্ৰী নিত্যানন্দ ৰায়ে ৰাজ্যসভাৰ সাংসদ যোগেন মহনলৈ লিখা এক পত্ৰত কেন্দ্ৰৰ এই সিদ্ধান্তৰ কথা জনায়। পত্ৰখনত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে চলিত বৰ্ষত অহা ৰাজ্যৰ বান পৰিস্থিতি কেন্দ্ৰীয় চৰকাৰে সৰ্বোচ্চ পৰ্যায়ত নিৰীক্ষণ কৰি আছে আৰু সাহায্য কাৰ্যৰ বাবে এনডিআৰএফ বাহিনীৰ মুঠ ৯টা দল প্ৰেৰণ কৰিছে। পত্ৰখনত কেন্দ্ৰীয় চৰকাৰে উজনি অসমৰ বান পৰিস্থিতি আৰু ইয়াৰ ক্ষয়-ক্ষতি ৰাজ্য চৰকাৰৰ স্মাৰক-পত্ৰলৈ অপেক্ষা নকৰাকৈয়ে প্ৰত্যক্ষ মূল্যায়ন কৰিব বুলিও নিত্যানন্দ ৰায়ে সদৰী কৰে। চলিত বৰ্ষৰ তিনি জুলাইত এটা আন্তঃমন্ত্ৰালয় কেন্দ্ৰীয় দল অসমৰ বান পৰিস্থিতি অধ্যয়নৰ বাবে গঠন কৰা বুলি উল্লেখ কৰি নিত্যানন্দ ৰায়ে জনায় যে এই কেন্দ্ৰীয় দলটোৱে চলিত বৰ্ষৰ ৭ জুলাইৰ পৰা ১০ জুলাইলৈ আৰু ২৫ জুলাইৰ পৰা ২৯ জুলাইলৈ ৰাজ্যখনৰ বানত ক্ষতিগ্ৰস্ত অঞ্চল ভ্ৰমণ কৰিছিল। কেন্দ্ৰীয় দলৰ এই ভ্ৰমণ আৰু ইয়াৰ প্ৰতিবেদনৰ ভিত্তিতে ৰাজ্যৰ ক্ষতিগ্ৰস্তসকলৰ বাবে নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰি পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰিব বুলি সদৰী কৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। পত্ৰযোগে কেন্দ্ৰীয় গৃহ পৰিক্ৰমা ৰাজ্যমন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ বান সমস্যা সমাধানৰ বাবেও ( নপৃষ্ঠাত চাওক)

# পুৱাই মুখ ঢাকি হাফলং কাৰাগাৰৰ পৰা ওলাই আহিল অমৃতপ্ৰভা



ৰঙিলী বাৰ্তাসেৱা- মঙলবাৰে পুৱাই জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত অমৃতপ্ৰভা মহন্তই হাফলং উপ-কাৰাগাৰৰ পৰা মুখ ঢাকি মুকলি আকাশৰ তললৈ ওলাই আহিল । গুৱাহাটী উচ্চ ন্যায়ালয়ে চৰ্তসাপেক্ষে জামিন মঞ্জুৰ কৰাৰ পিছত প্ৰয়োজনীয় আইনী আৰু প্ৰশাসনিক আনুষ্ঠানিকতা সম্পূৰ্ণ হোৱাত তেওঁ কাৰাগাৰৰ পৰা ওলাই আহিবলৈ সক্ষম হয় । আদালতে সকাহ দিয়াৰ পিছতেই অমৃতপ্ৰভা মহন্তৰ পৰিয়ালৰ তিনিগৰাকী সদস্য সোমবাৰে বিয়লিৰ ভাগত হাফলঙত উপস্থিত হয় । ইয়াৰ পিছতে কাৰাগাৰ কৰ্তৃপক্ষই তেওঁক মুকলি কৰি দিয়াৰ বাবে প্ৰয়োজনীয় আনুষ্ঠানিকতা আৰম্ভ কৰে । অৱশ্যে সোমবাৰে নিশালৈকে সকলো প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱাত তেওঁক মুকলি কৰি দিব পৰা নগ'ল । অৱশেষত মঙলবাৰে পুৱা আনুষ্ঠানিকতা সম্পূৰ্ণ কৰি অমৃতপ্ৰভা মহন্তক কাৰাগাৰৰ পৰা মুকলি কৰি পৰিয়ালৰ হাতত গতাই দিয়া হয় । হাফলং উপ- ( নপৃষ্ঠাত চাওক)

# চলিত বৰ্ষত ৭ শতাংশ হাৰত বৃদ্ধি পাব জিডিপি




ৰঙিলী বাৰ্তাসেৱা- আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি (আইএমএফ) এ প্ৰকাশ কৰা মতে, ২০২৬ বৰ্ষৰ অক্টোবৰ মাহৰ ৱৰ্ল্ড ইক'নমিক আউটলুকৰ প্ৰতিবেদন অনুসৰি ২০২৬-২৭ বিত্তীয় বৰ্ষত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন (জিডিপি) ৭ শতাংশ হাৰত বৃদ্ধি পোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। ঘৰুৱা বজাৰত সামগ্ৰীৰ শক্তিশালী চাহিদা আৰু সেৱা খণ্ডৰ ক্ষিপ্ৰ উত্থানৰ ওপৰত ভিত্তি কৰি সংস্থাই এই পূৰ্বাভাস প্ৰকাশ কৰিছে। আইএমএফে ইয়াৰ পূৰ্বৰ ৬.৪ শতাংশ বৃদ্ধিৰ পূৰ্বানুমানৰ সংশোধন কৰি শেহতীয়াকৈ ৭ শতাংশ বৃদ্ধিৰ ভৱিষ্যদ্বাণী কৰিছে। কেৱল চলিত বৰ্ষতে নহয়, ২০২৭-২৮ বিত্তীয় বৰ্ষতো ভাৰতৰ অৰ্থনৈতিক বিকাশ ৭ শতাংশ হাৰতে বৰ্তি থাকিব বুলিও সংস্থাটোৱে আশা প্ৰকাশ কৰিছে। বিগত ২০২৫-২৬ বিত্তীয় বৰ্ষত ভাৰতৰ বিকাশৰ হাৰ ৭.৮ শতাংশ আছিল। বিশ্বজুৰি দেখা ( নপৃষ্ঠাত চাওক)

# ড° কংকনা মেধিৰ নৱতম উপন্যাস 'প্ৰেম বৈৰাগ্য' উন্মোচন




ৰঙিলী বাৰ্তাসেৱা- প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা চিন্তাশীল লেখিকা তথা ঔপন্যাসিকা ড° কংকনা মেধিৰ নৱতম উপন্যাস 'প্ৰেম বৈৰাগ্য' মায়ঙত এক বৰ্ণাঢ্য অনুষ্ঠানত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। চিন্তাশীল লেখিকা, উপন্যাসিকা ড° কংকনা মেধিৰ নৱতম উপন্যাস "প্ৰেম বৈৰাগ্য" উন্মোচন কৰি বিশিষ্ট সাহিত্যিক তথা শিল্পী ডাঃ অঞ্জনজ্যোতি চৌধুৰীয়ে কয় যে অসমীয়া সাহিত্যৰ জগতখনত কংকনা মেধি যে এগৰাকী ভাল লেখিকা হিচাপে সুপৰিচিত আৰু প্ৰতিষ্ঠিত হ'ব সেই কথা তেওঁ কংকনা মেধিয়ে নৱম শ্ৰেণীত পঢ়ি থাকোঁতেই লিখা প্ৰথমখন উপন্যাস "শব্দহীন পঁপুৰ" পঢ়িয়েই অনুধাৱন কৰিব পাৰিছিল আৰু সেয়ে তেওঁ কংকনা মেধিৰ প্ৰতিখন গ্ৰন্থৰ উন্মোচনী অনুষ্ঠানতে উপস্থিত থাকিবলৈ চেষ্টা কৰি আহিছে। ( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ৰ চিৰিংচাপৰিত "শাৰদী সন্ধিয়া"ত দুৰ্গাপূজাৰ গীত উন্মোচন



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ অন্যতম সাংস্কৃতিক গোষ্ঠী 'সুৰ মন্দিৰ'ৰ প্ৰাঙ্গণত সুমধুৰ গীতমাতেৰে "শাৰদী সন্ধিয়া" উদযাপন কৰা যায়। অনুষ্ঠানত "উদুলি মুদুলি" শীৰ্ষক দুৰ্গা পূজাৰ গীত এটি উন্মোচন কৰা হয় । ৰঞ্জিতা বৰদলৈৰ কথা আৰু প্ৰশান্ত বৰদলৈয়ে সুৰাৰোপিত কৰা গীতটিত কণ্ঠদান কৰিছে অৰ্পণা অন্বেষা, পুষ্পাঞ্জলি শৰ্মা)ৰিংকি) আৰু প্ৰশান্ত বৰদলৈয়ে । গীতৰ সংগীত সুৰজিত বৰুৱাৰ (ববী)। গীতটি উন্মোচন কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজতত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° শৰৎ শৰ্মাই কয় যে শ্ৰী শ্ৰী দুৰ্গামাৰ বন্দনাৰে আৰম্ভণি কৰি বিজয়া দশমীত দুৰ্গা মাৰ বিদায়ৰ শোকাকুল নিস্তব্ধ সন্ধিয়ালৈকে গীতটিৰ বৰ্ণনা অপূৰ্ব ভাৱে হৈছে । কণ্ঠশিল্পী তিনিগৰাকীয়ে সুমধুৰ কণ্ঠ নিগৰাই গীতটি মনপৰশা কৰি তুলিছে । অনুষ্ঠানত উপস্থিত থাকে গুৱাহাটীৰ ( নপৃষ্ঠাত চাওক)

# অসমৰ ৮ শতাধিত চাহ বাগিচাৰ চাহ শ্ৰমিকক ২০ শতাংশ বোনাছ



ৰঙিলী বাৰ্তাসেৱা- দুৰ্গা পূজাৰ প্ৰাক্কণত অসমৰ চাহ বাগিচাৰ শ্ৰমিককলৈ এক সুখবৰ। ৰাজ্যখনৰ চাহ বাগিচাসমূহত কৰ্মৰত শ্ৰমিকসকলৰ বাবে ২০ শতাংশ বিশেষ বোনাছ প্ৰদানৰ কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই সিদ্ধান্তৰ ফলত ৰাজ্যৰ ৮০০ৰো অধিক চাহ বাগিচাত কৰ্মৰত প্ৰায় ১০ লাখ শ্ৰমিক উপকৃত হ'ব। ইতিমধ্যে এই ৮০০ চাহ বাগিচাৰ শ্ৰমিকসকলক ২০ শতাংশ বিশেষ বোনাছ প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা সদৰী কৰিছে। পূজাৰ পূৰ্বে ২০ শতাংশ বোনাছ লাভ কৰাৰ লগে লগে ৰাজ্যৰ লাখ লাখ চাহ শ্ৰমিক পৰিয়াললৈ পূজাৰ পূৰ্বে আনন্দ-উৎসাহ অধিক বৃদ্ধি হোৱাও পৰিলক্ষিত হৈছে। ( নপৃষ্ঠাত চাওক)

# সুৰৰ শৰতত ড° ভূপেন হাজৰিকা...

কবিতা শৰ্মা, নতুন দিল্লী



এই কথা সমগ্ৰ অসমবাসীয়ে জানে যে ২০২৫ - ২৬ ইং বৰ্ষটোত আমি সকলোৱে একেলগে উদ্‌যাপন কৰি আহিছোঁ - আমাৰ সকলোৰে শ্ৰদ্ধা আৰু মৰমৰ শিল্পী সুধাকণ্ঠ - ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ... ইতিমধ্যে চৰকাৰী ভাবে আৰু লগতে ব্যক্তি বিশেষৰ বিশেষ প্ৰচেষ্টাত বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হৈ আছে। তেখেতৰ কিছু কথা, সৃষ্টি ৰাজীক লৈ কিছু আলোচনা আৰু লগতে তেখেতৰ সৃষ্টি ৰাজীয়ে কেনেকৈ অসমীয়াৰ গোটেই সাংস্কৃতিক পথাৰখন উদ্বুদ্ধ কৰি থৈ গৈছে, সেই কথাখিনি ফহিয়াই চোৱাটো অত্যন্ত গুৰুত্বপূৰ্ণ। আমাৰ পাছৰ পৰ্যায়ত তেখেতৰ গীতসমূহ শুদ্ধ ভাবে প্ৰসাৰ আৰু প্ৰচাৰ হৈছে নে নাই, সেই কথাখিনিও জানি বুজি লোৱাটো প্ৰতিজন অসমীয়াৰ বাবে যথেষ্ট তাৎপৰ্যপূৰ্ণ।

ড° ভূপেন হাজৰিকাৰ গীত সমূহ অসমৰ জাতীয় জীৱনৰ এটা বৈশিষ্ট্য পূৰ্ণ যুগৰ অনবদ্য শিল্প সম্ভাৰ... এজন চিৰ যাযাবৰ শিল্পীৰ জীৱনজোৰা সাধনাৰ নিঃসীম ফলশ্ৰুতি... তেখেতৰ গীতবোৰ কথা আৰু সুৰ দুয়োফাল পৰাই অনিবৰ্চনীয়। ঠিক যেনেকৈ ফুলৰ পাহিবোৰ সিহঁতৰ ৰং আৰু গোন্ধ নিজেই বিচাৰি আপোনা-আপুনি ফুলি উঠে, ঠিক তেনেকৈ। সাধাৰণতে আধুনিক গীত বুলিলে তেখেতৰ গীত সমূহ প্ৰথাগত স্থায়ী, অন্তৰা, আভোগ আৰু সঞ্চাৰী- চাৰিটা স্পষ্ট স্তৰকত বিভক্ত আৰু সুৰ প্ৰবাহৰ তৰলিত ৰূপত বিন্যস্ত। বৰ্তমানৰ অসমীয়া আধুনিক গীতৰ ক্ষেত্ৰত ভূপেন হাজৰিকাৰ গীত সমূহৰ এয়াই প্ৰধান বৈশিষ্ট্য। তেওঁৰ গীতবোৰ কথা আৰু সুৰৰ এক অনবদ্য যুগলবন্দী।

ড° ভূপেন হাজৰিকাৰ গীত সমূহ জনপ্ৰিয়তাৰ শীৰ্ষ ত থকাৰ অন্যতম প্ৰধান কাৰণ হৈছে - তেখেতৰ কণ্ঠ মাধুৰ্য্য, অৰ্থপূৰ্ণ শব্দ, শুদ্ধ উচ্চাৰণ, শ্ৰুতিমধুৰ সুৰ সংযোজন আৰু পৰিবেশন কৰা কলাসুলভ দেহভঙ্গিমা।

ড° ভূপেন হাজৰিকাৰ গীত সংকলন - "গীত সমগ্ৰ"ৰ আত্ম কথনত তেখেতে কৈছে - "গোটেই জীৱন নিৰন্তৰ ভাবে লিখি অহা কোনো এটি গীতেই মই সংখ্যা বঢ়োৱাৰ উদ্দেশ্যে বা সময়ৰ ঢৌত খৰ মাৰিবলৈ লিখা নাই। মোৰ গীত সমূহৰ মূল উদ্দেশ্য - " গীতবোৰ মানুহৰ গীত হওক। বৰ্তমানটো এদিন যেতিয়া অতীত হৈ যাব, তেতিয়াও মোৰ কিছুমান গীত প্ৰাসংগিক হৈ থাকিব আৰু কিছুমান গীত ইতিহাস হৈ যোৱা ইতিহাসৰ ভিত্তিতে মানুহক পৰিৱৰ্তনৰ বাটেৰে আগুৱাই যোৱাত সাহস যোগাব, আস্থা প্ৰদান কৰিব।"

ভূপেন হাজৰিকাৰ এই কথা যে ধ্ৰুৱ সত্য, এই কথা আজি আমি প্ৰতিজন অসমীয়াই তেখেতৰ গীত সমূহৰ মাজেৰে প্ৰতিনিয়ত উপলব্ধি কৰিব পাৰিছোঁ। অতীতৰ পৰা বৰ্তমানলৈকে তেখেতৰ গীতবোৰ চিৰ প্ৰাসংগিক হৈ আছে আৰু হৈ থাকিব।

তেখেতৰ বিশাল সংগীত সাধনাৰ আলোচনা কৰিবলৈ লোৱা মানেই - তেখেতৰ প্ৰতিটো গীতৰ সুৰ, শব্দ আৰু অন্তৰ্নিহিত ভাবৰ গভীৰতালৈ প্ৰৱেশ কৰা - যি প্ৰায় অসীম কৰ্ম। সেয়া কোনো এক লেখাৰ পৰিসৰত সম্পূৰ্ণ সামৰি লোৱা সম্ভৱ নহয়।

সেয়েহে এই শাৰদীয় বতৰৰ আবেগ - অনুভূতিৰ সৈতে সংগতি ৰাখি তেখেতৰ সৃষ্টিৰ বিশাল সাগৰৰ পৰা মুকুতাৰ দৰে বুটলি লোৱা, কেইটিমান হৃদয় স্পৰ্শী গীতৰ মাজেৰে শৰতৰ ৰূপ, সৌন্দৰ্য আৰু অনুভৱৰ মায়াময় পৃথিৱীখনত এপলক ভুমুকি মৰাৰ মোৰ এই সামান্য প্ৰয়াস...

শৰৎ হেনো ভূপেন হাজৰিকাৰ অতিকৈ প্ৰিয় ঋতু আছিল। শৰতৰ কহুঁৱা, নিয়ৰ সিক্ত শেৱালিৰ সুবাস আৰু কপাহ কোমল শুকুলা ডাঁৱৰৰ মোহত পৰি, তেখেতৰ কাপৰ পৰা সৃষ্টি হৈছিল - কেইবাটাও কালজয়ী গীতৰ.... তেখেতৰ গীতত শৰতৰ বৰ্ণনাই কেবল প্ৰকৃতিক প্ৰতিফলিত কৰা নাই, বৰঞ্চ মানব মনৰ আশা আৰু সমন্বয়ৰ বাৰ্তাও প্ৰেৰণ কৰিছে।

শাৰদী ৰাণী তোমাৰ হেনো নাম  
তুমি মোৰ নিচেই আপোন  
সদ্যস্নাতা ৰূপহী মোৰ  
পুৱতি নিশাৰ সপোন...

এই গীত ভূপেন হাজৰিকাৰ এক অনুপম আৰু কালজয়ী সৃষ্টি। ১৯৭৮ চনত মুক্তিপ্ৰাপ্ত এই গীতটিত শৰতৰ সৌন্দৰ্য্যক তেখেতে এক ৰূপহী নাৰীৰ ৰূপত কল্পনা কৰি, শাৰদী ৰাণী বুলি সম্বোধন কৰিছে। বৰ্ষাৰ অন্তত অহা বৰষুণৰ এই ৰূপক তেখেতে সদ্যস্নাতা ৰূপহীৰ দৰে কল্পনা কৰিছে। পুৱতি নিশাৰ মিঠা সপোনে যেনেকৈ মন প্ৰফুল্লিত কৰে, শৰতৰ পুৱাৰ কুঁৱলী ভৰা পৰিৱেশেও সকলোৰে অন্তৰত তেনে এক মায়াবী আমেজ সানে।

শুভ্ৰনীলা ওৰণি খনি  
কুঁৱলী - সূতাৰে বোৱা  
পাতল ৰিহা খনি  
থৰ লগা বিলখনি  
তোমাৰ শুৱনি দাপোণ

পুৱাৰ ভাগৰ পাতল কুঁৱলীবোৰ পাতল ৰিহাৰ দৰে গাত মেৰিয়াই শাৰদী ৰাণীয়ে যেন বিলৰ পানীৰ দাপোনত নিজৰ ৰূপ চাইছে।

কপাহ মেঘৰ অহা - যোৱা  
সেউজী ঘাঁহৰ হিমানী  
সোণালী ৰ'দ শেৱালিৰে জাক  
তুমিয়েই আনিলা কিজানি  
শেৱালি কোমল হাঁহিটি মাৰি  
কৰাঁহি সাজোন- কাচোন

আকাশত উৰি ফুৰা কপাহ সদৃশ শুকুলা মেঘ, সেউজ ঘাঁহনিত পৰি থকা নিয়ৰ কণাবোৰ আৰু পথাৰৰ বুকুত জিলিকি উঠা সোণালী ৰ'দ জাক, বিলৰ বুকুত ভাহি থকা শৱালি জাকে প্ৰকৃতিৰ এই সৌন্দৰ্যক অনন্য কৰি তোলে। শৰতৰ পুৱা যেতিয়া শেৱালি ফুল ফুলি উঠে এনে লাগে যেন শাৰদী ৰাণীয়ে কোমল হাঁহি মাৰি ধৰিত্ৰীৰ বুকুত সাজোন- কাচোন কৰিছে ...

সামগ্ৰিক ভাবে এই গীতটি কেবল প্ৰকৃতিৰ বৰ্ণনাই নহয়, বৰঞ্চ প্ৰকৃতি আৰু মানুহৰ মাজৰ নিবিড় সম্পৰ্কৰ এক কাব্যিক প্ৰকাশ। এটা সাৰ্থক সুৰে শাৰদী ৰাণীক সাৰ্থক গীতত পৰিনত কৰিছে। ড° ভূপেন হাজৰিকাই এই গীতটিৰ শব্দ আৰু সুৰৰ যাদুৰে অসমৰ শৰৎ কালটোক চিৰদিনৰ বাবে কালজয়ী কৰি ৰাখিলে।

ড° ভূপেন হাজৰিকাৰ দ্বাৰা ৰচিত আৰু সুৰাৰোপিত আন এক অনাঘ্ৰাত মধুৰ আধুনিকতাবাদী ৰোমান্টিক বিৰহী গীত... এই গীতটোত প্ৰকৃতিৰ পটভূমিত এজন আধুনিক নগৰীয়া মানুহৰ একাকীত্ব, অতীতৰ সোঁৱৰণী আৰু প্ৰেমৰ এক গভীৰ ব্যকুলতা প্ৰকাশ পাইছে -

এটুকুৰা আলসুৱা মেঘ ভাহি যায়  
মোৰো বনহংসই বাট হেৰুৱাই  
মই আছোঁ শাৰদীয় খিৰিকী মুখত  
বুকুৰে বিচৰা জনলৈ বাট চাই ।।

মহাকবি কালিদাসৰ "মেঘদূত" কাব্যখনৰ আধুনিক ৰূপ হিচাপে গন্য কৰিব পৰা এই গীতটি- প্ৰকৃতি, মহানগৰীৰ যান্ত্ৰিকতা, প্ৰেম আৰু বিৰহৰ এক অপূৰ্ব সমন্বয়! প্ৰিয়জনৰ বাবে অপেক্ষা আৰু বিৰহৰ বেদনা গীতটোৰ মূল বিষয় বস্তু।

বিজুলীচাকিৰ সৌ তাঁৰবোৰতে  
নিয়ৰে ওলমি কিবা কথা পাতে  
বিশেষ বিন্দুত আঁকা এখনি মুখে  
এমুঠি অনুৰাগ দিছে ছটিয়াই।

এই গীতটিত গীতিকাৰে কিছুমান অপূৰ্ব ৰূপকৰ ব্যৱহাৰ কৰিছে। "বন হংস "শব্দটোৱে প্ৰিয়জনৰ সন্ধানত দিশহাৰা হৈ পৰা প্ৰেমিকৰ চঞ্চল আৰু ব্যাকুল মনটোক দৰ্শাইছে। মনৰ কোনো এক - "বিশেষ বিন্দুত" প্ৰিয়জনৰ মুখখন জিলিকি উঠি যেন এমুঠি অনুৰাগহে ছটিয়াই দিছে।

ড° ভূপেন হাজৰিকাৰ গীত চিৰন্তন আনন্দৰ উৎস। নিত্য নতুন আৱিষ্কাৰেৰে ভৰপূৰ তেখেতৰ গীত। শৰৎ বৰ্ণনাত তেখেতে কেতিয়াবা কালিদাস, শঙ্কৰদেৱ, ৰবীন্দ্ৰ নাথকো টানি আনিছে ভাবেৰে, ভাষাৰে... কালিদাসৰ মহাকাব্যত বিৰহী যক্ষই আকাশত বাৰিষাৰ মেঘ দেখা দিয়াৰ লগে লগে জড় - চেতনৰ কথা পাহৰি মেঘ খণ্ডকে প্ৰিয়তমাৰ ওচৰলৈ বাতৰি নিবলৈ অনুৰোধ জনাইছে, ঠিক তেনেদৰে গীতিকাৰে আকাশত ভাহি যোৱা আলসুৱা মেঘ জাকক প্ৰেমিকালৈ লিখা চিঠিখন লৈ যাবলৈ অনুৰোধ কৰিছে।

আগলৈ...

## পূজা

প্ৰভাত বণিয়া



শৰত আহিল  
নিয়ৰ সৰিছে টোপ টোপ  
কেওফালে উজলি উঠিছে  
জান জুৰি পৃথিৱী ৰূপে অপৰূপা মনোমুগ্ধ পৰিৱেশ  
শেৱালীৰ মলমলীয়া সুবাস  
মন ফৰকাল  
নৈৰ দাঁতিত হালিছে জালিছে শুকুলা কহুৱা ফুল  
কপিছে লিহিৰি বিৰিণা,  
শংখ ঘণ্টা, ধাক ঢোল বাজিছে  
মৰ্ত্যলৈ আহিল দুৰ্গতি নাশিনী, মহিষ-মৰ্দিনী দেৱী দুৰ্গা  
মহামায়া  
ভক্ত প্ৰাণ পুৰুষ মহিলা যুৱক যুৱতী  
শিশু মাতৃৰ আজি উলাহ অধীৰ হিয়া  
আমিও আৰতি কৰোঁ দুৰ্গা গোসানীৰ চৰণ যুগলে  
মন প্ৰাণৰ পৰা আসুৰিক চিন্তা ভাৱনা মচি পেলাওঁ  
গৰ্ব অহঙ্কাৰ, ফটুৱা ভেম দূৰতে কৰোঁ বিদূৰ  
নিস্বাৰ্থ দ্বিধাহীন, ভয়, শংকা বিহীন মনৰ অধিকাৰী  
হও সকলো  
পাদ্য অৰ্ঘ ধূপ ধুনা নৈবেদ্যৰে  
মহামাতা স্নেহময়ী দশভূজা দেৱী দুৰ্গাক যাচো আহা  
ভক্তি অঞ্জলি।

# শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গা

প্ৰিয়ম ৰাগিণী, ডিব্ৰুগড়

যা দেৱী সৰ্বভূতেষু শক্তিৰূপেন
সংস্থিতা
নমস্তস্যৈ নমস্তস্যৈ নমোঃ নমঃ

প্ৰকৃতিৰ বুকুলৈ শৰৎ যেতিয়া আহে কমোৱা তুলাৰদৰে আকাশত মেঘ ভাহে। কলুষ-কালিমাবোৰ আপোনা আপুনি আঁতৰি যায়। হিয়াৰ পদুলিত শুকুলা শেৱালিয়ে হাঁহে। প্ৰকৃতিৰ বাবে স্বতঃস্ফূতভাৱে শৰৎ এক মধুৰ অনুভৱ হৈ পৰে। শৰৎ ঋতুৰ আগমনত প্ৰকৃতিয়ে ৰূপ সলায়। বিশাল আকাশৰ নীলিম আৱিৰে প্ৰশান্তি দিয়ে প্ৰতিজন মানৱৰ মনত। শৰতৰ সিক্ত আমোলমোলোৱা সুবাস নিয়ৰৰ কণাবোৰ আৰু কঁহুৱাৰ শুভ্ৰতাই পৰিৱেশলৈ কঢ়িয়াই আনে প্ৰকৃতি উন্মনা হোৱাৰ তথা গাভৰু হোৱাৰ যেন অন্য এক প্ৰাচুৰ্যতাৰ সম্ভাৰ।

শৰৎ হ'ল উৎসৱৰ ঋতু। মোহনীয় শৰতে কঢ়িয়াই আনে আনন্দৰ উৎসৱ দুৰ্গাপূজা। হিন্দু ধৰ্ম আৰু হিন্দু দৰ্শনৰ ঐতিহাসিক সূত্ৰ অনুসৰি ভাৰতত অতি প্ৰাচীন অৰ্থাৎ ঋকবেদৰ সময়ৰপৰাই দেৱী পূজাৰ প্ৰচলন হৈ আহিছে। এই দেৱী পূজা কেৱল ভাৰতৰ পূৰ্বাঞ্চলতে সীমাবদ্ধ এনে নহয়। মানৱ ইতিহাসৰ আদিকালৰে পৰা এতিয়ালৈকে পৃথিৱীৰ বিভিন্ন ঠাইত বিভিন্ন প্ৰথাৰে বিভিন্ন নামেৰে দেৱী পূজাৰ প্ৰচলন হৈ আহিছে। এই দেৱী হ'ল প্ৰকৃতি জগতৰ নিয়ন্তা এক পৰম আদ্যশক্তি। দেৱী পূজাৰ সম্পৰ্ক সদায় কৃষিকৰ্মৰ লগত জড়িত। দেৱী পূজা শস্য উৎপাদিত শক্তি আৰু প্ৰজনন আদিৰ প্ৰতীক স্বৰূপেই আৰম্ভ হয়।

দুৰ্গা হৈছে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী। তেওঁ মহাশক্তিৰ আধাৰ। দুৰ্গা দুৰ্গতিনাশিনী আৰু আদ্যা ত্ৰিলোক জননী স্বৰূপা। দুৰ্গা দেৱী স্বমহিমা আৰু বিভিন্ন শক্তিৰে পূজিতা। 'দুৰ্গ' নামেৰে মহা পৰাক্ৰমী অসুৰক বধ কৰি দেৱী 'দুৰ্গা' ৰূপেৰে পূজিতা হৈছিল। আসুৰিক শক্তিৰ জ্বলন্ত প্ৰতীক মহিষাসুৰক বধ কৰি দেৱী পৰিচিতা হৈছিল মহিষমৰ্দিনী ৰূপে। পাৰ্থিৱ-অপাৰ্থিৱ শোক-তাপ হৰণ কৰোতা দেৱী দুৰ্গাই হ'ল দুৰ্গতিনাশিনী। যি দেৱী শক্তিৰ মহা আধাৰ আৰু যি সকলো ভূততে শক্তি ৰূপেই সংস্থিতা- সেই দেৱীয়েই হ'ল দুৰ্গা। দুৰ্গা সৃষ্টিৰ প্ৰতীক। তেওঁৰেই সংহাৰ কৰোতা।সৃষ্টিৰ ৰক্ষাৰ হেতু পৃথিৱীত শান্তি স্থাপনাৰ্থে দেৱীয়ে ধংসতো প্ৰবৃত্ত হয়। এই মহাশক্তিৰ আধাৰ স্বৰূপা দুৰ্গা দেৱীয়েই সময়ত কেতিয়াবা ভদ্ৰকালী, চণ্ডী, শাকম্ভৰী আৰু কেতিয়াবা কাত্যায়নী হিচাপে পৰিগণিত হয়।

মা দুৰ্গা দুৰ্গতিনাশিনী বাবেই তেওঁৰ নাম দুৰ্গা হোৱা নাই। দুৰ্গা দেৱীক বিভিন্ন নামেৰে জনা যায়। মহিষমৰ্দিনী, দশপ্ৰহৰণধাৰিণী, আদ্যশক্তি, সনাতনী, অম্বিকা, অন্যদা, গৌৰী, ঈশানী, বিজয়া, শাৰদা, মোক্ষদা, কৌশিকী, সাৱিত্ৰী, কাত্যায়নী, দশভূজা, ভাস্বতী আদি অনেক নামেৰে দুৰ্গাক জনা যায়। শ্ৰী শ্ৰী চণ্ডীত দেৱী বৰ্ণিত হৈছে এইদৰে...

'দেৱনাং কাৰ্য সিদ্ধৰ্থাবিৰ্ভবতি
সা সদা উৎপন্নেতি
তদালোকে সা
নিত্যাপ্যাভিবীয়তে
এবং ভগৱতী দেৱী সা
নিত্যাপি পুনঃপুনঃ সম্ভূয়
কৰুতে ভূপ জগতঃ
পৰিপালনম'।

অৰ্থাৎ দেৱতাৰ কাৰ্য সিদ্ধিৰ কাৰণে বা বিশ্বৰ প্ৰতি কৰ্ম পালনৰ মহান উদ্দেশ্য আগত লৈ যুগে যুগে আৱিৰ্ভাৱ হয় মহাশক্তিস্বৰূপা দুৰ্গাদেৱীৰ। সৃষ্টি ৰক্ষাৰ সনাতন পৰিক্ৰমাত দেৱী হৈ পৰিছে সৰ্বশ্ৰেষ্ঠা দেৱী। হাতশক্তি পুনৰ উদ্ধাৰ, পাৰ্থিৱ সম্পদ লাভ আদিৰ বাবে দেৱীৰ কৃপাৰ আৱশ্যক। একমাত্ৰ দেৱীৰ কৃপানুগ্ৰহ লাভৰ বাবেই যে মৰ্তলোকত দেৱী পূজাৰ প্ৰচলন হৈ আহিছে। ওঠৰখন পুৰাণৰ ভিতৰত অন্যতম ব্ৰহ্মবৈবৰ্ত পুৰাণত এনেদৰে দেৱীৰ বিষয়ে কোৱা হৈছে যে য'ত একমাত্ৰ তেওঁৰ কৃপালাভৰ বাবেই পূজা কৰাৰ বিশদ বিৱৰণ পোৱা যায়-

প্ৰথমে পূজিতা সা চ কৃষ্ণেন পৰমাত্মনা
বৃন্দাবনে চ সৃষ্টা দৌ গোলোকে
ৰাসমণ্ডলে
মধুকৈতভ ভীতেন ব্ৰহ্মণ্য সা
দ্বিতীয়তঃ
ত্ৰিপুৰ প্ৰোষতে নৈৰ তৃতীয়ে
ত্ৰিপুৰাৰিণ
ভ্ৰষ্টশ্ৰিয়া মহেন্দ্ৰণ শত্আপদুৰ্বা
সমপূৰা
চতুৰ্থে পূজিতা দেৱী ভক্ত্যা
ভগৱতী সতা!!
কালান্তৰে পূজিতাসা সুৰথেন
মহাত্মানা
ৰাজ্ঞ মেধস শিষ্যেণ মৃন্ময্যাঞ্চ
সৰিত্ততে!!

ইয়াৰ অৰ্থ হ'ল সৃষ্টিৰ প্ৰাককালত প্ৰথমে শ্ৰীকৃষ্ণই গোলোকত আৰু তাৰে পাছত বৃন্দাবনৰ ৰাসমণ্ডলত দুৰ্গাদেৱীৰ পূজা কৰিছিল। দ্বিতীয়তে মধুকৈতভক নাশ কৰিবৰ বাবে ব্ৰহ্মাই, তৃতীয়তে ত্ৰিপুৰাসুৰদ্বাৰা অপমানিত হৈ দেৱাদিদেৱ মহাদেৱ, চতুৰ্থতে দুৰ্বাসা মুনিৰ দ্বাৰা শাপভ্ৰষ্ট হৈ দেৱৰাজ ইন্দ্ৰই দেৱী দুৰ্গাক পূজা কৰিছিল। ইয়াৰ পাছত মেধস মুনিৰ শিষ্য সুৰাথে মাটিৰ মূৰ্তি গঢ়ি পূজা কৰিছিল।

শ্ৰী শ্ৰী চণ্ডীৰ দ্বিতীয় আখ্যানমতে ৰম্ভাসুৰ আৰু মহিষীৰ পুত্ৰ মহিষাসুৰ কঠোৰ তপস্যাৰ দ্বাৰা ব্ৰহ্মাৰ পৰা অজেয় বৰ লাভ কৰি প্ৰবল পৰাক্ৰমী হয়। এশ বছৰ ব্যাপি চলা যুদ্ধৰ শেষত মহিষে দেৱতাসকলক পৰাজিত কৰি স্বৰ্গ অধিকাৰ কৰি সমগ্ৰ ত্ৰিজগত অত্যাচাৰেৰে কঁপাই তোলে। মহিষৰ অত্যাচাৰৰ পৰিত্ৰাণ বিচাৰি দেৱতাসকল ব্ৰহ্মাৰ ওচৰলৈ যায়। ব্ৰহ্মাই তেওঁলোকক বিষ্ণু আৰু মহেশ্বৰৰ ওচৰলৈ লৈ যায়। বিষ্ণুৱে দেৱতাসকলক জানিবলৈ দিয়ে যে কেৱল নাৰীশক্তিৰ দ্বাৰাহে মহিষক বধ কৰা সম্ভৱ হ'ব।দেৱতাসকলে যেতিয়া ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰৰ আগত মহিষৰ অত্যাচাৰৰ কাহিনী বৰ্ণনা কৰিবলৈ লয় তেতিয়া মহিষৰ প্ৰতি জাগ্ৰত হোৱা খঙত তেওঁলোক তিনিওজনৰে মুখৰপৰা তেজঃপুঞ্জ নিৰ্গত হ'বলৈ ধৰে। দেৱতাসকলৰ মুখৰপৰাও তেজঃপুঞ্জ নিৰ্গত হয় আৰু আকাশ মাৰ্গত সমগ্ৰ তেজঃপুঞ্জ একীভূত হৈ এগৰাকী অপৰূপা পৰম জ্যোতিৰ্ময়ী দেৱীৰ সৃষ্টি কৰে। এইগৰাকী দেৱীয়েই চণ্ডীস্বৰূপা শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গা। কাত্যায়ন ঋষিৰ আশ্ৰমত জন্মগ্ৰহণ কৰা বাবে দেৱীয়ে নিজকে কাত্যায়ন দুহিতা কাত্যায়নী বুলি চিনাকি দিয়ে। ঋষি কাত্যায়নে ভগৱতীক কন্যাৰূপে পাবলৈ বহু বছৰ ব্যাপি কঠোৰ তপস্যা কৰিছিল। ঋষিৰ তপস্যাত সন্তুষ্ট হৈ ভগৱতীয়ে দুৰ্গাৰূপেৰে তেওঁৰ আশ্ৰমত জন্মগ্ৰহণ কৰে। পাছলৈ মহাপৰাক্ৰমী অসুৰৰাজ দুৰ্গাসুৰক বধ কৰি দুৰ্গাৰূপেৰে খ্যাত হয়। আহিন মাহৰ কৃষ্ণা চতুৰ্দশী তিথিত ঋষি কাত্যায়নৰ পূজা গ্ৰহণ কৰি দশমী তিথিৰ দিনা দেৱীয়ে মহিষাসুৰক বধ কৰে।

নিজৰ একীভূত ৰক্তৰে মূৰ্তিমান অপৰূপা দেৱীৰ জ্যোতিত দেৱতাসকল পুলকিত হৈ পৰে। তেওঁলোকৰ স্তুতিত সন্তুষ্ট হৈ দেৱীয়ে মহিষক বধ কৰিবলৈ ৰণচণ্ডী মূৰ্তি ধৰে। ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ আৰু দেৱতাসকলে প্ৰদান কৰা বস্ত্ৰ, অলংকাৰ আৰু অস্ত্ৰৰে সু-সজ্জিত হৈ দেৱীয়ে হিমালয় প্ৰদত্ত সিংহত আৰোহণ কৰি মহিষক যুদ্ধলৈ আহ্বান জনায়। দেৱীক আক্ৰমণ কৰিবলৈ মহিষে প্ৰথমে চিক্ষুৰ আৰু চামৰৰ নেতৃত্বত অগণন দৈত্য সেনা পঠিয়াই দিয়ে। দেৱীয়ে অস্ত্ৰৰ প্ৰহাৰেৰে সমগ্ৰ সেনা নিধন কৰে। শেষত মহিষ নিজে যুদ্ধলৈ আহে। মায়াধাৰী মহিষে প্ৰথমে সিংহ, মানুহ, হাতী আৰু শেষত পুনৰ মহিষ ৰূপেৰে দেৱী দুৰ্গাৰ সৈতে ভয়ংকৰ যুদ্ধ কৰে



দেৱীয়ে ত্ৰিশূলেৰে প্ৰহাৰ কৰি মহিষক বধ কৰে। শাৰদীয় দুৰ্গা পূজাত দেৱীৰ এই মহিষমৰ্দিনী ৰূপেৰে পূজা উপাসনা কৰা হয়।

ত্ৰেতাযুগত শ্ৰী ৰামচন্দ্ৰই ৰাৱণক বধ কৰি সীতাক উদ্ধাৰ কৰিবলৈ শৰৎকালত দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰি শাৰদীয় দুৰ্গাপূজাৰ পাতনি মেলে। অকালতে বসন্তকাল নোহোৱাকৈ অনুষ্ঠিত কৰা বাবে এই পূজাক অকালবোধন বুলিও কোৱা হয়। ৰাৱণ দেৱী দুৰ্গাৰ পৰম ভক্ত আছিল। সেইবাবেই তেওঁক বধ কৰিব নোৱাৰাত ব্ৰহ্মাই ৰামক দুৰ্গা পূজা কৰিবলৈ উপদেশ দিলে। বসন্তকাল নোহোৱাকৈ অকালতে দুৰ্গা পূজা কৰিবলৈ ৰাম অমান্তি হোৱাত ব্ৰহ্মাই তেওঁ শুক্লা ষষ্ঠীৰ দিনা বেলগছৰ তলত কল্পাৰম্ভৰে দেৱীক জাগ্ৰত কৰিবলৈ উপদেশ দিয়ে। দেৱগুৰু বৃহস্পতি দেৱীৰ এগৰাকী পৰম ভক্তই পূজা কৰিলেহে দেৱী সন্তুষ্ট হ'ব বুলি কোৱাত ৰামে ৰাৱণক পূজা কৰিবলৈ আমন্ত্ৰণ কৰি আনে। ৰাৱণৰ পৌৰোহিত্যত অনুষ্ঠিত পূজাত নৱমীৰ দিনা ৰামে ৰাৱণক বধ কৰি বিজয় লাভ কৰে।সেয়ে দশমী পূজাক বিজয়া দশমী নামে জনা যায়। বাল্মিকী ৰামায়ণত ৰামে দুৰ্গাপূজা কৰাৰ কথা উল্লেখ নাই কিন্তু কৃত্তিবাসী ৰামায়ণত লংকাকাণ্ড নামৰ কাহিনীটো পোৱা যায়।

শাৰদীয় দুৰ্গা পূজাৰ লগত জড়িত আন এক

( বাৰপৃষ্ঠাত চাওক)

## শৰত



মেৰী বৰদলৈ,নগাঁও, ফুলগুৰি

শুনিছোঁ শৰত আহিছে
হেনো
মুখত এটি
মৃদু হাঁহি আঁৰি।
শুনিছোঁ শৰত আহিছে
হেনো
লাহে লাহে
এখোজ দুখোজ
কৰি।
শুনিছোঁ শৰত আহিছে
হেনো
এটি সুকোমল সুৰ
তুলি তুলি।
শুনিছোঁ শৰত আহিছে
হেনো
বকুল পাহিক
হাত বাউলি দি।
শুনিছোঁ শৰত আহিছে
হেনো
মনৰ মণিকাঞ্চনজোপাক
শীতল কৰিবলৈ
এসাগৰ সুবাস ঢালি!!

# শৰতৰ পূৰ্ণিমাত

ৰিমী হাজৰিকা, মাজুলী



আহিনৰ এটি নতুন আবেলি,
আছিল অনেক হাঁহিৰ খিলখিলনি।
আশা-নিৰাশাৰ দোমোজাত বৈ
আহিছিল এটি নতুন মায়া হৈ।।
সন্ধিয়া বেলিকা উভটি চাওঁতে,
লাগিছিল নাকত আহি চিনাকি সুবাস।
শেৱালীৰ গোন্ধই আজুৰি আনিছিল
দুখৰ হৃদয়ৰ নতুন হেঁপাহ।।
সেইদিনা আছিল শৰতৰ পূৰ্ণিমা,
চঞ্চলা জোনাকৰ সান্নিধ্যত বহি,
লিখিছিলোঁ তোমাৰ-মোৰ প্ৰেমৰ
এটি সুৰীয়া গীতৰ মালিতা।।
শেৱালীৰ সুবাসে কাণে কাণে কৈছিল
এই ক্ষণ যেন কেতিয়াও হেৰাই নাযায়।
আহিনৰ সেই শাৰদীয় আবেলি
আজিও মোৰ মনতে বৈ যায়।।
পূৰ্ণিমাৰ জোনটি যেন সাক্ষী হৈ ৰ'ল
স্মৃতি হৈ ৰ'ল সেই নিৰৱ নিশাটি।
তুমি-মই আৰু শাৰদীয় জোনাক
এটি আধৰুৱা প্ৰেমৰ কবিতাটি।।

# শৰতৰ কবিতা



গকুল চৌধুৰী,হাকামা, ধুবুৰী

আহিন মাহ আহিলে আহে
এই ঋতু
এই ঋতু আহিলে প্ৰকৃতি হয়
সেউজীয়া মাথোঁ সেউজীয়া ।
এই ঋতু মহামিলনৰ ঋতু
এই ঋতু এজাক ৰ'দ, স্নিগ্ধ
জোনাক, শস্য সম্ভৰা পথাৰ
নিৰ্মল বতাহ, দূৰৱি বনত
নিয়ৰ কণা, খৰিকাজাঁই
হাচনাহানাৰ সুবাস-সুগন্ধি
কহুঁৱা বন কিম্বা শুকুলা
মেঘৰ কতকথা ।
এই ঋতু প্ৰেমৰ ঋতু
এই ঋতু শৰৎ আৰু শেৱালিৰ
যুগমীয়া প্ৰেমগাঁথা ।

# কেৱল এটি কবিতা নহয় কঁহুৱা এক শুভ্ৰ অপূৰ্ব পৃথিৱীৰ সন্ধানত



শৰৎ আহে নিৰৱে, কিন্তু ধৰালৈ লৈ আহে এক অপূৰ্ব পোহৰ আৰু ৰঙৰ কোলাহল। আকাশৰ নীলা খিনিক চুই যেতিয়া নিয়ৰসিক্ত শেৱালিৰ সুবাসে বতাহজাক আমোলমোল কৰে, ঠিক একে সময়তে নদীৰ পাৰে পাৰে প্ৰকৃতিয়ে মেলি দিয়ে এক শুভ্ৰ দলিচা। সেই দলিচাখনেই হৈছে আমাৰ অতি চিনাকি 'কঁহুৱা বন'। সাধাৰণ চকুৰে চালে ই নদীৰ পাৰত গজি উঠা এক অপাংক্তেয় বন বা ঘাঁহ, কিন্তু গভীৰভাৱে অনুভৱ কৰিলে ই মানুহৰ আৱেগ, প্ৰকৃতিৰ সুৰক্ষা কৱচ আৰু ঐতিহ্যৰ এক অনবদ্য দলিল।

**শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী**

ভৌগোলিক পৰিধি অতিক্ৰমিঃ গোলকীয় প্ৰেক্ষাপটত কঁহুৱাঃ বহুতৰে মনত এটা ধাৰণা থাকে যে কঁহুৱা কেৱল অসমৰ নদীৰ চৰ-চাপৰিতে সীমাবদ্ধ। কিন্তু প্ৰকৃতিৰ এই অনবদ্য সৃষ্টিয়ে কোনো নিৰ্দিষ্ট ভৌগোলিক পৰিসীমা নামানে। বৈজ্ঞানিকভাৱে Saccharum spontaneum নামেৰে জনাজাত এই উদ্ভিদবিধে সমগ্ৰ দক্ষিণ এছিয়াৰ পলসুৱা ভূমিৰ উপৰি আফ্ৰিকা, আমেৰিকা আৰু অষ্ট্ৰেলিয়াৰ ক্ৰান্তীয় অঞ্চলবোৰতো নিজৰ সাম্ৰাজ্য বিস্তাৰ কৰিছে। আমাৰ চুবুৰীয়া ৰাজ্য পশ্চিম বংগত ইয়াক 'কাশ ফুল' বুলি এক সুকীয়া মৰ্যাদা দিয়া হয়। আচলতে য'তেই নদীৰ পলসুৱা ধাৰা আছে, তাতেই কঁহুৱাই নিজৰ অস্তিত্বৰ বগা নিচান উৰুৱাই দিয়ে।

আত্মিক চেতনা আৰু লোক-সংস্কৃতিৰ দাপোণঃ কঁহুৱা কেৱল চকুৰ প্ৰশান্তি নহয়, ই মানুহৰ আত্মিক চেতনাৰো এক অন্যতম প্ৰতীক। ধৰ্মীয় আৰু আধ্যাত্মিক বিশ্বাস অনুসৰি, কঁহুৱাৰ ফুল ফুলাৰ অৰ্থই হৈছে ধৰাত দেৱী দুৰ্গাৰ আগমনৰ জাননী। ইয়াৰ বগা ৰঙে সমাজৰ পৰা মলিনতা দূৰ কৰি পবিত্ৰতা আৰু শান্তিৰ বাৰ্তা কঢ়িয়াই আনে বুলি বিশ্বাস কৰা হয়।

অসমীয়া সমাজ আৰু সংস্কৃতিৰ সৈতে কঁহুৱাৰ সম্পৰ্ক অতি গভীৰ। ই আমাৰ বুকুৰ উশাহ-নিশাহৰ দৰে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই যেতিয়া গাইছিল-"কঁহুৱা বন মোৰ অশান্ত মন, ..", তেতিয়া তেওঁ মানুহৰ চঞ্চল মনটোক এই বতাহত হালি-জালি থকা ফুলজোপাৰ সৈতে একাত্ম কৰি পেলাইছিল। কঁহুৱা আমাৰ সাহিত্যত কেতিয়াবা যদি বিৰহৰ প্ৰতীক, কেতিয়াবা আকৌ মিলনৰো বতৰা। ই অসমীয়া জনকৃষ্টিৰ এনে এক অনন্য উপাদান, যাক বাদ দিলে শৰতৰ সৌন্দৰ্যই আধৰুৱা হৈ ৰয়।

বিজ্ঞানৰ চকুৰেঃ পৰিৱেশ তন্ত্ৰৰ নীৰৱ সৈনিকঃ যি কঁহুৱাক আমি অনাদৃত বন বুলি আওকাণ কৰোঁ, সেয়া আচলতে পৰিৱেশ তন্ত্ৰৰ বাবে এক ডাঙৰ আশীৰ্বাদ। বিজ্ঞানৰ দৃষ্টিৰে চালে ইয়াৰ লাভালাভ অপৰিসীম।

খহনীয়াৰ প্ৰাকৃতিক প্ৰতিৰোধকঃ কঁহুৱা বনৰ শিপা অতি গভীৰ আৰু জটলা। নদীৰ পাৰৰ আলগা মাটিখিনিক ই এনেদৰে খামোচ মাৰি ধৰি ৰাখে যে বাৰিষাৰ প্ৰচণ্ড বানেও সহজে মাটি খহাব নোৱাৰে। নদীপ্ৰধান অঞ্চলৰ বাবে ই এক প্ৰাকৃতিক মথাউৰি।

বন্যপ্ৰাণীৰ সুৰক্ষিত আশ্ৰয়স্থলঃ কাজিৰঙা বা পবিতৰাৰ বুকুত থকা এশিঙীয়া গঁড়, বন্য হাতী বা বিভিন্ন প্ৰজাতিৰ হৰিণৰ বাবে কঁহুৱা হ'ল প্ৰিয় বাসস্থান আৰু খাদ্যৰ উৎস। ইয়াৰ ঘন অৰণ্যই বন্যপ্ৰাণীক প্ৰকৃতিৰ প্ৰকোপৰ পৰা সুৰক্ষা দিয়ে।

আয়ুৰ্বেদৰ গোপন ভঁৰালঃ কঁহুৱাৰ ঔষধি মহত্ত্বঃ পৰম্পৰাগত চিকিৎসাত কঁহুৱাক 'কাশ' বুলি জনা যায়। ই কেৱল দৃশ্য নহয়, ইয়াৰ মাজত লুকুৱাই আছে বহুতো মহৌষধঃ

প্ৰস্ৰাৱজনিত সমস্যাৰ উপশমঃ ইয়াৰ শিপাৰ ৰস প্ৰস্ৰাৱৰ জ্বলা-পোৰা আৰু পাথৰ (Kidney stones)হোৱা ৰোগৰ চিকিৎসাত ব্যৱহাৰ হয়।

শৰীৰ শীতলীকৰণঃ অত্যাধিক গৰমৰ বাবে হোৱা পিয়াহ বা শৰীৰৰ অন্তৰ্দাহ দূৰ কৰিবলৈ আয়ুৰ্বেদত ইয়াৰ প্ৰয়োগ আছে।

মাতৃ স্বাস্থ্যৰ সুৰক্ষাঃ প্ৰসূতি মাতৃৰ দুগ্ধ উৎপাদন বৃদ্ধি কৰিবলৈ ইয়াৰ পৰা বিশেষ থলুৱা ঔষধি প্ৰস্তুত কৰা হয়।

থলুৱা অৰ্থনীতি আৰু হস্তশিল্পত কঁহুৱাৰ অৱদানঃ কঁহুৱাক কেৱল শৰতৰ নান্দনিক ফুল হিচাপেই নহয়, গ্ৰাম্য জীৱনৰ বহু ব্যৱহাৰিক সামগ্ৰী নিৰ্মাণতো ব্যৱহাৰ কৰা হয়। বতাহত কঁপি থকা ইয়াৰ দীঘল আৰু নমনীয় ঠাৰি বা নলীসমূহ লোকশিল্পৰ এক অপৰিহাৰ্য উপাদানঃ

গৃহ নিৰ্মাণ আৰু বেৰা (Thatching)ঃ বানপ্ৰৱণ বা চৰ-চাপৰি অঞ্চলৰ মানুহে ঘৰৰ চালিৰ বাবে আৰু বতাহ-ধূলি প্ৰতিৰোধ কৰিব পৰা শক্তিশালী বেৰা তৈয়াৰ কৰিবলৈ পৰম্পৰাগতভাৱে কঁহুৱাৰ শুকান খাগৰি ব্যৱহাৰ কৰে।

হস্তশিল্প আৰু কুটিৰ উদ্যোগঃ ইয়াৰ শুকুৱাই লোৱা ঠাৰিবোৰ গুঁথি গ্ৰাম্য মহিলাই অতি সুন্দৰ ধাৰি, ফল-মূল ৰখা সৰু বাস্কেট, আৰু ঘৰ সজোৱা নান্দনিক ফুলদানী আদি প্ৰস্তুত কৰে।

প্ৰাকৃতিক ঝাড়ুঃ কঁহুৱাৰ ফুলবোৰ সৰি যোৱাৰ পিছত ইয়াৰ ঠাৰিবোৰ একত্ৰিত কৰি মজবুত প্ৰাকৃতিক ঝাড়ু তৈয়াৰ কৰা হয়, যাৰ এক সুকীয়া থলুৱা বজাৰো আছে।

ইতিহাসৰ প্ৰাকৃতিক কলমঃ এক আমোদজনক তথ্য অনুসৰি, প্ৰাচীন কালত কঁহুৱা বা অনুৰূপ ঘাঁহৰ জোঙা খাগৰিক সাঁচিপাতৰ পুথিত লিখিবৰ বাবে প্ৰাকৃতিক লেখনী বা কলম হিচাপেও ব্যৱহাৰ কৰা হৈছিল।

সামৰণিঃ কঁহুৱা বন কোনো অবাবত গজি উঠা জাবৰ নহয়। ই জীৱনৰ এক ডাঙৰ দৰ্শন। বতাহজাক যিফালেই নাহক কিয়, কঁহুৱাই মূৰ দোৱাই দিয়ে-নম্ৰতাৰে, কিন্তু ভাঙি নপৰে। বতাহ জাক পাৰ হৈ যোৱাৰ পিছত ইপুনৰ থিয় দিয়ে-দৃঢ়তাৰে। গতিকে ক'ব পাৰি যে, কঁহুৱা কেৱল আমাৰ আৱেগ বা কবিতাৰ বিষয় নহয়; ই আমাৰ অৰ্থনীতি, পৰিৱেশ সুৰক্ষা আৰু ঐতিহ্যৰ এক অতি গুৰুত্বপূৰ্ণ জীৱন-জীৱিকাৰ আধাৰ।

# নিয়ৰৰে ফুল

**শৰ্মিষ্ঠা দেৱী, নগাঁও**



কণ কণ নিয়ৰ পৰিছে। জোপোহা গছজোপাত পৰি ৰোৱা মুকুতা তাহেন নিয়ৰৰ টোপালটো চুই চালো। এক মিঠা আমেজে স্পৰ্শ কৰা অনুভৱী মনটোৰে আলফুলে তুলি ধৰিলে শেৱালি ফুল বুটলা দিনৰ সোণালী ছবিখন। কোমল বতাহজাকত উৰি অহা চিনাকী গোন্ধটোৱে ক'লেহি - শৰৎ আহিছে।

" শৰৎ আহিলে<br>সৰিব শেৱালি,<br>দুৰ্গোৎসৱৰ হ'ব আয়োজন।<br>শুভ্ৰ নিয়ৰকণাই<br>দুবৰিত দলিছা পাতি<br>মহামায়াক কৰে আমন্ত্ৰণ।"

প্ৰাচুৰ্যৰে পূৰ্ণ শৰতৰ লগত শুভ্ৰ শেৱালি, নিয়ৰ আৰু দুবৰিৰ অনন্ত কালৰ সম্পৰ্ক। স্নিগ্ধ জোনাকত বছৰৰ শ্ৰেষ্ঠ ঋতু শৰতৰ অপূৰ্ব ৰূপ- সৌন্দৰ্যই প্ৰতিজন অনুভূতিপ্ৰৱণ মানুহৰ মনত মিঠা মাদকতাৰ জোৱাৰ আনে। টোপ টোপ নিয়ৰৰ টোপাল, তলসৰা শেৱালিৰ সৈতে শৰতে সিচিঁ দিয়েহি মায়াময় সৌন্দৰ্যৰ আবিৰ। নিয়ৰৰ শীতল স্পৰ্শই দুবৰিবনত সৰি পৰা শেৱালিৰ ৰূপ দুগুণে চৰায়।

হৃদয়লৈ অনাবিল আনন্দ আৰু আশাৰ নতুন পোহৰ কঢ়িয়াই অনা ঋতুৰেই হ'ল শৰৎ। শৰৎ মানেই উৎসৱৰ বৰ্ণিল মেলা আৰু সৌন্দৰ্যৰ বাগিছা। এই ঋতুত অনুভূত সুখৰ আমেজ হৃদয়ত আবেগেৰে জীপাল কৰি ৰাখিব পাৰি মাথোন।

বিনন্দীয়া শৰতৰ এটি মিঠা উপহাৰ-শেৱালি। শেৱালিৰ উপস্থিতিত শৰতৰ ৰূপ সুকোমল পবিত্ৰতাৰে ভৰি পৰে। শাৰদী বতৰত শেৱালিয়ে আমাৰ মনত এক নষ্টালজিয়া ৰূপত ধৰা দিয়ে। পুৱা সুকুমৰ কোমল পৰশত তিৰবিৰাই থকা শেৱালি পাহিয়ে মনত পেলাই দিয়ে কুঁকি ভৰাই শেৱালি ফুল বুটলা শৈশৱৰ কথা।

শেৱালি এক বৈশিষ্ট্যপূৰ্ণ ফুল। হিন্দু শাস্ত্ৰমতে, মাটিত পৰা ফুলৰ পূজাত স্থান নাই। কিন্তু আহিন মাহত নিশা তলভৰি সৰা শেৱালি দেৱী পূজাত লাগে। স্ফটিক নিয়ৰৰ কণাই ৰহণ সনা শেৱালিয়ে কবিৰ মনাকাশত গোপনে দলিছা পাতে -

"আহিন মহীয়া শেৱালি সৰিলে<br>নিয়ৰত তিতিলে বন।<br>জোনাকত ওপঙিল কিহবাৰে ৰাগী<br>কেনেবা কৰিলে মন।।"

প্ৰতিটো শাৰদী পুৱাত নিয়ৰসিক্ত দুবৰিত শুভ্ৰ শেৱালিৰ উপস্থিতিয়ে (বাৰপৃষ্ঠাত চাওক)

# শৰৎ অহাৰ উমান



**বনজিত দাস, ৰিহাবাৰী, বজালী**

কোন বাৰু তেওঁ ?<br>উচুপিছে,<br>দোভাগ ৰাতিৰ নীৰৱতাক সাৱটি<br>টুপ্ টুপ কোনে বাৰু মাতে<br>কানত কিনো নুপুৰ বাজে<br>এয়া চোন<br>শৰৎ অহাৰ বাতৰি নেকি ?<br>দূৰণিত বগাকৈ কোনে পিন্ধাই<br>আঁচল পাতি<br>মায়াময় সৰগ ৰচি<br>নয়ন ভৰি চাওঁ<br>শৰৎ আহিল বুলি।<br>সমীৰণে কিনো কথা পাতে<br>বুকুত সজল ধাৰা গাঠে<br>কহুৱা বনৰ নাচোনত<br>নৈৰ চাপৰিত উখল-মাখল হেন্দোলনি<br>উন্মনা হিয়াৰ পাহে পাহে<br>কানে কানে কিনো কয় আহি<br>জগাই হৃদয়ৰ দুৱাৰ খুলি<br>এয়াই জানো<br>শৰৎ অহাৰ বাতৰি নেকি ?<br>পদূলিত মিচিকি হাঁহি মাৰি<br>শেৱালি জোপাই<br>দিয়ে চোন ধৱল দলিচা পাৰি<br>আহিল নেকি ?<br>স্নিগ্ধ পৰশ ঢালি<br>দিব নেকি মোৰ শুকান কলিজাত<br>বুকুত উপচাই<br>শৰৎ আহিল বুলি ?

# সাগৰৰ তলৰ জীৱজগত



**ধ্যানাৰ্থ বৰুৱা**

সাগৰ হৈছে প্ৰকৃতিৰ এক অপৰূপ সৃষ্টি। পৃথিৱীৰ প্ৰায় ৭১ শতাংশ অংশ পানীৰে আবৃত্ত আৰু ইয়াৰ অধিকাংশই সাগৰ-মহাসাগৰেৰে গঠিত। সাগৰৰ তলত আছে এক বিশাল, ৰহস্যময় আৰু আশ্চৰ্যকৰ জগত। এই জগতত বিভিন্ন ধৰণৰ উদ্ভিদ, মাছ, জলজ প্ৰাণী, প্ৰবাল, শিল, পৰ্বত, উপত্যকা আৰু বহুতো অদ্ভুত প্ৰাকৃতিক গঠন দেখা যায়। সাগৰৰ গভীৰতাত থকা জীৱ-জন্তুবোৰৰ জীৱনধাৰা, খাদ্য সংগ্ৰহৰ পদ্ধতি আৰু পৰিৱেশৰ লগত খাপ খুৱাই জীয়াই থকাৰ ক্ষমতা অতি আকৰ্ষণীয়।

সাগৰৰ তলত বিভিন্ন প্ৰাকৃতিক সম্পদ আৰু ভূ-গঠন পোৱা যায়। ইয়াত বালি, বোকা, শিল, পৰ্বত, উপত্যকা আৰু আগ্নেয়গিৰি আদি থাকে। সাগৰৰ তলত পৃথিৱীৰ আটাইতকৈ দীঘল পৰ্বতমালাসমূহৰ ভিতৰত অন্যতম মধ্য-মহাসাগৰীয় পৰ্বতমালাও অৱস্থিত। ইয়াৰ উপৰি সাগৰৰ গভীৰ অংশত অতি গভীৰ খাদ থাকে। প্ৰশান্ত মহাসাগৰত অৱস্থিত মেৰিয়ানা খাদ পৃথিৱীৰ আটাইতকৈ গভীৰ সাগৰীয় অঞ্চলসমূহৰ ভিতৰত অন্যতম।

সাগৰৰ তলত পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ, বিভিন্ন খনিজ পদাৰ্থ আৰু মূল্যবান ধাতুও পোৱা যায়। ইয়াৰ উপৰি সাগৰীয় উদ্ভিদ, শেলাই আৰু প্ৰবাল প্ৰাচীৰে বহুতো জীৱৰ বাসস্থান হিচাপে কাম কৰে। প্ৰবাল প্ৰাচীৰক সাগৰৰ অন্যতম সুন্দৰ আৰু জীৱবৈচিত্ৰ্যপূৰ্ণ অঞ্চল বুলি কোৱা হয়।

সাগৰৰ তলত অসংখ্য প্ৰজাতিৰ জীৱ-জন্তু বাস কৰে। তাৰে ভিতৰত মাছ, কেঁকোৰা, চিংৰি, অক্টোপাছ, জেলিফিছ, সাগৰীয় তৰা, শামুক, ঝিনুক, কাছ আৰু বিভিন্ন প্ৰজাতিৰ তিমি আৰু ডলফিন উল্লেখযোগ্য। অৱশ্যে তিমি আৰু ডলফিনে সাধাৰণতে সাগৰৰ পানীত সাঁতুৰি জীৱন কটায় আৰু উশাহ ল'বলৈ পানীৰ ওপৰলৈ আহে। বিভিন্ন প্ৰজাতিৰ মাছৰ আকৃতি, ৰং আৰু আকাৰ বেলেগ বেলেগ। কিছুমান মাছ অতি সৰু, আনহাতে কিছুমান মাছ বিশাল আকাৰৰ। অক্টোপাছৰ আঠটা বাহু থাকে আৰু ই নিজৰ পৰিৱেশৰ লগত মিলাই গাৰ ৰং সলনি কৰিব পাৰে। সাগৰীয় তৰাৰ সাধাৰণতে পাঁচটা বাহু থাকে আৰু ই সাগৰৰ তলত লাহে লাহে চলাচল কৰে। কেঁকোৰা আৰু চিংৰিয়ে সাগৰৰ তলত খাদ্য বিচাৰি ফুৰে। সাগৰৰ অতি গভীৰ অঞ্চলত সূৰ্যৰ পোহৰ নোপোৱাৰ বাবে জীৱন ধাৰণ কৰাটো কঠিন। তথাপি তাতো কিছুমান বিশেষ প্ৰজাতিৰ মাছ আৰু অণুজীৱ বাস কৰে। এই জীৱবোৰে অতি বেছি পানীৰ চাপ, কম উষ্ণতা আৰু আন্ধাৰৰ মাজতো জীয়াই থাকিব পৰাকৈ নিজকে অভিযোজিত কৰিছে। কিছুমান গভীৰ সাগৰীয় জীৱৰ শৰীৰত নিজে পোহৰ উৎপন্ন কৰিব পৰা বিশেষ অংগ থাকে।

সাগৰত শেলাই, সাগৰীয় ঘাঁহ আৰু আন বহুতো জলজ উদ্ভিদ পোৱা যায়। এই উদ্ভিদবোৰে সালোক-সংশ্লেষণৰ জৰিয়তে খাদ্য প্ৰস্তুত কৰে আৰু পানীত অক্সিজেন যোগান ধৰাত সহায় কৰে। ক্ষুদ্ৰ প্লৱক, সৰু মাছ আৰু আন জলজ প্ৰাণীয়ে এই খাদ্যশৃংখলৰ বিভিন্ন স্তৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সৰু জীৱক ডাঙৰ জীৱই খাদ্য হিচাপে গ্ৰহণ কৰে। এইদৰে সাগৰত এক জটিল খাদ্যশৃংখল গঢ় লৈ উঠে।

সাগৰ পৃথিৱীৰ পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰাত অতি গুৰুত্বপূৰ্ণ। ই জলবায়ু নিয়ন্ত্ৰণ, অক্সিজেন উৎপাদন আৰু অসংখ্য জীৱৰ বাসস্থান হিচাপে বিশেষ ভূমিকা পালন কৰে। কিন্তু প্লাষ্টিক প্ৰদূষণ, তেল নিৰ্গমন, অত্যধিক মাছ ধৰা আৰু জলবায়ু পৰিৱৰ্তনৰ ফলত সাগৰীয় পৰিৱেশ আজি বিপদৰ সন্মুখীন হৈছে। সেয়েহে সাগৰত আৱৰ্জনা নেপেলোৱা, সামুদ্ৰিক জীৱৰ বাসস্থান ৰক্ষা কৰা আৰু প্ৰাকৃতিক সম্পদৰ সঠিক ব্যৱহাৰ কৰাটো আমাৰ দায়িত্ব।

সাগৰৰ তলত সোণ, ৰূপ, তাম, নিকেল আৰু অন্যান্য মূল্যবান খনিজ পদাৰ্থ পোৱা যায়। ইয়াৰ উপৰি সাগৰৰ তলত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছৰ বিশাল ভাণ্ডাৰ আছে, যিবোৰ শক্তিৰ গুৰুত্বপূৰ্ণ উৎস। বৰ্তমান সময়ত সাগৰৰ তলত স্থাপন কৰা বিশেষ তাঁৰৰ জৰিয়তে পৃথিৱীৰ বিভিন্ন দেশৰ মাজত ইণ্টাৰনেট সংযোগ স্থাপন কৰা হয়। এই (বাৰপৃষ্ঠাত চাওক)

# অসমৰ ৮ শতাধিত চাহ

মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি, উৎসৱৰ পূৰ্বে প্ৰদান কৰা এই বিশেষ বোনাছে চাহ জনগোষ্ঠীৰ পৰিয়ালসমূহলৈ অতিৰিক্ত আনন্দ কঢ়িয়াই আনিব। ইয়াৰ জৰিয়তে শ্ৰমিকসকলে নিজৰ পৰিয়ালৰ সৈতে দুৰ্গা পূজাৰ আনন্দ-উৎসৱ অধিক উলহ-মালহেৰে উদ্‌যাপন কৰিব পাৰিব বুলি আশা কৰা হৈছে। তেওঁ লগতে উল্লেখ কৰে, চাহ বাগিচাৰ প্ৰতিগৰাকী শ্ৰমিকৰ মুখত উৎসৱৰ হাঁহি বিৰিঙাই তোলাৰ লক্ষ্যৰে আমি দিয়া আন এটি প্ৰতিশ্ৰুতি পূৰণ কৰিলোঁ। ৰাজ্যৰ ৮০০ ৰো আধিক চাহ বাগিচাৰ শ্ৰমিকসকলক ২০ শতাংশ পূজাৰ বিশেষ বোনাছ ইতিমধ্যে প্ৰদান কৰা হৈছে। চাহ উদ্যোগৰ সৈতে জড়িত শ্ৰমিকসকলৰ কঠোৰ পৰিশ্ৰম, নিষ্ঠা আৰু অৱদানৰ প্ৰতি সন্মান জনাই তেওঁলোকৰ জীৱনলৈ উৎসৱৰ আনন্দ কঢ়িয়াই অনাৰ এয়া আমাৰ এক আন্তৰিক প্ৰয়াস। চাহ জনগোষ্ঠীৰ সৰ্বাংগীণ উন্নয়ন আৰু মৰ্যাদাপূৰ্ণ জীৱন নিশ্চিত কৰাৰ দিশত আমি সদায় প্ৰতিশ্ৰুতিবদ্ধ।

# চলিত বৰ্ষত ৭ শতাংশ

দিয়া ভূ-ৰাজনৈতিক অস্থিৰতা সত্বেও ভাৰতীয় বজাৰত সুস্থিৰ ক্ৰয় ক্ষমতা আৰু সেৱা খণ্ডৰ প্ৰবল ভূমিকাৰ ভাৰতীয় অৰ্থনীতিৰ এই গতিয়ে ধাৰাবাহিকতা ৰক্ষা কৰিছে। ভাৰতীয় অৰ্থনীতিয়ে বিকাশ বৰ্তাই ৰাখিলেও বিশ্বৰ সামগ্ৰিক অৰ্থনীতি তুলনামূলকভাৱে দুৰ্বল থাকিব বুলি আইএমএফে অনুমান কৰিছে। প্ৰতিবেদনত প্ৰকাশ পোৱা অনুসৰি বিশ্বৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশ ২০২৬ বৰ্ষত ৩.১ শতাংশ আৰু ২০২৭ বৰ্ষত ৩.৪ শতাংশ হ'ব। আনহাতে, ২০২৬ বৰ্ষত চীনৰ জিডিপি ৪.৫ শতাংশ আৰু ২০২৭ চনত ৪ শতাংশলৈ হ্ৰাস পোৱাৰহে সম্ভাৱনা আছে। আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্য ক্ৰমাগতভাৱে বৃদ্ধি পালে ভাৰতৰ আমদানি ব্যয় অভাৱনীয়ভাৱে বৃদ্ধি পোৱাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ মুদ্ৰাস্ফীতিৰ ওপৰত অতিৰিক্ত হেঁচা পৰিব বুলি আগতীয়াকৈ সকীয়াই দিছে আইএমএফে।

# ড° কংকনা মেধিৰ

ড° কংকনা মেধিৰ এই নতুন উপন্যাস খনত প্ৰেমক এক নতুন দৃষ্টিভংগীৰে চোৱাৰ যি প্ৰয়াস, সেই প্ৰয়াসে পঢ়ুৱৈক এক নতুন সত্য তথা নতুন উপলব্ধিৰ সন্ধান দিব বুলি তেওঁ আশা প্ৰকাশ কৰে। উন্মোচনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি কটন বিশ্ববিদ্যালয়ৰ বিজ্ঞান গুৰু, অধ্যাপক ড° অৰূপ কুমাৰ হাজৰিকাই কংকনা মেধিৰ চিন্তাৰ গভীৰতা আৰু সৃষ্টিশীল প্ৰতিভাক ভূয়সী প্ৰশংসা কৰে আৰু নৱতম এই উপন্যাসখনত কংকনাই কৰা প্ৰেমৰ নতুন বিশ্লেষণে পঢ়ুৱৈক চিন্তাৰ সুৰাক যোগাব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানটোত উপস্থিত থাকি অসম সাহিত্য সভাৰ প্ৰকাশন উপসমিতিৰ উপ সভাপতি ৰাতুল গোস্বামী, প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যাপক তথা সাপ্তাহিক বাতৰিকাকত "ৰঙিলী বাৰ্তা"ৰ স্বত্বাধিকাৰী তথা মুখ্য সম্পাদক ড° উদ্দীপ্ত নয়ন মেধি আৰু ড° জয়ন্ত ডেকা দেৱেও ড° কংকনা মেধিৰ চিন্তা-চেতনা আৰু সৃষ্টিশীল প্ৰতিভাৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানটোৰ আঁত ধৰে মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° উৎপল নাথে। অনুষ্ঠানত কংকনা মেধিৰ সুযোগ্য পিতৃ, কৃতি শিক্ষক দীপক মেধি, সুযোগ্যা মাতৃ জৰা মেধিকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# ডিব্ৰুগড়ৰ চিৰিংচাপৰিত

বিশিষ্ট তবলাবাদক তথা অভিযন্তা ৰক্তিম দত্তৰ লগতে অভিযন্তা তথা জ্ঞান দায়িনী মন্দিৰৰ সচিব প্ৰশান্ত শৰ্মাইও তেওঁলোকৰ অনুভৱক সুন্দৰকৈ ব্যক্ত কৰে। সুৰ মন্দিৰ'ৰ হৈ আৰম্ভণিতে ৰঞ্জিতা বৰদলৈয়ে 'শাৰদী সন্ধিয়া'লৈ সকলোকে আদৰণি জনাই ধন্যবাদ সূচক মন্তব্য আগবঢ়ায়। "শাৰদী কোমল জোনাক মায়াৰে"- গীতটিৰ সুৰ সমলয়েৰে আৰম্ভ কৰা অনুষ্ঠানটিত অংশগ্ৰহণ কৰে সংগীতশিল্পী ক্ৰমে দেবজিত গগৈ (মইনা), পদুম গোহাঁই, দেবজিত গগৈ (গীটাৰ) আৰু চান্তু কাকতিয়ে। লগতে অনুষ্ঠানটিত বাদ্যযন্ত্ৰত সহযোগ কৰে সংগীত শিল্পী স্বাক্ষৰ শৰ্মা, ৰক্তিম দত্ত, বকুল দাস, শান্তনু বৰঠাকুৰ আৰু পলাশ কাঞ্চনে । বিশিষ্ট সংগীতজ্ঞ প্ৰশান্ত বৰদলৈৰ বক্তব্যৰ লগতে দৰ্শকৰ অনুৰোধত দুটি গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে । সাংস্কৃতিক কৰ্মী আৰু সুৰ মন্দিৰৰ অন্যতম সমন্বয়ক মনোজ কুমাৰ বৰুৱাই আঁত ধৰা 'শাৰদী সন্ধিয়া'ৰ অন্যতম আকৰ্ষণ আছিল অনাতাঁৰ কণ্ঠশিল্পী জুপিতৰা বৰঠাকুৰ, দোলেন দত্ত, অৰ্পণা অম্বেষা, সম্ভাৱী শৰ্মা লগতে পুষ্পাঞ্জলি শৰ্মা (ৰিংকি) আৰু সমীৰণ শৰ্মা ।

# দেশবিৰোধী অপশক্তিৰ বিৰুদ্ধে

বা তিনি ঠাইত নাম সন্নিৱিষ্ট হৈ থকাৰ তথ্য লাভ কৰিছে। এনেক্ষেত্ৰত এই ভোটাৰৰ নাম কৰ্তনত ৰাহুল গান্ধীৰ আপত্তি কিয় ? বিদেশী শক্তিৰে পৰিচালিত ৰাহুল গান্ধীৰ যদি সাহস আছে নিজেই বিৰোধী দলপতিৰ পদৰ পৰা পদত্যাগ কৰক আৰু ইভিএমত নিৰ্বাচন জিকা কৰ্ণাটক, হিমাচল প্ৰদেশ, কেৰালাত চৰকাৰে শীঘ্ৰে পদত্যাগ কৰি নৈতিকতাৰ পৰিচয় দিয়ক। ইয়াৰ পিছতহে ৰাহুল গান্ধীয়ে ইভিএমৰ ওপৰত প্ৰশ্ন তোলক। সভাপতি দিলীপ শইকীয়াৰ প্ৰশ্ন- কৰ্ণাটক, হিমাচল প্ৰদেশ, কেৰালা অথবা ইণ্ডি এলায়েঞ্চৰ চৰকাৰ থকা ৰাজ্যবোৰৰ ইভিএম ধৰ্মনিৰপেক্ষ আৰু গণতান্ত্ৰিক। কিন্তু বিজেপিয়ে জয়লাভ কৰা ৰাজ্যবোৰৰ ইভিএম সাম্প্ৰদায়িক আৰু অগণতান্ত্ৰিক কেনেকৈ হ'ল ? কংগ্ৰেছ তথা ইণ্ডি এলায়েঞ্চে কৰা অপপ্ৰচাৰ আৰু ৰাজনৈতিক কু-অভিসন্ধিক জনতাৰ সন্মুখত উদঙাই দিয়াৰ বাবেই ৰাজ্যিক বিজেপিয়ে এই জনজাগৰণ সমদল উলিয়াইছে। ইফালে আজি গুৱাহাটীত আয়োজিত এই জনজাগৰণ সমদলত মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, অজন্তা নেওগ, দলৰ সাংগঠনিক সম্পাদক ৰবীন্দ্ৰ ৰাজু, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, দিগন্ত কলিতা, বিজয় কুমাৰ গুপ্তা, প্ৰদ্যুৎ বৰদলৈকে ধৰি দলৰ কেইবাজনো নেতাই অংশগ্ৰহণ কৰে। আনহাতে যোৰহাটৰ পৰাও ২০ সহস্ৰাধিক লোকৰ উপস্থিতিত এক বৃহৎ জনজাগৰণ সমদল উলিওৱা হয়। এই সমদলত অংশ লৈ মন্ত্ৰী পীযূষ হাজৰিকাই কয় যে ৰাইজক আমি শাসন নকৰোঁ, শোষণ নকৰোঁ। ৰাইজক আমি সমৰ্পিত মনোভাবেৰে সেৱা কৰোঁ। সেইবাবেই ৰাইজে কংগ্ৰেছ আৰু অপশক্তিৰ বিৰুদ্ধে স্বতঃস্ফূৰ্তভাৱে ওলাই আহি জনজাগৰণ সমদলত অংশগ্ৰহণ কৰিছে। যোৰহাটত উলিওৱা জনজাগৰণ সমদলত মন্ত্ৰী ৰামেশ্বৰ তেলী, সুশান্ত বৰগোহাঁই, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক হিতেন্দ্ৰনাথ গোস্বামী, ৰূপজ্যোতি কুৰ্মী, প্ৰাক্তন বিধায়ক ৰাণা গোস্বামীকে ধৰি বিজেপিৰ কেইবাজনো শীৰ্ষ নেতাই অংশগ্ৰহণ কৰে। একেদৰে শিলচৰত আয়োজিত জনজাগৰণ সমদলত কেবিনেট মন্ত্ৰী ক্ৰমে কৌশিক ৰয়, কৃষ্ণেন্দু পাল, সাংসদ পৰিমল শুক্লবৈদ্য, সাংসদ ড° ৰাজদ্বীপ ৰয়, বিধায়ক ক্ৰমে তেৰশ গোৱালা, অমিয়কান্তি দাস, কিশোৰ নাথ, কামাখ্যা দে' পুৰৰ্কায়স্থ আৰু বৰাকৰ বিভিন্ন শীৰ্ষ নেতৃবৃন্দৰ লগতে কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

# কেটলা চাহ বাগিচা আদৰ্শ

বিষয়ে সজাগ কৰাৰ লগতে ইয়াৰ সৈতে জড়িত কাৰ্যসূচীসমূহত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰা হয়। বিদ্যালয় কৰ্তৃপক্ষই দৈনন্দিন পাঠদানৰ কোনো ব্যাঘাত নঘটোৱাকৈ এনে সজাগতামূলক কাৰ্যসূচী ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিদ্যালয় কৰ্তৃপক্ষৰ এনে পদক্ষেপে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা বৃদ্ধি কৰাৰ লগতে তেওঁলোকৰ সৰ্বাংগীণ বিকাশত সহায় কৰিব বুলি আশা প্ৰকাশ কৰা হয়। NGOৰ স্বেচ্ছাসেৱক দুজন ক্ৰমে ৰশ্মি তপ্ন আৰু ব্ৰিজিলাল বাগ উপস্থিত থাকি ছাত্ৰ ছাত্ৰীক সজাগ কৰাত বিদ্যালয়ৰ অধ্যক্ষ বিজিত ৰয়ে ধন্যবাদ জ্ঞাপন কৰে।

# পুৱাই মুখ ঢাকি হাফলং কাৰাগাৰৰ

কাৰাগাৰৰ পৰা বিলাসী থাৰ বাহনত মাতৃ আৰু ভগ্নীৰ সৈতে মঙলবাৰে পুৱা ৬.৩০ বজাত ওলায়েই গুৱাহাটীৰ অজ্ঞাত স্থানত আত্মগোপন কৰিলে মহন্তই। উল্লেখ্য যে সোমবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ত অমৃত প্ৰভাৰ পৰিয়ালে জমা দিয়া ৫০ হাজাৰ টকাৰ বণ্ড গ্ৰহণৰ পাছতে আদালতে হাফলং উপ-কাৰাগাৰৰ পৰা মুকলি কৰি দিয়াৰ নিৰ্দেশ প্ৰদান কৰে। সেইমৰ্মে মঙলবাৰে হাফলং উপ-কাৰাগাৰৰ পৰা মুকলি কৰি দিয়া হ'ল অমৃতপ্ৰভাক। দীৰ্ঘদিনীয়া আইনী যুঁজৰ অন্তত আদালতৰ পৰা জামিন লাভ কৰিলেও অসমৰ জনসাধাৰণৰ সন্মুখত ওলাবলৈ দ্বিধাবোধ কৰা অমৃতপ্ৰভাই ক'লা মাস্ক পৰিধান কৰি কাৰাগাৰৰ পৰা বাহিৰলৈ ওলাল। সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলে অমৃত প্ৰভাৰ মতামত ল'বলৈ চেষ্টা কৰিলে যদিও কোনোধৰণৰ মন্তব্য নকৰাকৈ আত্মীয়ৰ সৈতে ক'লা থাৰ বাহনত বহি গুৱাহাটী অভিমুখে তেওঁ ৰাওনা হ'ল। উল্লেখ্য যে, যোৱা শুকুৰবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে অমৃতপ্ৰভা মহন্তক ৫০ হাজাৰ টকাৰ বণ্ডৰ বিনিময়ত চৰ্তসাপেক্ষ জামিন মঞ্জুৰ কৰিছিল । অৱশ্যে ন্যায়ালয়ৰ জামিনৰ নিৰ্দেশ লাভ কৰাৰ পিছতো কাৰাগাৰৰ পৰা মুক্তি পাবলৈ প্ৰয়োজনীয় আনুষ্ঠানিকতা সম্পূৰ্ণ হোৱালৈ অপেক্ষা কৰিবলগীয়া হৈছিল । মুক্তিৰ লগে লগে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অমৃতপ্ৰভা মহন্তৰ কাৰাবাসৰ সাময়িক অন্ত পৰিল । অৱশ্যে জামিন লাভ কৰা মানে গোচৰটোৰ পৰা দোষমুক্ত হোৱা নুবুজায় । গোচৰটোৰ তদন্ত আৰু পৰৱৰ্তী আইনী প্ৰক্ৰিয়া অব্যাহত থাকিব । আনহাতে জামিনৰ চৰ্ত অনুসৰি মঙলবাৰে ফাষ্টট্ৰেক আদালতত হাজিৰ হ'বলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে অমৃতপ্ৰভা মহন্তক নিৰ্দেশ দিছিল। কিন্তু মানসিক অৱস্থাৰ দোহাই দি ফাষ্টট্ৰেক আদালতত হাজিৰ হোৱাৰ পৰা বিৰত থাকে অমৃতপ্ৰভা। নিজৰ অধিবক্তাৰ জৰিয়তে আদালতক এই কথা অৱগত কৰিলে অমৃতপ্ৰভাই। ইপিনে কাৰাগাৰৰ পৰা ওলোৱাৰ পাছতে সুৰক্ষা বিচাৰি আদালতত অমৃতপ্ৰভা মহন্তৰ অধিবক্তাই আবেদন জনাইছিল যদিও আদালতে উক্ত আবেদন নাকচ কৰা বুলি জানিব পৰা গৈছে। অমৃতপ্ৰভাই নিজৰ সুৰক্ষা নিজেই ল'ব লাগিব বুলি আদালতে সদৰী কৰা বুলি জানিব পৰা গৈছে।

# অসমৰ বানৰ বাবে ৮৪৩কোটি

পুঁজি আবণ্টনৰ কথা সদৰী কৰে। সেই অনুসৰি গুৱাহাটীৰ বানৰ প্ৰভাৰ কমোৱাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে আৰবান ফ্লাড ৰিস্ক মিটিগেচন প্ৰ'গ্ৰেমৰ দ্বিতীয় পৰ্যায়ত ৩৮০ কোটি টকা আবণ্টন কৰা হৈছে। ইয়াৰে কেন্দ্ৰীয় চৰকাৰৰ অংশ হ'ব ২০০ কোটি টকা আৰু ৰাজ্য চৰকাৰৰ অংশ হ'ব ১৮০ কোটি টকা। বানপীড়িত পৰিয়ালৰ অন্যান্য সমস্যাসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উজনি অসমৰ বানপীড়িত জিলাসমূহৰ বাবে বিশেষ সাহায্য পেকেজ প্ৰদানৰ দাবীকে ধৰি অন্যান্য সমস্যা কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট মন্ত্ৰালয় আৰু বিভাগসমূহৰ বিবেচনাৰ বাবে প্ৰেৰণ কৰা হৈছে বুলি সাংসদ যোগেন মহনলৈ লিখা পত্ৰত উল্লেখ কৰে। ইয়াৰ ভিতৰত ঋণৰ কিস্তি পৰিশোধৰ সকাহ, বানপীড়িত লোকসকলৰ বাহন, গৃহ, শিক্ষা আৰু ব্যৱসায়িক ঋণৰ মাহিলি কিস্তি পৰিশোধৰ ক্ষেত্ৰত মধ্যৱৰ্তীকালীন সাহায্য প্ৰদানৰ বিষয়টো বিত্ত মন্ত্ৰালয়ৰ সেৱা বিভাগৰ কাৰ্যক্ষেত্ৰৰ অন্তৰ্গত বুলি উল্লেখ কৰা হৈছে। তাৰ উপৰি ক্ষুদ্ৰ ব্যৱসায়ী, সূক্ষ্ম, লঘু আৰু মজলীয়া উদ্যোগ তথা স্বনিয়োজিত যুৱক-যুৱতীসকলৰ বাবে বিশেষ বিত্তীয় সাহায্যৰ বিষয়টো সংশ্লিষ্ট মন্ত্ৰালয়লৈ প্ৰেৰণ কৰা হৈছে।

# গুৱাহাটীত উত্তৰ-পূৰ্বৰ প্ৰথমটো

তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজে প্ৰথম পৰ্যায়ত যুক্তৰাজ্য শচহুল্ম, ফ্ৰান্স, জাপান, ইটালী, চুইজাৰলেণ্ড, অষ্ট্ৰিয়া, চাইপ্ৰাচ, চেক গণৰাজ্য, ইজিপ্ত, ইষ্টনিয়া, আয়াৰলেণ্ড, লাটভিয়া, মাল্টা আৰু মৰক্কোকে ধৰি মুঠ ১৪ খন দেশৰ ভিছা আবেদন আৰু বায়'মেট্ৰিক প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰিব। লগতে এই কেন্দ্ৰত শ্বেনগেন ভিছা আবেদনৰো সুবিধা থাকিব। শ্বেনগেন ভিছা লাভকৰা লোকে ইউৰোপৰ ২৯খন দেশ ভ্ৰমণ কৰিব পাৰিব। উদ্বোধনী অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজে ইমানদিনে বিদেশ যাত্ৰাৰ ভিছাৰ বাবে আবেদন কৰিবলৈ দিল্লী বা কলকাতালৈ যাবলগীয়া হৈছিল। এতিয়াৰে পৰা 'ভিএফএছ গ্ল'বেল'-এ গুৱাহাটীত আৰম্ভ কৰা ভিছা আবেদন কেন্দ্ৰৰ সহায়ত গুৱাহাটীৰ পৰাই বিশ্বৰ বহু দেশৰ ভিছা আবেদন সম্ভৱ হ'ব। তেওঁ লগতে কয়, এই কেন্দ্ৰই উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ বাবে আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণ সেৱাৰ সুবিধা সহজে উপলব্ধ কৰাব আৰু বিশ্বৰ বহু দেশক উত্তৰ-পূৰ্বাঞ্চলৰ ওচৰ চপাই আনিব। ৰাইজৰ বাবে আন্তঃৰাষ্ট্ৰীয় যাতায়াত অধিক সহজলভ্য কৰাৰ দিশত এয়া এক গুৰুত্বপূৰ্ণ পদক্ষেপ। উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ জনতাক ভিছা আবেদনৰ সেৱা প্ৰদান কৰিবলগীয়া কেন্দ্ৰটোৰ গুৰুত্ব কেৱল গুৱাহাটীতে সীমাবদ্ধ নহয়, ইয়াৰ প্ৰভাৱ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে পৰিব। দৰকাৰী নীতি-নিয়ম আৰু প্ৰক্ৰিয়া ৰক্ষা কৰি ভিছা আবেদন প্ৰক্ৰিয়াত 'ভিএফএছ গ্ল'বেল'-এ সহায় আগবঢ়াব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই স্পষ্ট কৰে যে ভিছা আবেদন গ্ৰহণ কৰা বা প্ৰত্যাখ্যান কৰাৰ সিদ্ধান্ত সংশ্লিষ্ট দেশৰ দূতাবাস অথবা বাণিজ্যিক দূতাবাসে লয়। গুৱাহাটীত ভিছা আবেদন কেন্দ্ৰটো স্থাপন কৰাৰ বাবে তেওঁ 'ভিএফএছ গ্ল'বেল'ক ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ 'এক্ট-ইষ্ট নীতি'য়ে ভাৰতৰ পূব দিশৰ চুবুৰীয়া দেশসমূহৰ সৈতে সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলক কেন্দ্ৰীয় স্থানৰ মৰ্যাদা প্ৰদান কৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে উন্নত আন্তঃগাঁথনি, সুচল যোগাযোগ ব্যৱস্থা আৰু অৰ্থনৈতিক সহযোগিতাই অসমৰ বাবে সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি কৰিছে। এই সম্ভাৱনাক ৰাইজৰ কল্যাণৰ বাবে বাস্তৱায়িত কৰাটো চৰকাৰৰ দায়িত্ব। অসম চৰকাৰে বাণিজ্য, বিনিয়োগ, পৰ্যটন, শিক্ষা আৰু উদ্ভাৱনৰ কেন্দ্ৰ হিচাপে ৰাজ্যখনক গঢ়ি তুলিবলৈ প্ৰচেষ্টা চলাইছে। ইয়াৰ বাবে বিনিয়োগ বৃদ্ধি আৰু আন্তঃগাঁথনি উন্নয়নৰ উপৰি ৰাষ্ট্ৰৰ সীমা অতিক্ৰমি বিশ্বমানৰ দক্ষতা, জ্ঞান আৰু পেছাগত সুযোগ সৃষ্টি কৰিবলৈ জনসাধাৰণক উৎসাহিত কৰিব লাগিব। অহা ২৭ অক্টোবৰত গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰে এটা নতুন মাইলৰ খুঁটি স্পৰ্শ কৰিব বুলি উল্লেখ কৰি তেওঁ কয় যে ভাৰত চৰকাৰৰ অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে গুৱাহাটী বিমানবন্দৰক আন্তঃৰাষ্ট্ৰীয় যাত্ৰীসকলৰ বাবে 'হাব এণ্ড স্প'ক' ব্যৱস্থাৰ অধীনত এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে ঘোষণা কৰিছে। ইয়াৰ ফলত ২৭ অক্টোবৰৰ পৰা কোনো যাত্ৰীয়ে বিদেশলৈ যাত্ৰাৰ বাবে যদি গুৱাহাটীত ইমিগ্ৰেচন সম্পৰ্কীয় যাবতীয় পৰীক্ষা সম্পূৰ্ণ কৰে, তেন্তে দেশৰ আন বিমানবন্দৰত পুনৰ একেটো ইমিগ্ৰেচন প্ৰক্ৰিয়াৰ মাজেৰে যাবলগীয়া নহ'ব। দেশৰ অন্যান্য ৰাজ্যৰ যাত্ৰীসকলে গুৱাহাটীক এক সংযোগ কেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰিব পাৰিব। আনহাতে গুৱাহাটীৰ পৰা চলাচল কৰা আন্তঃৰাষ্ট্ৰীয় বিমানত যাতায়াত কৰিবলৈ তেওঁলোকে নিজ ৰাজ্যৰ বিমানবন্দৰতে ইমিগ্ৰেচন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি গুৱাহাটীৰ পৰা সহজে বিদেশলৈ যাত্ৰা কৰিব পাৰিব। ডুবাই, ছিংগাপুৰ, ভুটানলৈ গুৱাহাটীৰ পৰা বিমান চলাচল কৰি আছে আৰু অহা ২৭ অক্টোবৰত বেংককলৈ এখন বিমানৰ যাত্ৰা আৰম্ভ হ'ব বুলি সদৰী কৰি তেওঁ কয় যে ভিছা আবেদন কেন্দ্ৰ, গুৱাহাটী বিমানবন্দৰত আৰম্ভ হ'বলগীয়া 'হাব এণ্ডস্প'ক' ব্যৱস্থা আৰু এনেধৰণৰ অন্যান্য পদক্ষেপসমূহে গুৱাহাটী তথা অসমক দেশৰ অন্যতম গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় সংযোগ কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰাত সহায় কৰিব। অসমৰ অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য আৰু সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি আকৰ্ষিত হৈ ৰাজ্যখনলৈ পৰ্যটকৰ আগমন বৃদ্ধি পোৱা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ বিগত প্ৰায় এটা দশকত অসমলৈ ৬ কোটিতকৈও অধিক পৰ্যটকৰ আগমন ঘটিছে। ইয়াৰে ২.৪১ লাখতকৈও অধিক বিদেশী পৰ্যটক। যুক্তৰাজ্য, ফ্ৰান্স, সংযুক্ত আৰব আমিৰশ্বাহী, অষ্ট্ৰেলিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ, ছুইজাৰলেণ্ড, জাপান, বাংলাদেশ, কানাডা, স্পেইন, বেলজিয়াম, ইজৰাইলকে ধৰি বিভিন্ন দেশৰ পৰা পৰ্যটকসকল অসমলৈ আহিছে। এই পৰিসংখ্যাই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ প্ৰতি বৃদ্ধিপোৱা আগ্ৰহক প্ৰতিফলিত কৰাৰ লগতে পৰ্যটন খণ্ডত বিকাশৰ অপাৰ সম্ভাৱনাকো প্ৰমাণ কৰে। শেহতীয়াকৈ অসমৰ আইন-শৃংখলাজনিত পৰিস্থিতি উন্নত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি অষ্ট্ৰেলিয়া, জাপান আৰু ইউৰোপীয় সংঘৰ ২৭খন সদস্য ৰাষ্ট্ৰই অসম সম্পৰ্কীয় ভ্ৰমণ নিৰ্দেশনাসমূহ সংশোধন কৰিছে। ইয়ে অসমৰ প্ৰতি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত আস্থা বৃদ্ধি পোৱাৰ লগতে পৰ্যটন, ব্যৱসায়িক আদান-প্ৰদান আৰু সাংস্কৃতিক বিনিময়ৰ বাবে অনুকূল পৰিৱেশ গঢ়ি উঠাত সহায় কৰিব। অনুষ্ঠানত পৰিবহণ মন্ত্ৰী চৰণ বড়ো, পৰ্যটন মন্ত্ৰী অজন্তা নেওগ, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক বিজয় কুমাৰ গুপ্তা, প্ৰকাশ দাস, ৰাজু মেচ, 'ভিএফএছ. গ্ল'বেল'ৰ দক্ষিণ এছিয়াৰ চি অ'অ' যুগ্মী তালৱাৰ, ফ্ৰান্স, চেক ৰিপাব্লিক, ছুইজাৰলেণ্ড, ইটালী আদি দেশৰ কূটনীতিবিদ আৰু কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# স্বামীক হত্যা কৰি ড্ৰামত ভৰোৱা

মীৰাট জিলা আদালতে ১৩ মহীয়া আইনী যুঁজৰ অন্তত শাস্তি নিৰ্ধাৰণ কৰিলে। এই গোচৰটোত ১২৬ বাৰ শুনানি গ্ৰহণ কৰা হৈছিল। মীৰাট জিলা আদালতৰ ন্যায়াধীশ অৰবিন্দ মিশ্ৰই ৰায়দানৰ সময়ত কয় যে এনে জঘন্য অপৰাধৰ সভ্য সমাজত কোনো স্থান থাকিব নোৱাৰে। সেয়ে ঘটনাটোক বিৰলৰ পৰা বিৰলতম অপৰাধ হিচাপে গণ্য কৰি মুস্কান আৰু সংগীক মৃত্যুদণ্ডৰ নিৰ্দেশ দিয়া হৈছে। এই ভয়ংকৰ ঘটনাটো সংঘটিত হৈছিল ২০২৫ চনৰ মাৰ্চত। তেতিয়া মীৰাটস্থিত সৌৰভ ৰাজপুতৰ ঘৰতে স্বামীক নিচাজাতীয় দ্ৰব্য খুৱাই অচেতন কৰি মুস্কানে হত্যা কৰিছিল। হত্যাকাণ্ডৰ পিছত দুয়ো মৃতদেহটো টুকুৰা-টুকুৰ কৰি কাটি পেলায় আৰু চিমেন্ট-বালিৰে ভৰ্তি এটা নীলা প্লাষ্টিকৰ ড্ৰামত লুকুৱাই থয়। জঘন্য কাণ্ড সংঘটিত কৰি দুয়ো হিমাচল প্ৰদেশলৈ পলাই গৈছিল। পিছত মুস্কানে হত্যাকাণ্ডৰ কথা স্বীকাৰ কৰাত পুলিচে গোচৰ ৰুজু কৰিবলৈ বাধ্য হয়। ছীল কৰা ড্ৰামটো কাটি সৌৰভৰ অৱশেষ উদ্ধাৰ কৰাৰ লগে লগে দুয়োকে গ্ৰেপ্তাৰ কৰা হৈছিল। ঘটনাৰ বিষয়ে প্ৰমাণ হিচাপে ড্ৰাম, চিমেন্ট, বালি, চুৰী আৰু আন সামগ্ৰী আৰক্ষীয়ে আদালতত দাখিল কৰিছিল। তদুপৰি বিচাৰ প্ৰক্ৰিয়াত মুঠ ২২ গৰাকী সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰি সমগ্ৰ তথ্য পৰীক্ষা কৰা হৈছিল। বিচাৰাধীন অৱস্থাতে মুস্কানে জন্ম দিছিল এটি কন্যা সন্তান।

# আজি মহাসপ্তমী

পুৱা মহাগৌৰীৰ ৰূপত দেৱী দুৰ্গাৰ পূজা আৰম্ভ হ'ব। দেৱীৰ মহাষ্টমাদি কল্পাৰম্ভ আৰু মহাষ্টমীবিহিত পূজা আৰু শ্ৰী শ্ৰী চণ্ডী পাঠৰ জৰিয়তে মহাষ্টমীৰ পূজা সম্পন্ন কৰা হ'ব। ২০ অক্টোবৰত সিদ্ধিদাত্ৰীৰ ৰূপত দেৱী দুৰ্গাক ভক্তসকলে পূজা আগবঢ়াব। সেইদিনা পুৱা দেৱীৰ মহানৱমী কল্পাৰম্ভ আৰু শ্ৰী শ্ৰী চণ্ডী পাঠৰ মাধ্যমেৰে মহানৱমী পূজা আৰম্ভ হ'ব। দিনৰ ১১.৩০ বজাত কুমাৰী পূজা সম্পন্ন হোৱাৰ পিছতে পূৰ্ণাহুতি প্ৰদান আৰু সমূহীয়া পুষ্পাঞ্জলিৰে মহানৱমী পূজাৰ অন্ত পৰিব। ২১ অক্টোবৰত দশমীবিহিত পূজা সমাপনৰ পিছতেই বিজয়া দশমী আৰম্ভ হ'ব আৰু লগে লগে দেৱী বিসৰ্জন প্ৰক্ৰিয়াও আৰম্ভ হ'ব। দুৰ্গাপূজা বুলিলে ৰাজ্যজুৰি উখল-মাখল পৰিৱেশ। গুৱাহাটী মহানগৰীও ইয়াৰ ব্যতিক্ৰম নহয়। মহানগৰীৰ অধিকাংশ পূজা সমিতিয়ে লাখ লাখ টকা ব্যয়েৰে আটকধুনীয়া পূজা মণ্ডপ নিৰ্মাণেৰে এক অঘোষিত প্ৰতিযোগিতাৰ সৃষ্টি কৰিছে। অৱশ্যে শাৰদীয় দুৰ্গোৎসৱ সুকলমে পাৰ হৈ যোৱাৰ বাবে আৰক্ষী-প্ৰশাসনে জাৰি কৰিছে একাধিক নিৰ্দেশনাও। সকলো সমিতিয়ে নিৰ্দেশনাবোৰ মানি চলি দেৱী দুৰ্গাক পূজা-অৰ্চনা কৰাৰ বাবে সাজু হৈছে। ৰাইজৰ আশা- দুৰ্গতি বিনাশ কৰি দুৰ্গতিবিনাশিনীয়ে সমগ্ৰ বিশ্বতে বোৱাব শান্তিৰ নিজৰা।

# উচ্চতম ন্যায়ালয়লৈ

সাক্ষাৎ কৰিবলৈ বিচাৰিছিল ৰাহুল বাহিনীয়ে। কিন্তু সেই অনুৰোধ প্ৰত্যাখ্যান কৰে মুখ্য ন্যায়াধীশগৰাকীয়ে। কিয় সাক্ষাৎ কৰাটো সম্ভৱ নহয় সেই বিষয়ে চিঠিও প্ৰেৰণ কৰিছে ৰাহুল আৰু কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ। পিছত সেইদিনাই সমদল কৰি উচ্চতম ন্যায়ালয়লৈ এছআইআৰত অনিয়ম হোৱাৰ অভিযোগ তুলি গোচৰ দাখিল কৰে ৰাহুল বাহিনীয়ে। সেইদিনাৰ কৰ্মকাণ্ডৰ বাবে এইবাৰ ৰাহুলৰ পৰা উত্তৰ বিচাৰিলে মুখ্য ন্যায়াধীশৰ বিচাৰপীঠে। লগতে ৰাহুল বাহিনীয়ে তৰা গোচৰৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগলৈ জাননী প্ৰেৰণ কৰিছে ন্যায়ালয়ে। এই গোচৰত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু আন দুগৰাকী আয়ুক্ত সুখবীৰ সিং সিন্ধু আৰু বিবেক যোশীৰ পৰা উত্তৰ বিচাৰিছে মুখ্য ন্যায়াধীশৰ বিচাৰপীঠখনে। শেহতীয়াকৈ যন্তৰ-মন্তৰক দিল্লীৰ 'নিৰ্ধাৰিত প্ৰতিবাদস্থলী'ৰ তালিকাৰ পৰা বাদ দিছে দিল্লী আৰক্ষীয়ে। এই সিদ্ধান্তক প্ৰত্যাহ্বান জনায়ো সুকীয়া এটা গোচৰ তৰা হৈছে উচ্চতম ন্যায়ালয়ত। বৃহস্পতিবাৰে এই গোচৰটোও শুনানিৰ বাবে উঠে মুখ্য ন্যায়াধীশ সূৰ্য কান্ত, ন্যায়াধীশ জয়মাল্য বাগছী আৰু ন্যায়াধীশ ভি মোহনাৰ বিচাৰপীঠত। এই শুনানি কেন্দ্ৰীয় চৰকাৰৰ হৈ ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই জনায় যে এটা নিৰ্ধাৰিত কমিটীৰ পৰামৰ্শৰ ভিত্তিতে যন্তৰ-মন্তৰ সম্পৰ্কীয় সিদ্ধান্তটো লোৱা হৈছে। এই গোচৰটোত কেন্দ্ৰ আৰু দিল্লী আৰক্ষীৰ বক্তব্য জানিবলৈ বিচাৰিছে ন্যায়ালয়ে। উচ্চতম ন্যায়ালয়ৰ মন্তব্য- 'তেওঁলোকে উত্তৰ দিয়ক। উত্তৰ সন্তোষজনক নহ'লে আইন আইনৰ মতে চলিব।' এছআইআৰৰ বিৰুদ্ধে শেহতীয়া বিক্ষোভৰ সময়ত কেইবাজনো মহিলা সাংবাদিককো আতিশয্যৰ অভিযোগ উঠে। তাক লৈও গোচৰ ৰুজু হৈছে ন্যায়ালয়ত। এছআইআৰ সম্পৰ্কীয় অন্যান্য গোচৰসমূহৰ শুনানিৰ লগতে বৃহস্পতিবাৰে এই গোচৰটোৰো শুনানি লয় মুখ্য ন্যায়াধীশৰ বিচাৰপীঠখনে।

# অসমৰ বিদ্যালয়ৰ ৩০

কেৱল সম্মুখৰ শাৰীত বহা ছাত্ৰ-ছাত্ৰীসকলকহে প্ৰশ্ন কৰে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি শ্ৰেণীকোঠাত সকলোৰে অংশগ্ৰহণৰ প্ৰয়োজনীয়তা আছে। পাঠ্য বিষয় অধিক স্পষ্টভাৱে আৰু সহজ ভাষাত শিক্ষকসকলে ব্যাখ্যা কৰা উচিত। তেতিয়াহে শিক্ষাৰ্থীসকলে সংশ্লিষ্ট বিষয়টো ভালকৈ বুজিব বা আয়ত্ত কৰিব পাৰিব। মতামত প্ৰকাশৰ ক্ষেত্ৰত বহুতে সমস্যাৰ সন্মুখীন হোৱাৰ প্ৰসংগও তেওঁ উল্লেখ কৰে। এই সন্দৰ্ভত নিজৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰি তেওঁ কয় যে মোৰ ওচৰলৈ অহা বহু মানুহে তেওঁলোকৰ সমস্যা বা উদ্বেগৰ কথা বুজাই ক'ব নোৱাৰে।

# গৱেষণা-প্ৰবন্ধ

আৰু ফলপ্ৰসূভাৱে উপস্থাপন কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁৰ বক্তব্যই বিশেষকৈ নতুন গৱেষকসকলক শৈক্ষিক লিখন আৰু গৱেষণা-প্ৰবন্ধ প্ৰস্তুতকৰণৰ ক্ষেত্ৰত সহায়ক দিশ-নিৰ্দেশনা প্ৰদান কৰে। অনুষ্ঠানত অসম ডন বস্ক' বিশ্ববিদ্যালয় প্ৰযুক্তি বিদ্যাপীঠৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী ড° বুলজিৎ বুঢ়াগোহাঁয়ে অধ্যাপক সাহাক সম্বৰ্ধনা জনোৱাৰ লগতে তেওঁৰ দ্বাৰা ৰচিত "দক্ষতাভিত্তিক কেৰিয়াৰ' শীৰ্ষক গ্ৰন্থখন উপহাৰ হিচাপে প্ৰদান কৰে। অনুষ্ঠানৰ শেষত বিভাগটোৰ সহকাৰী অধ্যাপক তাপসজ্যোতি কলিতাই শলাগৰ শৰাই আগবঢ়ায়। তেওঁ অধ্যাপক সাহাৰ মূল্যবান বক্তব্যৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে অংশগ্ৰহণকাৰীসকলৰ সক্ৰিয় সহযোগিতাৰ শলাগ লয়।

## ENGLISH NEWS SECTION

# Governor calls for increased coordination among security forces to strengthen border security



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya emphasised the importance of vigilance, inter-agency coordination and reliance on modern technology in strengthening border security. Interacting with personnel of the Border Security Force (BSF) at the BSF Frontier Headquarters, Azara, here in Guwahati , Governor Shri Acharya said that inter-agency coordination holds the key in fortifying the borders and their security. It may be noted that the Governor attended Sainik Samvad, organised by Lok Bhavan, Assam, in association with the BSF under the Namo Matribhoomi Suraksha avam Swavalamban Sankalp Saptah. Speaking on the occasion, the Governor lauded the courage, discipline and selfless service of BSF personnel, describing them as committed guardians of the nation's borders. He paid tribute to their sacrifices, particularly those serving in challenging terrains and remaining away from their families to safeguard the country. Recalling the BSF's glorious legacy since its establishment in 1965, he commended the Force for its professionalism, operational excellence and unwavering commitment to national security. He also lauded the achievements of its women personnel, highlighting their determination and exemplary contributions. The Governor stressed that emerging challenges, including illegal infiltration, drug trafficking and cross-border criminal activities, necessitate seamless coordination among security agencies, timely intelligence-sharing and the effective use of advanced surveillance technologies. Highlighting the strategic importance of Assam and the Northeast, he observed that secured borders and empowered border communities are essential for sustaining peace, stability and development. He re-affirmed that protecting the nation's sovereignty and territorial integrity remains paramount. The Governor expressed confidence that the BSF would continue to uphold its proud legacy and serve the nation with courage and dedication, in keeping with its motto, "Duty Unto Death." He also extended his heartfelt wishes for the well-being and continued success of all personnel. The Governor while interacting with the jawans conveyed his appreciation for their invaluable service to the nation. The programme was attended by BSF Deputy Inspector General Vijay Kumar, NDRF Commandant A. B. K. Singh, senior officers, BSF personnel, NCC volunteers and other dignitaries.

# Governor administers oath to Dr. Madhumita Barooah as Vice Chancellor of Assam Women's University



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya administered the oath of office to Dr. Madhumita Barooah as Vice Chancellor of Assam Women's University at a function held in the conference hall of Lok Bhavan. Earlier, Commissioner and Secretary to the Governor S. S. Meenakshi Sundaram sought the permission of the Governor to start the proceedings of the ceremony. The ceremony was attended among others by Chief Secretary, Assam Dr. Ravi Kota, Commissioner & Secretary to the Govt. of Assam, Higher Education Department. Narayan Konwar, Vice Chancellor of Gauhati University Prof Nani Gopal Mahanta, Vice Chancellors of Bhattadev University, Srimanta Sankardeva University of Health Science, Assam Veterinary and Fishery University, Krishna Kanta Handiqui State Open University, Director, Directorate of Higher Education Pomi Baruah, and other senior officers of the state government.

# West Indies beat India in 4th T20I



RB News: West Indies defeated India by 24 runs in the fourth T20I on Wednesday to take the five-match series to the decider. Shai Hope slammed 102 not out off 50 balls as the visitors posted 247/3 after being invited to bat first. His knock was laced with four fours and nine sixes. Sherfane Rutherford (49 not out off 26) and Shimron Hetmyer (33 off 12) also helped the team's cause. In the chase, India were bundled out for 223 in 19.3 overs. Sanju Samson was the top scorer for the side with a 56-run knock off 23 balls. Windies pacer Keemo Paul returned with figures of 5 for 41.

# Temba Bavuma Suffers First Defeat As South Africa's Test Captain



RB News: Temba Bavuma's unbeaten record as South Africa's Test captain is over. The Proteas suffered their first defeat under Bavuma's captaincy in Tests on Tuesday . In the first Test of the three-match series against Australia, South Africa went down by 214 runs at Kingsmead in Durban. The hosts were asked to chase a target of 421 runs by Pat Cummins-led Australia, but they could only manage 206 runs in 86.5 overs. Opening batter Aiden Markram scored 75 runs off 237 balls but lacked support from the other end. For the visitors, fast bowler Josh Hazlewood picked up six wickets for 49 runs in 16.5 overs.

# ঋতুৰাণী শৰৎঃ প্ৰকৃতিৰ এক অপূৰ্ব সৃষ্টি

দৰ্শনা দত্ত,
দেৰগাঁও, গোলাঘাট



“শাৰদী ৰাণী
তোমাৰ হেনো নাম
তুমি মোৰ নিচেই আপোন
সদ্যস্নাতা ৰূপহী মোৰ
পুৱতী নিশাৰ সপোন।” (ড° ভূপেন হাজৰিকা)

অসমীয়া সংগীত জগতৰ সুধাকণ্ঠই শৰৎ ঋতুক তেওঁৰ মনৰ অতিকৈ আপোন এগৰাকী সদ্যস্নাতা ৰূপহী গাভৰু আৰু পুৱতি নিশাৰ সপোন হিচাপে যি নান্দনিক ৰূপত তেওঁৰ গীতত সজাই তুলিছে, ঠিক তেনেকৈয়ে এক শান্ত, স্নিগ্ধ আৰু মনোৰম পৰিৱেশৰ মাজেৰে প্ৰকৃতিৰ বুকুলৈ নামি আহে ঋতুৰাণী শৰৎ। এই ঋতু প্ৰকৃতিৰ এটি অনুপম সৃষ্টি, যিয়ে সকলো অৱসাদ দূৰ কৰি প্ৰকৃতিৰ লগতে মানুহৰ মনবোৰো এক অপূৰ্ব সজীৱতাৰে ভৰাই তোলে।শৰৎ মানেই কেৱল এটা ঋতু নহয়, ই হৈছে শুভ্ৰতা আৰু সৌন্দৰ্যৰে ধৰিত্ৰীক সজাই তোলা প্ৰকৃতিৰ এক নৱ উৎসৱ।

শৰৎ ঋতুৰ সুকোমল পৰশ আটাইতকৈ গভীৰভাৱে অনুভৱ কৰা যায় পদূলিৰ শেৱালিজোপাৰ বুকুত। শৰতৰ নিয়ৰসনা প্ৰভাতত চোতাল ভৰি সৰি থকা আলফুল শেৱালি ফুলৰ সুবাসে চৌপাশৰ সমগ্ৰ বতাহজাককে এক মায়াময় সুগন্ধিৰে ব্যাকুল কৰি তোলে। ইয়াৰ সমান্তৰালভাৱে, নদীৰ পাৰত শৰতৰ মৃদু বতাহত হালি-জালি থকা শুভ্ৰ কঁহুৱা বনে যেন ধৰাৰ বুকুত এখনি ধুনীয়া আঁচলহে মেলি দিয়ে। কঁহুৱা বনবোৰৰ চঞ্চল জোকাৰণি দেখি এনে লাগে প্ৰকৃতিয়ে যেন ঋতুৰাণীক আদৰিবলৈ এক নীৰৱ অথচ ছন্দোময় নৃত্যতহে মগ্ন হৈ পৰিছে। শৰতৰ নিশাৰ জোনাক ভেদি নামি অহা পুৱাবোৰো অতি মায়াময়। দুবৰি বনৰ সেউজীয়া দলিচাত আৰু ফুলৰ লাহি পাপৰিত মুকুতাৰ দৰে জিলিকি থকা শীতল নিয়ৰৰ টোপালবোৰে পুৱাবোৰ অনাবিল আনন্দেৰে ভৰাই তোলে। আকাশখনেও নিজৰ গাঢ় নীলা ৰঙৰ আঁচলখনেৰে সমগ্ৰ ধৰিত্ৰীকে আৱৰি ধৰে। বগা তুলাৰ দৰে ভাঁহি থকা ডাৱৰৰ টুকুৰাবোৰে আকাশৰ বুকুত এক মনোমোহা পৰিৱেশৰ সৃষ্টি কৰে। প্ৰকৃতিৰ এনে স্নিগ্ধতাৰ মাজতেই আকাশে-বতাহে ভাহি আহে উৎসৱৰ মধুৰ বতৰা। কুমলীয়া সোনালী ৰ'দৰ পোহৰে ধৰালৈ কঢ়িয়াই আনে শৰতৰ আটাইতকৈ আকৰ্ষণীয় উৎসৱসমূহ। খেতিয়কৰ বুকুত আশাৰ সঞ্চাৰ কৰা কাতি বিহুৰ চাকিৰ পোহৰে আৰু দুৰ্গা পূজাৰ আনন্দময় লহৰে ঋতুৰাণী শৰতক সাংস্কৃতিক আৰু আধ্যাত্মিকভাৱে মহিমামণ্ডিত কৰি তোলে।

প্ৰকৃতিৰ অনাবিল সৃষ্টি শৰৎ কাল মানৱ মনলৈ নতুন আশা আৰু পৱিত্ৰতাৰ বতৰা কঢ়িয়াই অনা এক নতুন আহ্বান। শুভ্ৰ কঁহুৱা, শেৱালিৰ সুবাস, নিৰ্মল নীলা আকাশ আৰু জ্যোৎস্নাময় নিশাবোৰে ধৰিত্ৰীৰ বুকুত জীয়াই থকাৰ এক সুকীয়া আনন্দ প্ৰদান কৰে। সেয়ে শৰৎকাল প্ৰকৃতি, মানৱ জীৱন, সমাজ আৰু সাহিত্যৰ বাবে এক চিৰন্তন স্নিগ্ধ উৎস।

## নিয়ৰৰে ফুল

প্ৰতিখন অনুভৱী হিয়াক নামহীন উত্তেজনাত বুৰাই পেলায়। পুৱাৰ এই মায়াময় পৰিবেশে যেন নিকা কৰি থৈ যায় সমগ্ৰ পৃথিৱী। যাদুকৰী শৰতৰ সৌৰভে চাৰিওদিশ আমোলমোলাই যোৱাৰ পৰতে আৰম্ভ হয় দেৱী দুৰ্গাৰ পূজাৰ আয়োজন ।পৃথিৱীৰপৰা দুখ- দুৰ্দশা, অপায়- অমংগল দূৰ কৰি শান্তিময় পৃথিৱীৰ কামনা কৰি সকলোৱে দেৱী দূৰ্গাক পূজা কৰে, সভক্তিৰে অঞ্জলি যাঁচি আশীৰ্বাদ বিচাৰে। ধূপ- ধূনাৰ সুবাসেৰে মুখৰিত শাৰদোৎসৱত ভাঁহি আহে মন্ত্ৰোচ্চাৰণৰ ধ্বনি...

“সৰ্বমংগল মাংগল্যে শিৱে সৰ্বাৰ্থসাধিকে।
শৰণ্যে ত্ৰম্বকে গৌৰী নাৰায়ণী নমস্তোতে।।”

# শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গা

কাহিনীমতে পিতৃ হিমালয়ে নিবলৈ অহা স্বামী শিৱৰ অনুমতি লৈ শৰৎ কালৰ শুক্লা ষষ্ঠীৰ এটি সন্ধিয়া গণেশ, কাৰ্তিক, লক্ষ্মী আৰু সৰস্বতীক লগত লৈ দেৱী পাৰ্বতী মাতৃগৃহলৈ আহিছিল। মাতৃগৃহত আনন্দত আত্মহাৰা হৈ থকা সময়ত অসুৰৰ অত্যাচাৰত জৰ্জৰিত দেৱতাসকলে তেওঁৰ ওচৰলৈ আহি অসুৰৰ হাতৰপৰা ৰক্ষা কৰিবলৈ তেওঁক স্তুতি কৰিবলৈ ধৰে। দেৱতাৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ পাৰ্ৱতীয়ে ৰণচণ্ডী মূৰ্তি ধৰি সিংহত আৰোহণ কৰি লক্ষ্মী, সৰস্বতী, গণেশ আৰু কাৰ্তিকক লগত লৈ অসুৰৰ সৈতে যুদ্ধত অৱতীৰ্ণ হয়। সপ্তমী আৰু অষ্টমী তিথিত যুদ্ধ কৰি অসুৰ বিনাশ কৰে। নৱমীৰ দিনা মাতৃগৃহত জিৰণি লৈ থকা সময়ত শিৱই তেওঁলোকক নিবলৈ আহে আৰু দশমীৰ দিনা প্ৰতিবছৰে একে সময়তে মাতৃগৃহলৈ অহাৰ প্ৰতিশ্ৰুতি দি মাক মেনকাৰ পৰা বিদায় লৈ স্বামীগৃহলৈ উভতি যায়। সেয়ে শাৰদীয় দুৰ্গাপূজাত ষষ্ঠীত প্ৰতিষ্ঠা কৰা প্ৰতিমা দশমীত বিসৰ্জন দিয়া হয়।

আহিন মাহৰ মহালয়াৰ পাছত সেই মাহৰ শুক্লা ষষ্ঠীৰ পৰা শুক্লা দশমীলৈ শাৰদীয় দুৰ্গাপূজা অনুষ্ঠিত হয়। কেতিয়াবা কাতি মাহতো পূজা অনুষ্ঠিত হয়। কোনো ঠাইত শুক্লা প্ৰতিপদৰপৰা নৱমীলৈ ন দিন ধৰি দেৱী পূজা হয়। সেইনটি ৰূপ হৈছে- শৈলপুত্ৰী,ব্ৰহ্মচাৰিণী, চন্দ্ৰঘণ্টা, কুষ্মাণ্ডা, স্কন্ধমাতা, কাত্যায়নী, কালৰাত্ৰি, মহাগৌৰী আৰু সিদ্ধিদাত্ৰী। ইয়াক নৱ দুৰ্গাৰূপেও জনা যায় আৰু পূজা ভাগক নৱৰাত্ৰি পূজা বোলা হয়।

শুক্লা ষষ্ঠীৰ দিনা গধূলি পূজাৰীয়ে দেৱীৰ বোধন কৰি আৱাহন আৰু অধিৱাস কাৰ্য সম্পন্ন কৰে। বোধনৰ অৰ্থ হৈছে জাগ্ৰত কৰা।শৰৎকাল সূৰ্যৰ দক্ষিণায়নৰ সময়।এই সময়ত দেৱতাসকলৰ ৰাতি হয়। সেয়ে নিদ্ৰিত অৱস্থাত থাকে। দেৱী দুৰ্গাক নিদ্ৰাৰপৰা জগাবলৈ বেল বোধন কৰা হয়।অথৰ্ব বেদৰ মতে দুৰ্গা অগ্নিত বিৰাজমান, অগ্নিস্বৰূপা। তেওঁ বিল্ববাসিনী। বোধন হ'ল অৰণিৰদ্বাৰা অগ্নি উৎপাদন কাৰ্য। অৰণি মানে হ'ল ঘঁহি জুই উলিয়াবলৈ ব্যৱহাৰ কৰা কাঠ। কাঠত লুকাই থকা অগ্নি ঘঁহি ঘঁহি জাগ্ৰত কৰা হয়। বেল বোধনৰদ্বাৰা শুই থকা অগ্নিস্বৰূপা দুৰ্গাক জাগ্ৰত কৰা হয়। এই বুধি অনুসাৰে পূজাৰীয়ে এজোপা বেল গছৰপৰা দুটি বেল আৰু এটি ডাল কাটি আনে। তাৰ পাছত পূজাস্থলীত বেল দুটি আৰু ডালটিৰে সৈতে নৱপত্ৰিকা স্থাপন কৰে আৰু স্তুতি প্ৰাৰ্থনাৰে ডালটিত দেৱীক বোধন কৰি পূজা আৰম্ভ কৰা হয় ।সপ্তমী, অষ্টমী আৰু নৱমীৰ যথাবিহিত পূজাৰ অন্তত দশমীৰ দিনা দেৱী মূৰ্তিৰে লগতে দেৱীৰূপে কল্পনা কৰা ডালটিও বিসৰ্জন দিয়া হয়।

ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীক বিজয়া দশমীত বিসৰ্জন দিয়া হয় বাবে ভক্তসকলে মাটিৰে নিৰ্মিত দেৱীমূৰ্তিত হে পূজা উপাসনা কৰে। পূজাৰ বেদীৰ একেবাৰে ওপৰত দেৱীৰ স্বামী দেৱাদিদেৱ শিৱৰ মূৰ্তি থাকে। সিংহবাহনা দশভূজা দেৱীয়ে দহখন হাতেৰে দিব্য অস্ত্ৰ ধাৰণ কৰি মহিষাসুৰক ত্ৰিশূলেৰে নিধন কৰে। দেৱীৰ সোঁভৰি সিংহৰ পিঠিত আৰু বাওঁভৰিৰ বুঢ়াআঙুলি মহিষৰ ওপৰত থাকে। দেৱীৰ সোঁকাষত ঐশ্বৰ্যবিভূতিৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী আৰু গণেশ, বাওঁকাষত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰ্বশুক্লা সৰস্বতী আৰু বীৰ্যবান দেৱ সেনাপতি কাৰ্তিকৰ প্ৰতিমা উপবিষ্ট কৰোৱা থাকে। অসুৰ বিনাশেৰে অসুৰৰূপী অশুভ শক্তি নাশ কৰি ঐশ্বৰ্য বিভূতি আৰু জ্ঞানৰ পোহৰেৰে জগত পোহৰাই জগতত মহাশক্তি প্ৰতিষ্ঠা কৰাৰ এক বিশেষ অৰ্থ দেৱীয়ে বহন কৰে।

শস্যৰে ভৰা শৰৎ কালত দুৰ্গা দেৱীৰ আগমন হয় বাবে তেওঁৰ আন এটা নাম শাকম্ভৰী। সেয়ে শাৰদীয় দুৰ্গাপূজাত কলগছক দেৱী ব্ৰাহ্মণী, নীলকচুক কালী, হালধিক দুৰ্গা, জয়ন্তীক কাৰ্তিকি, বেলক শিৱা, ডালিমক ৰক্তদন্তিকা, মানকচুক চামুণ্ডা, অশোকক শোকৰহিতা আৰু ধানক লক্ষ্মীদেৱীৰ প্ৰতীকৰূপে কল্পনা কৰি নৱপত্ৰিকা পূজা কৰা হয়।দুৰ্গা দেৱীৰ সন্মুখত সোঁফালে কলপুলি এটি থিয় কৰাই ৰাখি কলপুলিটোত বোধনৰ সময়ত অনা বেলৰ ডাল আৰু বেল দুটিৰ লগতে বাকী সাতবিধ শস্য হালধীয়া সূতাৰে বান্ধি ওপৰত বগা অপৰাজিতাৰ লতা মেৰিয়াই দিয়া হয়। কল পুলিটোক ৰঙা শাৰী বা ৰঙা পাৰিৰ বগা শাৰী পিন্ধাই ওৰণিৰে চাকি নৱদুৰ্গা ৰূপে স্থাপন কৰা হয়।

সপ্তমী, অষ্টমী আৰু নৱমী তিথিত দেৱী ভক্তসকলে পূজাৰীৰ পৰিচালনাত যোড়শোপচাৰেৰে পূজা-অৰ্চনা কৰি দেৱীক ভক্তি অঞ্জলি প্ৰদান কৰে। ষষ্ঠীৰ পৰা দশমীলৈ অনুষ্ঠিত হোৱা পূজাত সন্ধি, অৰ্ধৰাত্ৰি, কুমাৰীপূজা আৰু হোম অনুষ্ঠিত হয়। কোনো কোনো পূজাস্থলীত নৱমী তিথিৰ আদিভাগত হাঁহ পাৰ ম'হ ছাগলী আদি বলি দিয়া হয়। দশমীৰ দিনা দেৱী বন্দনাৰে সকলো কাম সমাপ্ত কৰি শংখ, ঘণ্টা, ডবা-কাঁহ বজাই শোভাযাত্ৰা কৰি নদীত পূজাৰ প্ৰতিমা বিসৰ্জন দি সমাগত বছৰলৈ দেৱী পুনৰাগমনলৈ আশাৰে বাট চাই ৰয়।

অশুভ শক্তি নাশৰ কাৰণে দেৱী শক্তিক জাগ্ৰত কৰি উপাসনা কৰি শাৰদীয় দুৰ্গাপূজা অনুষ্ঠিত কৰা এই দুৰ্গাপূজা ভাৰতৰ এক লেখত ল'বলগীয়া উৎসৱ।

## সাগৰৰ তলৰ

তাঁৰবোৰক সাগৰীয় যোগাযোগ কেবল (Submarine Communication Cables) বুলি কোৱা হয়। এই কেবলৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় ইণ্টাৰনেটৰ অধিকাংশ তথ্য আদান-প্ৰদান হয়।অৱশ্যে, ৱাই-ফাই(WIFI) নিজে সাগৰৰ তলত নাথাকে, ই ৰেডিঅ' তৰংগৰ সহায়ত যন্ত্ৰসমূহক বেতাঁৰভাৱে সংযোগ কৰে। এইদৰে সাগৰ কেৱল জলজ জীৱৰ বাসস্থানেই নহয়, ই মূল্যৱান প্ৰাকৃতিক সম্পদ আৰু আধুনিক যোগাযোগ ব্যৱস্থাৰো এক গুৰুত্বপূৰ্ণ অংশ।

সাগৰৰ তলৰ জগতখন প্ৰাকৃতিক সৌন্দৰ্য, জীৱবৈচিত্ৰ্য আৰু বৈজ্ঞানিক ৰহস্যৰে ভৰপূৰ। ইয়াৰ প্ৰতিটো জীৱ আৰু প্ৰাকৃতিক সম্পদে পৃথিৱীৰ পৰিৱেশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সাগৰৰ বিষয়ে অধিক অধ্যয়ন কৰি আৰু ইয়াৰ সম্পদসমূহ সংৰক্ষণ কৰি আমি ভৱিষ্যৎ প্ৰজন্মৰ বাবে এই অপূৰ্ব প্ৰাকৃতিক জগতখন সুৰক্ষিত কৰি ৰাখিব পাৰোঁ।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# দুৰ্গাপূজাঃ ঐতিহ্য, আধ্যাত্মিকতা আৰু সমাজ চেতনা



**প্ৰেম বৈষ্ণৱ, বিহালী, বিশ্বনাথ**

প্ৰকৃতিৰ বুকুলৈ যেতিয়া শৰতৰ স্নিগ্ধ মলয়া বতাহজাক নামি আহে, নীলা আকাশৰ বুকুত শুভ্ৰ মেঘৰ খণ্ডবোৰে লুকাভাকু খেলে আৰু নৈৰ পাৰত কঁহুৱা বনৰ ঢৌৱে এক অপূৰ্ব মায়াময় পৰিৱেশৰ সৃষ্টি কৰে, তেতিয়াই মানৱ অন্তৰত অনুৰণিত হয় দেৱী দুৰ্গাৰ আগমনৰ মধুৰ সুৰ। শাৰদীয় দুৰ্গাপূজা কেৱল এটা ধৰ্মীয় উৎসৱ নহয়, ই হ'ল একতা, আনন্দ, ঐতিহ্য আৰু অপশক্তিৰ বিৰুদ্ধে ন্যায়ৰ চিৰন্তন বিজয়ৰ প্ৰতীক। ভাৰতীয় সনাতন সংস্কৃতিৰ বুকুত এই উৎসৱটো যুগ-যুগান্তৰৰ পৰা আধ্যাত্মিক সাধনাৰ এক সৰ্বোচ্চপ্ৰকাশ হিচাপে পৰিগণিত হৈ আহিছে। শৰতৰ পুৱাৰ নিয়ৰসিক্ত শেৱালি ফুলৰ সুবাস, পুৰোহিতৰ কাৰুণ্যপূৰ্ণ মন্ত্ৰোচ্চাৰণ, ধূপ-ধূনাৰ সুগন্ধি আৰু ঢাক-ঢোলৰ ছন্দোময় ধ্বনিয়ে সমগ্ৰ বতাহক পবিত্ৰ আৰু আনন্দময় কৰি তোলে। মানুহৰ দৈনন্দিন জীৱনৰ ক্লান্তি, বিষাদ, সংঘাত আৰু জড়তাক আঁতৰাই নতুন আশা আৰু প্ৰাণচঞ্চলতা কঢ়িয়াই অনাৰ বাবেই দুৰ্গাপূজা সমগ্ৰ বিশ্বৰ প্ৰতিজন সনাতন ধৰ্মাৱলম্বী মানুহৰ বাবে এক মহোৎসৱ। এই পূজাৰ প্ৰতিটো আচাৰ-অনুষ্ঠানৰ আঁৰত নিহিত হৈ আছে গভীৰ দাৰ্শনিক সত্য, যিয়ে মানুহক অন্ধকাৰৰ পৰা পোহৰলৈ আৰু নিষ্ঠুৰতাৰ পৰা মানৱতালৈ ধাৰমান হ'বলৈ প্ৰেৰণা যোগায়। এনে এক সৰ্বজনীন, ঐতিহ্যমণ্ডিত আৰু আত্মশুদ্ধিৰ পবিত্ৰ পৰ্বৰ স্বৰূপ আৰু ইয়াৰ সামাজিক গুৰুত্ব গভীৰভাৱে অনুধাৱন কৰাটো আমাৰ সকলোৰে বাবে অপৰিহাৰ্য।

ঐতিহাসিক পটভূমি আৰু পৌৰাণিক আখ্যান- দুৰ্গাপূজাৰ ইতিহাস অত্যন্তপ্ৰাচীন আৰু ইয়াৰ শিপা বৈদিক যুগৰ পৰা আৰম্ভ কৰি পুৰাণ আৰু মহাকাব্যসমূহলৈকে বিস্তৃত হৈ আছে। মাৰ্কণ্ডেয় পুৰাণৰ অন্তৰ্গত "দেৱী মাহাত্ম্য" বা শ্ৰী শ্ৰীচণ্ডীত দেৱী দুৰ্গাৰ মহিমা অতি সুন্দৰভাৱে বৰ্ণনা কৰা হৈছে। পৌৰাণিক কাহিনী অনুসৰি, এবাৰ মহিষাসুৰ নামৰ এজন পৰাক্ৰমী অসুৰেব্ৰহ্মাৰ পৰা বৰ লাভ কৰি ত্ৰিভুৱন জয় কৰিছিল। কোনো পুৰুষ বা দেৱতাই তাক বধ কৰিব নোৱাৰিব বুলি গৰ্বত অন্ধ হৈ সি স্বৰ্গৰ দেৱতাসকলক খেদি পঠিয়াইছিল আৰু ধৰ্ম-ন্যায় বিনষ্ট কৰি এক বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি কৰিছিল। দেৱতাসকলে উপায়হীন হৈ ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ শৰণাপন্ন হয়। তেতিয়া সমস্ত দেৱতাসকলৰ ক্ৰোধ আৰু তেজৰ মিলন ঘটি এক পৰম অপূৰ্ব শক্তিৰ আৱিৰ্ভাৱ ঘটে, যিয়েই হ'ল আদিশক্তি মা দুৰ্গা। প্ৰতিজন দেৱতাই তেওঁলোকৰ নিজ নিজ অস্ত্ৰ-শস্ত্ৰ দেৱীৰ হাতত অৰ্পণ কৰিলে। তাৰ পাছত দেৱীয়ে সিংহবাহিনী হৈ মহিষাসুৰৰ বিৰুদ্ধে ন দিন ধৰি ভয়ংকৰ যুদ্ধ কৰি দশম দিনত সেই অসুৰক বিনাশ কৰে আৰু সংসাৰত শান্তি পুনৰ প্ৰতিষ্ঠা কৰে। সেইবাবেই দেৱীক "মহিষাসুৰমৰ্দিনী" বুলি জনা যায়।

আনহাতে, বাল্মীকি ৰামায়ণ আৰু কৃত্তিবাসী ৰামায়ণত দুৰ্গাপূজাৰ আন এটা তাৎপৰ্যপূৰ্ণ কাহিনী পোৱা যায়। পূৰ্বতে দুৰ্গাপূজা বসন্তকালত অনুষ্ঠিত হৈছিল, যাক বাসন্তী পূজা বোলা হয়। কিন্তু ত্ৰেতা যুগত লঙ্কাধিপতি ৰাৱণক বধ কৰি সীতা উদ্ধাৰ কৰাৰ উদ্দেশ্যে ভগৱান শ্ৰীৰামচন্দ্ৰই শৰৎ কালতেই দেৱী দুৰ্গাৰ বিশেষ আৰাধনা কৰিছিল। অকালত এই পূজা অনুষ্ঠিত কৰা বাবে ইয়াক "অকালবোধন" বুলি কোৱা হয়। ৰামচন্দ্ৰই নীলপদ্ম অৰ্পণ কৰি দেৱীক সন্তুষ্ট কৰিছিল আৰু দেৱীৰ কৃপাত ৰাৱণক পৰাস্ত কৰি ধৰ্মৰ পুনৰুদ্ধাৰ কৰিছিল। এইদৰে পৌৰাণিক যুগত সৃষ্টি হোৱা অন্যায়ৰ বিনাশ আৰু সত্যৰ প্ৰতিষ্ঠাৰ বাণীয়ে আজিও দুৰ্গাপূজাৰ মাধ্যমেৰে আমাৰ মাজত সঞ্জীৱিত হৈ আছে।

দেৱী দুৰ্গাৰ স্বৰূপ আৰু প্ৰতীকী তাৎপৰ্য- দেৱী দুৰ্গাৰ মৃন্ময়ী মূৰ্তিটো কেৱল এক কল্পিত অৱয়ব নহয়, ই এক গভীৰ দাৰ্শনিক তত্ত্বৰ মূৰ্ত প্ৰতীক। মা দুৰ্গাৰ দশভূজা অৰ্থাৎ দহখন হাত থাকে। এই দহখন হাতে দহোটা দিশৰ পৰা সৃষ্টি হোৱা অপশক্তি আৰু সংকটক ৰক্ষা কৰাৰ সামৰ্থ্যক বুজায়। দেৱীৰ হাতত থকা ত্ৰিশূল, চক্ৰ, ধনু-কাঁড়, তৰোৱাল আদি প্ৰতিটো অস্ত্ৰই মানুহৰ মনত থকা কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মাৎসৰ্য্যৰ দৰে ষড়ৰিপুক দমন কৰাৰ প্ৰতীক। দেৱীৰ বাহন সিংহ হ'ল সাহস, শৌৰ্য আৰু পৰাক্ৰমৰ প্ৰতীক। দেৱীৰ পদতলত থকা মহিষাসুৰ হ'ল অজ্ঞানতা, অহংকাৰ আৰু পাশৱিক প্ৰবৃত্তিৰ প্ৰতীক। যেতিয়া দিব্যশক্তিয়ে পশু শক্তিক দমন কৰে, তেতিয়াই জীৱাত্মাৰ মুক্তি সম্ভৱ হয়।

মা দুৰ্গাৰ লগত তেওঁৰ চাৰি সন্তান ক্ৰমে লক্ষ্মী, সৰস্বতী, কাৰ্তিক আৰু গণেশ অধিষ্ঠিত থাকে। দেৱী লক্ষ্মী ধন-ধান্য আৰু সমৃদ্ধিৰ প্ৰতীক, দেৱী সৰস্বতী জ্ঞান, বিদ্যা আৰু কলাৰ প্ৰতীক, কাৰ্তিক শৌৰ্য্য আৰু যুদ্ধবিদ্যাৰ প্ৰতীক আৰু সিদ্ধিদাতা গণেশ জ্ঞান, বুদ্ধি আৰু শুভ আৰম্ভণিৰ প্ৰতীক। এই পঞ্চশক্তিৰ সমন্বয়ে বুজায় যে এখন সুখী আৰু শান্তিপূৰ্ণ সমাজ গঢ়িবলৈ হ'লে সমৃদ্ধি, জ্ঞান, শক্তি আৰু শুভ বুদ্ধিৰ সমিলমিল অত্যন্ত প্ৰয়োজনীয়। এই মূৰ্তিয়ে আমাক এটা পৰিয়াল আৰু এখন সমাজৰ মাজত একতা আৰু ভাৱসাম্য বজাই ৰখাৰ এক মহৎ শিক্ষা প্ৰদান কৰে।

শৰতৰ প্ৰকৃতি আৰু পূজাৰ আগমন- শৰৎ আৰু দুৰ্গাপূজা পৰস্পৰৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। বৰ্ষাৰ ঘনঘোৰ মেঘ আৰু কদৰ্য বৰষুণৰ অন্ত পৰাৰ পাছত শৰতৰ আগমন ঘটে। শৰতৰ স্নিগ্ধ জোনাক ৰাতি, শীতল মলয়া আৰু নদীৰ বালিসুতিত ফুলা কঁহুৱা ফুলৰ শুভ্ৰতাই এক অপূৰ্ব ধৰ্মীয় আৰু প্ৰাকৃতিক উন্মাদনাৰ সৃষ্টি কৰে। অসম আৰু সমগ্ৰ পূব ভাৰতত এই সময়ছোৱাত শেৱালি ফুলৰ সুবাসে চৌপাশ সুবাসিত কৰি তোলে। পুৱাৰ কুঁৱলী ফালি ওলোৱা কোমল ৰ'দে মানুহৰ মনলৈ এক অপাৰ আনন্দ লৈ আহে। গ্ৰাম্য জীৱনৰ পৰা আৰম্ভ কৰি চহৰীয়া পৰিৱেশলৈকে সকলোতে কেৱল এক উৎসৱমুখী প্ৰস্তুতি দেখা যায়। শিপিনীসকলে তাঁতশালত নতুন কাপোৰ বোৱে, ব্যৱসায়ীসকলে দোকান-পোহাৰ সজাই তোলে আৰু মৃৎশিল্পীসকলে কেইবামাহো পূৰ্বৰ পৰাই নিজৰ শিল্পকৰ্মৰে দেৱীৰ সুন্দৰ প্ৰতিমাসমূহ নিৰ্মাণ কৰাত আত্মনিয়োগ কৰে। শৰতৰ এই মনোৰম পৰিৱেশে পূজাৰ আনন্দক দুগুণ কৰি তোলে।

পূজাৰ বিভিন্ন পৰ্ব আৰু নীতি-নিয়ম- দুৰ্গাপূজাৰ ধৰ্মীয় ক্ৰমটো কেইবাটাও পবিত্ৰ পৰ্বত বিভক্ত। পূজাৰ সূচনা হয় "মহালয়া"ৰ জৰিয়তে। মহালয়াৰ দিনা পূৰ্বপুৰুষসকলৰ উদ্দেশ্যি তৰ্পণ কৰা হয় আৰু দেৱীক মৰ্ত্যলৈ আহ্বান জনোৱা হয়। আকাশবাণীৰ জৰিয়তে সম্প্ৰচাৰিত বীৰেন্দ্ৰকৃষ্ণ ভদ্ৰৰ কণ্ঠৰ "মহিষাসুৰমৰ্দিনী"ৰ পবিত্ৰ চণ্ডীপাঠে প্ৰতিজন ভক্তৰ অন্তৰত দেৱীৰ আগমনৰ বাৰ্তা কঢ়িয়াই আনে।

ইয়াৰ পাছত আৰম্ভ হয় মূল পূজাৰ ষষ্ঠী তিথি। ষষ্ঠীৰ দিনা দেৱীৰ বোধন, আমন্ত্ৰণ আৰু অধিবাস কৰা হয়। বেল গছৰ তলত দেৱীৰ প্ৰাণপ্ৰতিষ্ঠা কৰাৰ এই নিয়মক "বিল্ববোধন" বোলে। সপ্তমীৰ দিনা পুৱা নৱপত্ৰিকা অৰ্থাৎ কলগছসহ নবিধ শস্য আৰু উদ্ভিদক দেৱীৰ ৰূপত স্নান কৰাই মণ্ডপত প্ৰতিষ্ঠা কৰা হয়। ই প্ৰকৃতি আৰু পৰিৱেশৰ প্ৰতি মানুহৰ শ্ৰদ্ধাৰ এক অনন্য প্ৰতীক। মহাঅষ্টমী পূজাৰ দিনটো আটাইতকৈ গুৰুত্বপূৰ্ণ। এই দিনা দেৱীক বিশেষ ভোগ আৰু আৰতিৰে আৰাধনা কৰা হয়। অষ্টমী আৰু নৱমীৰ সন্ধিক্ষণত অনুষ্ঠিত হয় "সন্ধিপূজা", য'ত দেৱী চামুণ্ডাৰ ৰূপত আৱিৰ্ভাৱ হৈ চণ্ড আৰু মুণ্ড নামৰ অসুৰক নিধন কৰিছিল বুলি বিশ্বাস কৰা হয়। মহাষ্টমীৰ আন এটা আকৰ্ষণীয় অনুষ্ঠান হ'ল "কুমাৰী পূজা", য'ত সৰু কন্যাক দেৱীৰ জীৱন্ত স্বৰূপ হিচাপে পূজা কৰা হয় আৰু নাৰী শক্তিক সৰ্বোচ্চ সন্মান জনায়। নৱমীৰ দিনা হোম-যজ্ঞ আৰু বলিদানৰ জৰিয়তে পূজাৰ সামৰণি পৰ্বৰ প্ৰস্তুতি চলোৱা হয়। শেষত আহে বিজয়া দশমী। দশমীৰ দিনা দেৱীৰ বিসৰ্জন দিয়া হয়। দেৱীক বিদায় দিওঁতে ভক্তসকলৰ চকু অশ্ৰুসিক্ত হৈ পৰে। দেৱীৰ মূৰ্তি নদীত বিসৰ্জন দিয়াৰ পাছত আৰম্ভ হয় শুভেচ্ছা বিনিময়ৰ পৰ্ব, য'ত কনিষ্ঠসকলে জ্যেষ্ঠসকলক সেৱা জনায় আৰু জ্যেষ্ঠসকলে আশীৰ্বাদ কৰে।

সমাজ জীৱনত দুৰ্গাপূজাৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক প্ৰভাৱ- দুৰ্গাপূজা কেৱল মন্দিৰ বা ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ ধৰ্মীয় কৰ্মকাণ্ড নহয়, ই এক সৰ্বজনীন সামাজিক আৰু সাংস্কৃতিক মহোৎসৱ। এই পূজাই জাতি, ধৰ্ম, বৰ্ণ আৰু ভাষাৰ সকলো সংকীৰ্ণ ভেদাভেদ পাহৰাই মানুহক একতাৰ ডোলেৰে বান্ধি ৰাখে। পূজাৰ দিনকেইটাত ধনী-দুখীয়াৰ কোনো ব্যৱধান নাথাকে। সকলোৱে একেলগে শাৰী পাতি দেৱী দৰ্শন কৰে, ভোগ গ্ৰহণ কৰে আৰু আনন্দ উল্লাসত অংশ লয়। মণ্ডপে মণ্ডপে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান, যেনে- নৃত্য, নাটক, সংগীত আৰু আলোচনা চক্ৰ অনুষ্ঠিত হয়, যিয়ে সমাজৰ বৌদ্ধিক আৰু সাংস্কৃতিক বিকাশক ত্বৰান্বিত কৰে।

অৰ্থনৈতিক দিশৰ পৰাও দুৰ্গাপূজাৰ তাৎপৰ্য অপৰিসীম। এই উৎসৱক কেন্দ্ৰ কৰি কোটি কোটি টকাৰ ব্যৱসায়-বাণিজ্য সম্পন্ন হয়। মৃৎশিল্পী, তাঁতী, বস্ত্ৰ ব্যৱসায়ী, ফুল বিক্ৰেতা, আলোকসজ্জা শিল্পী, ঢুলীয়া আৰু সৰু-বৰ সকলো শ্ৰেণীৰ ব্যৱসায়ীৰ বাবে এই সময়ছোৱা উপাৰ্জনৰ এক সোণালী সুযোগ। গ্ৰামাঞ্চলৰ অৰ্থনীতিতো ই এক নতুন গতিশীলতা আনি দিয়ে। বহু দৰিদ্ৰ পৰিয়ালে এই সময়তে উপাৰ্জন কৰা ধনেৰে গোটেই বছৰটোৰ অভাৱ-অনাটন জোৰা মাৰে। গতিকে আধ্যাত্মিক পৰিতুষ্টিৰ উপৰি সমাজৰ অৰ্থনৈতিক চালিকাশক্তি হিচাপেও দুৰ্গাপূজাই এক সক্ৰিয় ভূমিকা পালন কৰে।

অসমৰ পটভূমিত দুৰ্গাপূজাৰ ঐতিহ্য আৰু স্বকীয়তা- অসমত দুৰ্গাপূজাৰ ইতিহাস অতি গৌৰৱোজ্জ্বল আৰু প্ৰাচীন। শক্তিপীঠ কামাখ্যা দেৱালয়ক সমগ্ৰ বিশ্বৰ তন্ত্ৰ আৰু শক্তিসাধনাৰ প্ৰাণকেন্দ্ৰ বুলি গণ্য কৰা হয়। কামাখ্যাত দুৰ্গাপূজা অত্যন্ত নিষ্ঠা আৰু প্ৰাচীন তান্ত্ৰিক পৰম্পৰাৰে অনুষ্ঠিত হয়, য'ত নৱৰাত্ৰিৰ বিশেষ মহিমা দেখা যায়। ইয়াৰ উপৰি ঐতিহাসিকভাৱে কোচ ৰজা বিশ্বসিংহ, নৰনাৰায়ণ আৰু চিলাৰায়ৰ পৃষ্ঠপোষকতাত অসমত দুৰ্গাপূজাই এক বিশেষ ৰূপ লাভ কৰিছিল। কোচবিহাৰৰ দৰে গোৱালপাৰা আৰু ধুবুৰী অঞ্চলত ঐতিহাসিক ৰাজকীয় পূজাৰ ঐতিহ্য আজিও সংৰক্ষিত হৈ আছে। আহোম ৰজা প্ৰতাপসিংহ, ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ দিনতো ৰাজকীয় পৃষ্ঠপোষকতাত জয়সাগৰৰ দেৱীদ'ল আৰু অন্যান্য স্থানত দুৰ্গাপূজা জাকজমকতাৰে অনুষ্ঠিত হৈছিল।

বৰ্তমান সময়ত অসমৰ চহৰে-নগৰে, বিশেষকৈ গুৱাহাটী, শিলচৰ, ডিব্ৰুগড়, যোৰহাট, তেজপুৰ আদি স্থানত ৰাজহুৱা দুৰ্গাপূজাবোৰ অত্যন্ত উলহ-মালহেৰে অনুষ্ঠিত হয়। অসমৰ দুৰ্গাপূজাৰ এক বিশেষত্ব হ'ল ইয়াৰ শান্তিপূৰ্ণ আৰু সাম্প্ৰদায়িক সম্প্ৰীতিৰ পৰিৱেশ। হিন্দু, মুছলমান আৰু অন্যান্য জনগোষ্ঠীয় লোকসকলে মিলি পূজা পৰিচালনা সমিতিত কাম কৰা আৰু সকলোৱে মিলি পূজাৰ আনন্দ উপভোগ কৰা দৃশ্যই অসমীয়া সমাজৰ সমন্বয় আৰু ভাতৃত্ববোধক বিশ্বৰ দৰবাৰত তুলি ধৰে।

আগলৈ...

# শৰতৰ চোতালত শেৱালি



**কল্পনা দত্ত, লুইত নগৰ, নুনমাটি, গুৱাহাটী**

শৰতৰ আগমনে প্ৰকৃতিৰ বুকুলৈ অনবদ্য সৌন্দৰ্যৰ সম্ভাৰ কঢ়িয়াই আনে। শৰৎ মানেই শুভ্ৰতা, সুবাস আৰু স্নিগ্ধতা। শৰৎ মানেই শেৱালিৰ মনোমোহা সুবাস। দাকমোকালিতে নিয়ৰসিক্ত দুবৰিৰ ভাঁজত লুকাই থকা তলসৰা শেৱালিৰ শুভ্ৰ দলিচাই চৌদিশে সৌৰভ বিলাই মনবোৰ অনাবিল প্ৰশান্তিৰে ভৰাই তোলে। শেৱালিৰ অবিহনে শৰতৰ সৃষ্টি আধৰুৱা। যিদৰে কুলিৰ মাতে বসন্ত অহাৰ আগজাননী দিয়ে, তেনেদৰে শেৱালিৰ সুবাসে শৰৎ অহাৰ ইংগিত দিয়ে।

এতিয়া শেৱালী ফুলাৰ বতৰ। শৰতৰ বাবেই শেৱালি আৰু শেৱালীৰ বাবেই যেন শৰৎ শেৱালি ফুল ৰাতি ফুলে। সুৰ্য অস্ত যোৱাৰ পৰা সুৰ্য উদয় হোৱা এই মাজৰ সময়খিনিত শেৱালিৰ অস্তিত্ব বিৰাজমান। ফৰিংফুটা জোনাক নিশা শেৱালিৰ মনোমোহা সুগন্ধিয়ে হৃদয়ত এক অনুভৱী সত্তাৰ সৃষ্টি কৰে। কিন্তু পুৱা সুৰুযৰ কিৰণৰ স্পৰ্শত আৰু এপাহি-দুপাহিকৈ সৰি পৰে শেৱালি। শেৱালি ফুলৰ শুভ্র দলিছাত নিয়ৰৰ টোপালে ওমলে। শেৱালীৰ সুগন্ধ ই কঢ়িয়াই আনে মা দশভুজাৰ ধৰালৈ অহাৰ আগমনৰ বতৰা । নিয়ৰৰ টোপালৰ মুকুতা - মণিয়ে সজায় শাৰদীয় ৰানীৰ শয্যা, জোনাকেও চতিয়াই জিলমিল পোহৰত তলসৰা শেৱালীৰ ফুলৰ দলিচা । দুৰ্গতি নাশিনী মহিষ মৰ্দিনীক। শেৱালি ফুলৰ এধাৰি মালা গাঁঠি তেওঁৰ চৰণত অৰ্পন কৰা যায় এই শৰতৰ বতৰত ।

শৰতৰ চোতালত শেৱালী। জোনাকৰ পোহৰৰ ৰূপালীম ৰাতি, গভীৰ অনুভৱ বোৰে প্ৰেমৰ ভাষাৰে নাচে, লয়লাস ভংগিমাৰে। শব্দ কাননত অনুভৱৰ নৃত্য -নাটিকা, যুৰীয়া ৰাজহংসও কথা পাতে গুণগুণাই। শেৱালী ফুলৰ তলসৰা দলিচাই শৰতৰ চোতাললৈ কঢ়িয়াই আনিছে সমীৰে বোৱাই অনা সুগন্ধি সুবাস, কাৰণ এয়া যে সময় শাৰদীয় ৰাণী অহাৰ।

" হে মা দুৰ্গতি নাশিনী
তোমাক শতকৌটি প্ৰণাম।"

# আলফুল সময়



**দুলাল বৰা,বিশ্বনাথ চাৰিআলি**

কুঁৱলীৰ ওৰণী খহাই
ধলপুৱাতেই তলসৰা
শেৱালি পাহিয়ে ক'লে
বতৰীয়া বান এতিয়া শান্ত হ'ল,
হিংসাৰ ৰাতিবোৰো লাহে লাহে সাম কাটিলে
মানবতাই চেনেহ প্ৰীতিৰে
এটা নতুন দিনৰ এতিয়া আৰম্ভণি কৰিলে ।
পৰিস্ফুট হ'ল মনত জোনাক
শাৰদী ৰাণীৰ সৈতে জড়িত হ'ল
আজিৰ প্ৰতিক্ষণ নাৰিখি কোন ভেদ ভাব
কিয়নো এতিয়া শৰতৰ আগমন
মনৰ দুখত ভাঙি প্ৰেমত মচগুল হোৱাৰ
এইয়ে শুভ সময়।

# কাতি বিহুৰ পৰম্পৰা



**পৰীস্মৃতা বৰা হাজৰিকা, মাজুলী**

অসমীয়া প্ৰাণৰো প্ৰাণৰ, অতি আদৰৰ অসমৰ জাতীয় উৎসৱ বাপতি-সাহন বিহু। বিহু তিনিটা । তাৰে মাজত এটি অন্যতম বিহু - " কাতি বিহু বা কঙালী বিহু "। যত অন্তনিহিত হয় কৃষকৰ সপোনৰ ৰং। কাতি বিহুৰ সময়চোৱাত প্ৰায়বোৰ ভঁড়ৰাল উদং হয়, অভাৱ - অনাটনে কৃষিজীৱী লোকসকলক জুৰুলা কৰে, সেয়েহে এই বিহুক কঙালী বিহু বুলিও জনা যায় ।

আহিন আৰু কাতি মাহৰ সংক্ৰান্তি দিনা পালন কৰা হয় । শস্য শ্যামলা ধাননি পথাৰৰ সেউজীয়াই নৱ স্বপ্নৰ উন্মেষ অনাৰ সময়তে অসমীয়াই পালন কৰে কাতি বিহু। কাতি বিহু কৃষিৰ সৈতে জড়িত এক উৎসৱ। আহাৰ - শাওণ মাহৰ প্ৰখৰ গৰমকো নেওচি হাড় ভঙা পৰিশ্ৰম কৰা কৃষকৰ খেতি ডৰাত সোণগুটিয়ে পোখা মেলে । এনে সময়ত খেতি পথাৰত কীট পতংগৰ উপদ্ৰৱৰ পৰা ৰক্ষা পাবলৈ বিহুৰ দিনা পথাৰত বন্তি জ্বলাই সেৱা লোৱা হয় ।

কাতি বিহুৰ অন্যতম এক নিয়ম হ'ল " তুলসী পূজা"। ঘৰৰ সন্মুখৰ চোতালত তুলসী পুলি ৰুই ভেটি বনাই তুলসীৰ তলত চাকি বন্তি, ধূপ - ধুনা, নৈবেদ্য আদি আগবঢ়াই তুলসী পূজা কৰা হয় ।

গধূলিৰ লগে লগেই ওচৰ-চুবুৰীয়া লগলাগি তুলসীৰ তলত প্ৰাৰ্থনা গোৱা হয়....

" তুলসীৰ তলে তলে
মৃগ পহু চৰে
ঐ ৰাম কাৰ ঘৰে লয়
হৰিনাম"

হৰি নামৰ ধ্বনিৰে মুখৰিত হৈ পৰে গাৱঁৰ প্ৰতিঘৰ। মৰম চেনেহৰ বান্ধোনেৰে গাৱঁৰ বয়োজ্যেষ্ঠ জনৰ পৰা শিশুলৈকে সকলোৱে ঘৰে ঘৰে তুলসীৰ তলত নাম গায় আৰু মাহ প্ৰসাদ খাই গৃহস্থৰ মংগল কামনা কৰে । কাতি বিহুৰ পৰাই গৃহস্থই লখিমী আদৰাৰ প্ৰস্তুতি আৰম্ভ কৰে । কাতি বিহুৰ দিনা আকাশ বন্তিও জ্বলোৱা হয়। কাতি বিহুৰ ঐতিহ্য আৰু পৰম্পৰাই সকলোৱে মাজত একতাৰ এনাজৰীডাল অধিক সুদৃঢ় কৰি তুলে । এই একতাৰ এনাজৰীয়েই সমাজখনক সুন্দৰ ভাৱে বৰ্তাই ৰখাত যথেষ্ট অৰিহণা যোগাই ।

# দুৰ্গা পূজা



**ৰীমা গায়ন বৰা,নাওকটা, মৰিগাঁও**

শাৰদীয় সম্ভাৰ লৈ শৰৎ কাল আহে,
সন্ধিয়া শেৱালি হালিজালি ফুলে ।
দুবৰিয়ে নিয়ৰসিক্ত দলিচা পাৰে ,
পুৱা সৰি শেৱালি তলভৰাই তোলে ।
শৰতৰ আগমনত কুঁৱলী ধৰালৈ নামে,
শাৰদীয় দুৰ্গা পূজাৰ উখল -মাখল লাগে ।
ঢাক, ঢোল, মাদলৰ চেঁৱে চেঁৱে নাচে ,
পূজাৰীয়ে দেৱীচৰণত নৱৰাত্ৰি পূজা কৰে ।
দেৱী মাৰ আশিস ল'বলৈ ভক্তৰ আগমন,
দশমী পূজাৰ শেষত দেৱী মাৰ মূৰ্তি বিসৰ্জন ।
ভিন্ন ৰঙৰ বেলুনেৰে দোকান ভৰি থাকে,
সুস্বাদু মিঠাই পাব জেলেপি বিশেষভাৱে ।
অপশক্তি নাশিবলৈ ধৰালৈ দেৱী মা আহে,
মনে বিচৰা আশীৰ্বাদ মুখৰিত হৈ থাকে ।
নৱৰাত্ৰি পূজাত দেৱীৰ নগৰাকী ৰূপত পূজা,
মহিসাসুৰ মৰ্দিনী দেৱী দুৰ্গা দেৱ শক্তি লৈ জন্মা ।
বছৰি পূজা আহে আনন্দত মাতাল মন,
খৰছ বহন কৰিব লাগিব হাতত লাগে ধন ।

# শ্ৰীমন্ত শংকৰদেৱৰ কীৰ্তন আৰু ভাগৱতত শৰতৰ ৰূপ-সুষমা আৰু ভক্তিৰস

দীপিকা দাস,গৱেষক ছাত্ৰী
সত্ৰ অধ্যয়ন বিভাগ
আউনীআটী বিশ্ববিদ্যালয়



অসমীয়া সাহিত্যৰ ইতিহাসত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান অতুলনীয়। ধৰ্মীয় চেতনা, ভক্তিৰস, প্ৰকৃতিৰ সৌন্দৰ্য আৰু আধ্যাত্মিক অনুভূতিৰ সমন্বয়েৰে তেওঁ অসমীয়া সাহিত্যক এক স্বকীয় মৰ্যাদা প্ৰদান কৰিছে। তেওঁৰ সাহিত্যকৃতিৰ অন্যতম উল্লেখযোগ্য বৈশিষ্ট্য হৈছে প্ৰকৃতিৰ মনোৰম চিত্ৰায়ণ। কীৰ্তনঘোষা আৰু শ্ৰীমদ্ভাগৱতৰ বিভিন্ন প্ৰসংগত শৰতকালৰ প্ৰকৃতি, ইয়াৰ স্নিগ্ধ ৰূপ আৰু শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ বৰ্ণনাই শংকৰদেৱৰ কাব্যিক প্ৰতিভাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰে।

শৰত প্ৰকৃতিৰ এক মনোৰম ঋতু। বৰ্ষাৰ ঘন মেঘ আঁতৰি যোৱাৰ পিছত আকাশ নিৰ্মল হৈ উঠে। শীতল বতাহ, স্নিগ্ধ জোনাক, শুভ্ৰ কঁহুৱা আৰু ফুলে-ফলে জাতিষ্কাৰ প্ৰকৃতিয়ে চৌদিশে এক অপূৰ্ব সৌন্দৰ্যৰ সৃষ্টি কৰে। শংকৰদেৱে শৰতৰ এই পৰিৱৰ্তিত ৰূপৰ মাজেৰে প্ৰকৃতিৰ সৌন্দৰ্যৰ লগতে মানৱ-মন আৰু ভক্তিৰ গভীৰ অনুভূতিকো প্ৰকাশ কৰিছে। তেওঁৰ প্ৰকৃতি-চিত্ৰায়ণত দৃশ্যমান সৌন্দৰ্যৰ সৈতে নৈতিক চিন্তা, কৃষ্ণপ্ৰেম আৰু আধ্যাত্মিক উপলব্ধিৰ সমন্বয় ঘটিছে।

শৰতৰ প্ৰকৃতি-চিত্ৰায়ণৰ উপাদানসমূহ

১) মেঘমুক্ত নিৰ্মল আকাশ- শৰতৰ প্ৰকৃতি-চিত্ৰায়ণৰ অন্যতম প্ৰধান উপাদান হৈছে মেঘমুক্ত নিৰ্মল আকাশ। বৰ্ষাকালৰ ঘন মেঘ আঁতৰি যোৱাৰ পিছত আকাশ পৰিষ্কাৰ আৰু উজ্জ্বল হৈ উঠে। শংকৰদেৱে এই প্ৰাকৃতিক পৰিৱৰ্তনক মানুহৰ অন্তৰৰ শুদ্ধতাৰ সৈতে তুলনা কৰিছে। শৰতৰ আগমনত আকাশৰ পৰিৱৰ্তনৰ কথা উল্লেখ কৰি তেওঁ লিখিছে-

মেঘ গণে জল সৰ্বস্ব এৰিয়া
শুক্ল কৰিলেক গগন।
যেন মুনীসৱে বিত্ত লোভ
তেজি ভৈল মহা শুদ্ধ ভাৱ।।
-শ্ৰীমদ্ভাগৱত

এই পদকেইফাঁকিত শৰতৰ নিৰ্মল আকাশৰ এক সুন্দৰ চিত্ৰ প্ৰতিফলিত হৈছে। বৰ্ষাকালত মেঘে আকাশ আৱৰি ৰাখে। শৰতৰ আগমনৰ লগে লগে মেঘ আঁতৰি আকাশ নিৰ্মল আৰু উজ্জ্বল হৈ উঠে। কবিয়ে এই প্ৰাকৃতিক পৰিৱৰ্তনক মুনিসকলে বিত্তৰ প্ৰতি থকা লোভ ত্যাগ কৰি শুদ্ধ মনৰ অধিকাৰী হোৱাৰ সৈতে তুলনা কৰিছে। ইয়াত প্ৰকৃতিৰ বাহ্যিক নিৰ্মলতা আৰু মানুহৰ অন্তৰৰ শুদ্ধতাৰ মাজত এক গভীৰ সাদৃশ্য স্থাপন কৰা হৈছে।এই তুলনাৰ মাজেৰে শংকৰদেৱৰ দাৰ্শনিক দৃষ্টিভংগী প্ৰকাশ পাইছে। মানুহৰ জীৱনত লোভ, মোহ আৰু আসক্তিয়ে মনৰ স্বচ্ছতাত প্ৰভাৱ পেলায়। সেইবোৰ ত্যাগ কৰিব পাৰিলে অন্তৰত পৱিত্ৰতা আৰু প্ৰশান্তিৰ উদয় হয়। শৰতৰ মেঘমুক্ত আকাশৰ দৰে মানুহৰ মনো লোভমুক্ত হ'লে স্বচ্ছ আৰু নিৰ্মল হৈ উঠে। সেয়েহে প্ৰকৃতিৰ বৰ্ণনাৰ মাজত কবিয়ে নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰো অৱতাৰণা কৰিছে।

২) শীতল আৰু সুগন্ধি বতাহ- শৰতৰ আন এক উল্লেখযোগ্য উপাদান হৈছে শীতল আৰু সুগন্ধি বতাহ। বৰ্ষাৰ অন্তত প্ৰকৃতিৰ উত্তাপ আৰু অস্বস্তি হ্ৰাস পায়। শীতল বতাহৰ কোমল পৰশে মানুহৰ মন-প্ৰাণত প্ৰশান্তি আনে। এই অনুভূতিক গোপীসকলৰ কৃষ্ণপ্ৰেমৰ সৈতে তুলনা কৰি কবিয়ে লিখিছে-

সুগন্ধ শীতল বায়ুৰ পৰশে
খণ্ডই মহা ৰৌদ্ৰ দুখ।
যেন গোপীগণে কৃষ্ণ
আলিংগনে পাৱৈ মনে মহাসুখ।।
- শ্ৰীমদ্ভাগৱত

এই পদত শীতল বতাহৰ পৰশে ৰৌদ্ৰৰ দুখ দূৰ কৰাৰ দৃশ্যৰ মাজেৰে গোপীসকলে শ্ৰীকৃষ্ণৰ সান্নিধ্যত লাভ কৰা আনন্দৰ অনুভূতি প্ৰকাশ পাইছে। প্ৰকৃতিৰ কোমল স্পৰ্শ আৰু কৃষ্ণৰ আলিংগনৰ মাজত কবিয়ে এক সুন্দৰ উপমামূলক সম্পৰ্ক স্থাপন কৰিছে। যেনেদৰে শীতল বতাহে উত্তাপত ক্লান্ত দেহ- মনক আৰাম দিয়ে, তেনেদৰে কৃষ্ণৰ সান্নিধ্যই গোপী-সকলৰ হৃদয়ত অপাৰ আনন্দৰ সঞ্চাৰ কৰে। ইয়াত প্ৰকাশিত কৃষ্ণপ্ৰেমৰ অনুভূতিয়ে আধ্যাত্মিক তাৎপৰ্য লাভ কৰিছে। ভক্ত আৰু ভগৱানৰ মাজৰ নিবিড় সম্পৰ্কৰ মাজেৰে এই প্ৰেমে ভক্তিৰ এক গভীৰ ৰূপ পৰিগ্ৰহ কৰিছে। শংকৰদেৱৰ একশৰণ নামধৰ্মৰ মূল আধাৰ হৈছে ঈশ্বৰৰ প্ৰতি একান্ত ভক্তি আৰু আত্মসমৰ্পণ। গোপীসকলৰ কৃষ্ণপ্ৰেমৰ মাজেৰে এই একাগ্ৰতা আৰু নিবিড় ভক্তিভাৱৰ কাব্যিক প্ৰকাশ ঘটিছে।

৩) শৰতৰ মনোমোহা ৰাত্ৰি- শৰতৰ ৰাত্ৰিৰ সৌন্দৰ্য শংকৰদেৱৰ প্ৰকৃতি-চিত্ৰায়ণৰ আন এক গুৰুত্বপূৰ্ণ উপাদান। নিৰ্মল আকাশ, স্নিগ্ধ জোনাক আৰু শান্ত প্ৰাকৃতিক পৰিৱেশে শৰতৰ ৰাত্ৰিক মনোমোহা কৰি তোলে। এই পৰিৱেশতে শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়াৰ প্ৰসংগই বিশেষ তাৎপৰ্য লাভ কৰিছে। "কীৰ্তনঘোষা"ত শৰতৰ ৰাত্ৰিৰ সৌন্দৰ্য আৰু ৰাসক্ৰীড়াৰ প্ৰসংগত উল্লেখ আছে-

শৰত কালৰ ৰাত্ৰি
অতি বিতোপন
ৰাস ক্ৰীড়া কৰিতে
কৃষ্ণৰ ভৈলা মন।।
- কীৰ্তনঘোষা

এই পদত শৰতৰ ৰাত্ৰিৰ মনোমোহা ৰূপ আৰু শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়াৰ প্ৰতি আগ্ৰহৰ কথা প্ৰকাশ পাইছে। শৰতৰ নিৰ্মল আকাশ, স্নিগ্ধ জোনাক আৰু প্ৰশান্ত প্ৰাকৃতিক পৰিৱেশে ৰাসক্ৰীড়াৰ বাবে এক অনুকূল পটভূমি সৃষ্টি কৰিছে। প্ৰকৃতিৰ সৌন্দৰ্য আৰু কৃষ্ণলীলাৰ এই সমন্বয়ে কাব্যিক পৰিৱেশক অধিক মাধুৰ্যমণ্ডিত কৰি তুলিছে।

ৰাসক্ৰীড়া বৈষ্ণৱ সাহিত্যৰ এক উল্লেখযোগ্য বিষয়। ইয়াৰ মাজেৰে শ্ৰীকৃষ্ণৰ প্ৰতি গোপীসকলৰ একান্ত প্ৰেম, আত্মনিবেদন আৰু ভক্তিৰ গভীৰতা প্ৰকাশিত হৈছে। শৰতৰ ৰাত্ৰিৰ সৌন্দৰ্যই এই আধ্যাত্মিক অনুভূতিক অধিক মনোগ্ৰাহী কৰি তুলিছে। প্ৰকৃতি যেন কৃষ্ণলীলাৰ এক সক্ৰিয় অংশীদাৰ হৈ পৰিছে; ইয়াৰ প্ৰতিটো উপাদানে লীলাৰ মাধুৰ্য বৃদ্ধি কৰিছে।

৪. প্ৰকৃতিৰ স্নিগ্ধতা আৰু প্ৰশান্তি- শৰতৰ প্ৰকৃতিৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ইয়াৰ স্নিগ্ধতা আৰু প্ৰশান্তি। বৰ্ষাৰ অস্থিৰতা আঁতৰি যোৱাৰ পিছত প্ৰকৃতিয়ে এক শান্ত, কোমল আৰু মনোৰম ৰূপ ধাৰণ কৰে। শীতল বতাহ, নিৰ্মল আকাশ আৰু জোনাকৰ স্নিগ্ধতাই পৰিৱেশত এক অপূৰ্ব মাধুৰ্যৰ সৃষ্টি কৰে। এই পৰিৱেশে মানুহৰ মনতো প্ৰশান্তিৰ অনুভূতি জগাই তোলে। শংকৰদেৱৰ বৰ্ণনাত প্ৰকৃতিৰ এই শান্ত ৰূপ ভক্তিৰস আৰু আধ্যাত্মিক অনুভূতি প্ৰকাশৰো মাধ্যম হৈ পৰিছে। প্ৰকৃতিৰ প্ৰশান্তিৰ মাজেৰে ভক্তৰ অন্তৰৰ একাগ্ৰতা আৰু ঈশ্বৰৰ প্ৰতি থকা নিবিড় প্ৰেমৰ ভাৱ উপলব্ধি কৰিব পাৰি। এইদৰে প্ৰকৃতিৰ স্নিগ্ধতা আৰু মানৱ-মনোজগতৰ অনুভূতিৰ মাজত এক আন্তঃসম্পৰ্ক স্থাপিত হৈছে।

৫. প্ৰকৃতি আৰু কৃষ্ণলীলাৰ সমন্বয়- শংকৰদেৱৰ শৰতৰ প্ৰকৃতি-চিত্ৰায়ণৰ এক তাৎপৰ্যপূৰ্ণ দিশ হৈছে প্ৰকৃতি আৰু কৃষ্ণলীলাৰ সমন্বয়। মেঘমুক্ত আকাশ, শীতল বতাহ আৰু মনোৰম ৰাত্ৰিৰ বৰ্ণনাই শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়াৰ বাবে এক উপযুক্ত পটভূমি সৃষ্টি কৰিছে। প্ৰকৃতিৰ প্ৰতিটো উপাদানেই যেন কৃষ্ণলীলাৰ মাধুৰ্য প্ৰকাশত সহায় কৰিছে। প্ৰকৃতিৰ সৌন্দৰ্য আৰু কৃষ্ণলীলাৰ এই সমন্বয়ে বৰ্ণনাক অধিক জীৱন্ত আৰু অনুভূতিপ্ৰৱণ কৰি তুলিছে। ইয়াৰ ফলত প্ৰকৃতিৰ দৃশ্যমান সৌন্দৰ্যই ভক্তিৰসৰ সৈতে মিলিত হৈ এক আধ্যাত্মিক তাৎপৰ্য লাভ কৰিছে। শংকৰদেৱে প্ৰকৃতিক কৃষ্ণলীলাৰ পটভূমি হিচাপে ব্যৱহাৰ কৰাৰ লগতে ইয়াৰ মাজেৰে ভক্তিৰ অনুভূতিকো গভীৰ কৰি তুলিছে।

৬. প্ৰকৃতিৰ মাজেৰে আধ্যাত্মিক আৰু নৈতিক ভাৱৰ প্ৰকাশ- শংকৰদেৱৰ প্ৰকৃতি-চিত্ৰায়ণৰ আন এক বিশেষত্ব হৈছে প্ৰকৃতিৰ দৃশ্যৰ মাজেৰে নৈতিক আৰু আধ্যাত্মিক শিক্ষা প্ৰদান কৰা। মেঘে আকাশ ত্যাগ কৰি নিৰ্মলতা প্ৰকাশ কৰাৰ দৃশ্যৰ সৈতে মুনিসকলে বিত্তৰ প্ৰতি থকা লোভ ত্যাগ কৰি শুদ্ধ মনৰ অধিকাৰী হোৱাৰ তুলনাই এই বৈশিষ্ট্য স্পষ্ট কৰে। ইয়াৰ দ্বাৰাকবিয়ে প্ৰকৃতিৰ বাহ্যিক নিৰ্মলতাৰ মাজেৰে অন্তৰৰ পৱিত্ৰতাৰ তাৎপৰ্য প্ৰকাশ কৰিছে। লোভ, মোহ আৰু আসক্তি ত্যাগ কৰি ভক্তি আৰু আত্মসমৰ্পণৰ পথেৰে আগবাঢ়িলে মানুহৰ অন্তৰত প্ৰশান্তি আৰু আধ্যাত্মিক চেতনাৰ বিকাশ ঘটে। এইদৰে শংকৰদেৱৰ প্ৰকৃতি-বৰ্ণনা নৈতিক চিন্তা আৰু ভক্তিধৰ্মৰ সৈতে নিবিড়ভাৱে সংযুক্ত হৈ পৰিছে।

শংকৰদেৱৰ প্ৰকৃতি-চিত্ৰায়ণৰ কাব্যিক বৈশিষ্ট্য- শংকৰদেৱৰ প্ৰকৃতি-চিত্ৰায়ণৰ বিশেষত্ব হৈছে সহজ ভাষা, অৰ্থবহ উপমা আৰু গভীৰ ভাৱৰ সমন্বয়। মেঘমুক্ত আকাশক মুনিৰ লোভহীন মনৰ সৈতে তুলনা কৰা, শীতল বতাহৰ পৰশক কৃষ্ণৰ সান্নিধ্যৰ আনন্দৰ সৈতে সংযোগ কৰা আৰু শৰতৰ ৰাত্ৰিক ৰাসক্ৰীড়াৰ পটভূমি হিচাপে উপস্থাপন কৰা-এই সকলোবোৰে কবিৰ সূক্ষ্ম পৰ্যবেক্ষণশক্তি আৰু কাব্যিক কল্পনাৰ পৰিচয় দিয়ে। তেওঁৰ প্ৰকৃতি-বৰ্ণনাত দৃশ্যমান সৌন্দৰ্যৰ লগতে নৈতিক শিক্ষা, ভক্তিৰস আৰু আধ্যাত্মিক উপলব্ধিৰো সমাৱেশ ঘটিছে। প্ৰকৃতিৰ প্ৰতিটো দৃশ্যই কোনো গভীৰ অনুভূতিৰ বাহক হিচাপে আত্মপ্ৰকাশ কৰিছে। ইয়াৰ ফলত শৰতৰ বৰ্ণনাই পাঠকৰ মনত এক মনোৰম দৃশ্যপট সৃষ্টি কৰাৰ লগতে ভক্তিৰ অন্তৰ্নিহিত তাৎপৰ্য উপলব্ধি কৰাত সহায় কৰে। শংকৰদেৱৰ কাব্যিক দৃষ্টিত প্ৰকৃতি আৰু মানৱ-মন পৰস্পৰৰ সৈতে নিবিড়ভাৱে জড়িত। আকাশৰ নিৰ্মলতা, বতাহৰ শীতলতা আৰু ৰাত্ৰিৰ মাধুৰ্যৰ মাজেৰে মানুহৰ অন্তৰৰ পৱিত্ৰতা, প্ৰেম আৰু ভক্তিৰ অনুভূতি প্ৰকাশ পাইছে। এই সমন্বয়েই তেওঁৰ প্ৰকৃতি-চিত্ৰায়ণক বিশেষ মৰ্যাদা প্ৰদান কৰিছে।

সামগ্ৰিকভাৱে ক'ব পাৰি যে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কীৰ্তনঘোষা আৰু শ্ৰীমদ্ভাগৱতত শৰতৰ বৰ্ণনা প্ৰকৃতি আৰু আধ্যাত্মিকতাৰ এক অপূৰ্ব সমন্বয়। মেঘমুক্ত নিৰ্মল আকাশ, শীতল আৰু সুগন্ধি বতাহ, শৰতৰ মনোমোহা ৰাত্ৰি, প্ৰকৃতিৰ স্নিগ্ধতা আৰু প্ৰশান্তি, কৃষ্ণলীলাৰ সৈতে প্ৰকৃতিৰ সম্পৰ্ক তথা প্ৰকৃতিৰ মাজেৰে নৈতিক আৰু আধ্যাত্মিক ভাৱৰ প্ৰকাশ- এইবোৰেই তেওঁৰ শৰতৰ প্ৰকৃতি-চিত্ৰায়ণৰ প্ৰধান উপাদান। এই উপাদানসমূহৰ মাজেৰে শংকৰদেৱে মানুহৰ অন্তৰৰ শুদ্ধতা, কৃষ্ণপ্ৰেমৰ মাধুৰ্য আৰু ভক্তিৰ মহিমা প্ৰকাশ কৰিছে। তেওঁৰ প্ৰকৃতি-বৰ্ণনাত দৃশ্যমান জগতৰ সৌন্দৰ্যই আধ্যাত্মিক অনুভূতিৰ সৈতে মিলিত হৈ এক গভীৰ কাব্যিক তাৎপৰ্য লাভ কৰিছে। সেয়েহে শংকৰদেৱৰ শৰতৰ বৰ্ণনা অসমীয়া সাহিত্যত প্ৰকৃতি-চিত্ৰায়ণ, ভক্তিৰস আৰু বৈষ্ণৱ ভাবধাৰাৰ এক উল্লেখযোগ্য নিদৰ্শন হিচাপে বিবেচিত হয়।

এক আলোকপাত

শংকৰ দেৱ, দেৰগাঁও

# দুৰ্গোৎসৱৰ পৱিত্ৰতা আৰু একাংশ লোকৰ উশৃংখল আচৰণ



শৰতৰ নীলা আকাশত শুভ্ৰ মেঘৰ লুকা-ভাকু, পথাৰৰ কাষে কাষে কঁহুৱাৰ মনোমোহা হাঁহি, নিশাৰ বতাহত শেৱালিৰ মৃদু সুবাসৰ পৰশ, সচাঁকৈয়ে প্ৰকৃতিয়েই যেন এই সময়ছোৱাত কোনোবা অদৃশ্য শিল্পীৰ তুলিকাৰে আঁকি দিয়ে এক অপূৰ্ব ছবি। তাৰ মাজতেই দূৰৈৰ পৰা ভাঁহি অহা শংখ-উৰুলিৰ শব্দই জনাই দিয়ে যে আহি পালেহি শাৰদীয় দুৰ্গোৎসৱ।

দেৱী দুৰ্গাৰ আগমনৰ লগে লগে কেৱল পূজা মণ্ডপেই আলোকিত নহয়, আলোকিত হয় মানুহৰ মন তথা চাৰিওদিশৰ বাতাবৰণ। নতুন সাজ-পোছাকৰ উছাহ, আপোনজনৰ সৈতে মিলনৰ আনন্দ, পূজা মণ্ডপৰ ব্যস্ততা, ধূপ-ধুনাৰ সুবাস আৰু সাংস্কৃতিক অনুষ্ঠানৰ ৰঙেৰে চৌদিশে সৃষ্টি হোৱা এক উৎসৱমুখৰ পৰিৱেশ। জাতি, ধৰ্ম, ভাষা আৰু সামাজিক পৰিচয়ৰ সীমাৰেখা অতিক্ৰম কৰি এই উৎসৱে মানুহক একতাৰ এনাজৰীৰে বান্ধি ৰখাৰ এক অনন্য সুযোগ সৃষ্টি কৰে। কিন্তু এই আনন্দৰ মাজতেই এটা প্ৰশ্ন কেতিয়াবা মনে মনে উত্থাপিত হয় যে আমি সঁচাকৈয়ে এই পৱিত্ৰ উৎসৱৰ পৰম্পৰাক সন্মান কৰিছোঁনে? যি দুৰ্গোৎসৱ অশুভৰ ওপৰত শুভৰ বিজয়ৰ প্ৰতীক, সেই পৱিত্ৰ উৎসৱৰ পৰিৱেশত দুই-এজনৰ উশৃংখল আচৰণে কিয় কেতিয়াবা শান্তি আৰু সৌহাৰ্দ্যত ব্যাঘাত জন্মায়? দেৱী দুৰ্গাৰ পূজা কেৱল প্ৰতিমাৰ সন্মুখত ধূপ-চাকি জ্বলোৱা বা অঞ্জলি আগবঢ়োৱাৰ নামেই নহয়। ই আমাৰ ভিতৰৰ অশুভ শক্তিক জয় কৰাৰ এক প্ৰতীকী আহ্বান। অথচ মদ্যপান কৰি হুলস্থুল কৰা, অশালীন আচৰণ কৰা, উচ্চশব্দৰে আনৰ অসুবিধা সৃষ্টি কৰা, যান-বাহন চলাচলত বাধা দিয়া অথবা পূজা মণ্ডপৰ পৱিত্ৰ পৰিৱেশত অনাকাংক্ষিত পৰিস্থিতিৰ সৃষ্টি কৰা আদি আচৰণে উৎসৱৰ মূল উদ্দেশ্যকেই প্ৰশ্নৰ সন্মুখীন কৰি তোলে।

শেষান্তৰত ক'ব পাৰি যে এই দুই-এজনৰ উশৃংখল আচৰণে কেনেদৰে এটা বৃহৎ সামাজিক উৎসৱৰ সৌন্দৰ্য ম্লান কৰিব পাৰে আৰু সেই পৰিস্থিতিৰ পৰা মুক্ত হৈ আমি কেনেদৰে আমাৰ পৰম্পৰাগত দুৰ্গোৎসৱৰ মৰ্যাদা অক্ষুণ্ণ ৰাখিব পাৰোঁ। এই দিশৰ প্ৰতিটো কথা সুপৰিকল্পিত ভাৱে ব্যৱস্থা অক্ষুণ্ণ ৰাখি পূজা কমিটি, দ'ল-সংগঠন, আৰক্ষী সকলোৰে সুন্দৰ প্ৰচেষ্টা আৰু সহযোগিতাৰে আগবাঢ়িব লাগিব। যিহেতু শাৰদীয় দুৰ্গোৎসৱ আমাৰ পৰম্পৰা, আমাৰ সংস্কৃতি আৰু সামাজিক সম্প্ৰীতিৰ এক উজ্জ্বল প্ৰতীক। সেয়েহে এই উৎসৱৰ আনন্দ হওক সংযমী, উৎসৱ হওক শৃংখলাবদ্ধ আৰু পৰিৱেশ হওক সকলোৰে বাবে নিৰাপদ তথা আনন্দদায়ক।

# কাতি বিহু আৰু তুলসী গছৰ বৈজ্ঞানিক চিন্তা

বন্দিতা শৰ্মা কন্দলি



অসমীয়া সংস্কৃতিৰ জাতীয় উৎসৱ বিহু তিনিটাৰ প্ৰতিটোৰেই কৃষিভিত্তিক। আহিন আৰু কাতি মাহৰ দোমাহীৰ দিনা পালন কৰা কাতি বিহুও ইয়াৰ ব্যতিক্ৰম নহয়। কাতি বিহুত ভড়াঁল খালী হৈ পৰে। সেয়ে এই বিহু কঙালী বিহু বুলি কোৱা হয়। যদিও কঙালী তথাপিও কৃষিজীৱি লোকৰ বিহুৰ উচাহ কমি নাযায়। কিয়নো এই সময়তে ধানে গেৰ ধৰে, সপোনে পোখা মেলে । ল'ৰা- বুঢ়া সকলোৱেই আধ্যাত্মিকতাৰে পালন কৰা এই বিহু পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত বিশেষ ভাৱে সহায়ক।

বৈষ্ণৱ পৰম্পৰাত তুলসীৰ এক বিশেষ স্থান আছে। পুৰাণৰ মতে তুলসী সৰ্ব পাপহাৰী। কাতি মাহত এশ আঠ পাত তুলসী ৰঙা চন্দনৰ সৈতে বিষ্ণু দেৱতাৰ নামত অৰ্পণ কৰিলে পুণ্য অৰ্জন হয় বুলি বিশ্বাস আছে। অসমীয়া সমাজত তুলসী এবিধ অতি পৱিত্ৰ উদ্ভিদ। সেয়ে তুলসীৰ পূজা কৰা হয়। তুলসীৰ ঘ্ৰাণ লৈ যাত্ৰা কৰিলে যাত্ৰা শুভ হয় বুলি বিশ্বাস আছে। প্ৰতিদিনে পুৱা তুলসী গছৰ গুৰিত পানী ঢলা আৰু সন্ধিয়া চাকি জ্বলালে আপায় অমংগল দূৰ হয় বুলিও কোৱা হয়। প্ৰচলিত আছে তুলসী দৰ্শনে পুণ্য আৰু স্পৰ্শত পাপ নাশ হয়।

আয়ুৰ্বেদ শাস্ত্ৰ অনুসৰি তুলসী অনেক গুণৰ অধিকাৰী ই এবিধ গুল্মজাতীয় উদ্ভিদ। তুলসীয়ে চৌপাশৰ বায়ুমণ্ডল বিশুদ্ধ কৰি ৰাখে। তুলসীৰ পাতৰ ৰস কাহ-চৰ্দীৰ মহৌষধ, বেক্টেৰিয়া নাশক, তাৰোপৰি বহুমূত্ৰ ৰোগ, পেটৰ বিষ, পানী লগা, শ্বাস-প্ৰশ্বাস, পিত্তৰোগ, ৰক্ত দোষ, গ্ৰহণী, মুখৰ দুৰ্গন্ধ দূৰ কৰা, অৰুচি আদিৰ সুপথ্য। তুলসী উচ্চ ৰক্তচাপ, কলেষ্টেৰল ৰোধ, হৃদৰোগ আদিৰো উপযুক্ত ঔষধ। অৰ্থাৎ তুলসীয়ে এন্টিঅক্সিডেন্টৰ কাম কৰে। তুলসীৰ পৰা এবিধ সুগন্ধী তেল নিষ্কাষণ কৰা হয়। তুলসী পাতৰ চাহো এবিধ উত্তম পানীয়।

তুলসীৰ বৈজ্ঞানিক নাম হৈছে Ocimum Sanctum। উদ্ভিদ বিজ্ঞানৰ শ্ৰেণী বৰ্গীকৰণৰ মতে তুলসী লেমিয়ালেচি গোটৰ অন্তৰ্গত। অসমত সাধাৰণতে দেখা পোৱা কেইবিধমান তুলসী হৈছে ৰাম তুলসী, কৃষ্ণ বা ক'লা তুলসী, বন তুলসী, বগা তুলসী আদি। তুলসীয়ে দূষিত বতাহ শোধন কৰে। তুলসী থকা ঠাইত ১০০ ফুট ব্যাসাৰ্দ্ধ জুৰি ব্ৰজপাত পৰিব নোৱাৰে।

কাতি বিহুৰ প্ৰধান আকৰ্ষণ হৈছে তুলসী ভেটি। বিহুৰ দিনা চোতালৰ পুব দিশে মাটিৰ এটি ঢিপ সাজি তাত এটা তুলসী পুলি ৰোৱা হয়। তুলসী পুলি ৰোৱা ভেটি টোৰ চাৰিওফালে কলপুলি ৰুই, ফুলৰ মালা আৰু ফুলৰ পাহিৰে সজায়। তুলসী ভেটি ত আল্পনা আঁকাও দেখা যায়। আজিকালি তুলসী ভেটিৰ প্ৰতিযোগিতা জিলা পৰ্যায় আৰু ৰাজ্যিক পৰ্যায়তো অনুষ্ঠিত কৰা দেখা যায়।

সন্ধিয়া তুলসী ভেটি ত চাকি জ্বলাই মাহ- প্ৰসাদৰ শৰাই আগবঢ়ায় নাম গুণ গায়। ল'ৰা ছোৱালী হঁতে মাহ-প্ৰসাদ খাই ই ঘৰ - সি ঘৰ ফুৰে। এয়া কেৱল আনন্দ ই নহয় সম্প্ৰীতি ৰ প্ৰতীক। এনেদৰেই বিহুয়ে একতাৰ দোলেৰে অসমীয়া জাতিক ধৰি ৰাখিছে।

# ঐতিহ্য



দীপিকা ফুকন,চুঙাজান, গোলাঘাট

নগৰৰ মাজ মজিয়াত
শুই আছে এখন বিশাল সাগৰ
মানুহে কয় শিৱসাগৰ পুখুৰী
মই কওঁ অসমৰ হৃদয়ৰ দাপোণ।
আহোমৰ গৌৰৱৰ দিন ১৭৩১ চনত
বৰৰজা শিৱসিংহই ৰাণী অম্বিকাদেৱীৰ নামত
খনালে এই পবিত্ৰ জলাশয়
১২৯ বিঘা মাটি জুৰি
শ্ৰমিকৰ ঘাম আৰু ৰজাৰ অমৰ প্ৰেমত
তিনিও পাৰত যেন তিনিসিদ্ধ
পূবে শিৱদ'ল গৌৰীপটৰ দৰে ওখ
পশ্চিমে বিষ্ণুদ'ল শান্ত সমাহিত
উত্তৰে দেৱীদ'ল স্মৃতি ৰিঙিয়াই
তিনিওকে হিয়াত সাৱটি তুমি
ইতিহাসৰ পাত লুটিয়াই।
পুৱতি নিশা যেতিয়া কণমইনা চৰাইয়ে মাতে
তোমাৰ ৰূপোৱালী বুকু জিলমিল কৰে
পুৱা ফুৰা মানুহৰ খোজত
তোমাৰ পাৰ জীপাল হয়
গধূলি যেতিয়া শংখ বাজে দ'লত
তোমাৰ ঢৌবোৰেও যেন সেৱা কৰে।
তুমি দেখিছা ৰজাৰ উত্থান-পতন
ইংৰাজৰ আগমন
স্বাধীনতাৰ প্ৰথম পুৱা
আৰু আজিৰ ব্যস্ত চহৰ
তথাপিও তুমি একে আছা - গভীৰ, শান্ত, নিৰৱধি।
শিৱসাগৰলৈ যি আহে
তোমাক নোচোৱাকৈ নাযায়
কাৰণ তোমাক নেদেখিলে
শিৱসাগৰক দেখা নহয়।
তুমি পুখুৰী নহয়
তুমি আমাৰ আইৰ আমঠু
তুমি আমাৰ ইতিহাসৰ সোণোৱালী পৃষ্ঠা
আহোমৰ ঐতিহ্য।